## Centre for Studies in Social Sciences, Calcutta

### Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 52 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ CHANDRADHAR BARUAH | |
| Title: অসম-সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asaama Saahaitaya Sabhaa Patarikaa | |
| Translated Title: Magazine of Assam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat. |
| Year: 1929-30 (1850-51 Sak) | Edition: |
| Size: 22 cms - 260 pages | Genre: Magazine |
| Volumes: 3 - 6 issues | Condition of the original: Not bad. |
| Remarks: First published in the year 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# আসাম সাহিত্য-সভা-পত্রিকা।

আঘোণ—পুহ, ১৮৫০—

তৃতীয় বছৰ ] মুঠ সংখ্যা—১০ [ দ্বিতীয় সংখ্যা


নং

## সংস্কৃত বোৰ্ডৰ সভাপতিৰ অভিভাষণ।*

আসাম সংস্কৃত বোৰ্ডৰ মাননীয় মহোদয়সকল! আগন্তুক ভদ্ৰমহোদয়সকল! আৰু আসাম সংস্কৃত বোৰ্ডৰ শ্ৰদ্ধাস্পদ সম্পাদক মহাশয়! আজি আসাম প্ৰদেশৰ মুখ উজ্জ্বলকাৰী এই সংস্কৃত বোৰ্ড নামক সভাৰ পণ্ডিতাগ্ৰগণ্য-লব্ধ এই নেতৃত্বপদ মোৰ ওপৰত দিয়াত বাস্তবিকেই মই আচৰিত হৈছোঁ। এনে উচ্চ পদবীৰ মই কদাপিও যোগ্য নহওঁ। অৱশ্যে মই অনুমান কৰিছোঁ অসমৰ প্ৰধান ধৰ্ম্মাচাৰ্য্য মহাত্মা ৺বংশী গোপাল দেৱৰ উত্তৰাধিকাৰী বাবে অসমৰ প্ৰজা আৰু ৰজাই গড়মূৰ সত্ৰৰ গোস্বামী সকলৰ প্ৰতি যি ভক্তিবিমিশ্ৰ শ্ৰদ্ধা প্ৰদৰ্শন কৰি আহিছে, সেই আদৰ্শেৰেই আজি আপোনালোকেও এই অভাজনৰ প্ৰতি এনে গৌৰবান্বিত পদবীৰ কাৰ্য্যভাৰ অৰ্পণ কৰিছে। ভদ্ৰ মহোদয়সকল! ৺ বংশী গোপাল দেৱ এজন নৈষ্ঠিক ব্ৰহ্মচাৰী আছিল, আৰু তেখেত এনে পৰাৰ্থী আছিল, যে পুৰাণ ভাৰত আদিতো তেখেৰ তুল্য ত্যাগৰ আদৰ্শ বিচাৰি পাবলৈ নাই। তেখেত ১০৫

* গত ২৩ নবেম্বৰত (১৯২৭) শ্ৰীহট্টত বহা আসাম সংস্কৃত বোৰ্ডৰ দ্বিতীয় বাৰ্ষিক অধিবেশনত অমিততেজা ধৰ্ম্মপ্ৰাণ মহাপুৰুষ পূজ্যপাদ শ্ৰীশ্ৰীগড়মূৰীয়া সত্ৰাধিকাৰ গোস্বামী প্ৰভুৱে সভাপতি স্বৰূপে দিয়া সংস্কৃত অভিভাষণৰ অসমীয়া উজু ভাঙনী। অসমত সংস্কৃত শিক্ষাৰ উন্নতিকল্পে আসাম গৱৰ্ণমেণ্টৰ তত্ত্বাৱধানত এই সংস্কৃত বোৰ্ড স্থাপিত হবৰ আজি ২ বছৰ হৈছে। বিশেষ জানিব খুজিলে "Report on the Re-organisation of Sanskrit Education in Assam by Professor Vanamali Vedanta-tirtha, M. A." চাব পাৰে। যোৱা বছৰ প্ৰথম অধিবেশন গুৱাহাটীত বহে আৰু সভাপতি আছিল অসমৰ গৱৰ্ণৰ মহোদয়। অহা বছৰলৈ ৩য় বছৰৰ অধিবেশনৰ বাবে কটন কলেজৰ চিনিয়ৰ সংস্কৃত প্ৰফেচাৰ শ্ৰীযুত পদ্মনাথ বিদ্যাবিনোদ, এম, এ, মহোদয় নিৰ্ব্বাচিত হৈছে।

শ্ৰীদামোদৰ হাজৰিকা,
সেই সময়ৰ সভাপতিৰ প্ৰাইভেট্ চেক্ৰেটৰী।

বছৰ জীবিত আছিল, আৰু তেনে বৃদ্ধ কালতো ব্ৰহ্মপুত্ৰৰ জল অঞ্জলি কৰি লৈ কৈছিল যে—“যদি মোৰ জীৱনত কিবা সুকৃতি কৰিছিলোঁ, মই যে সমগ্ৰ জীৱনত পৰমেশ্বৰৰ নাম কীৰ্ত্তন কৰিছোঁ তাৰ বাবে যদি ভগৱান হৰি লেশমানো মোৰ প্ৰতি সন্তুষ্ট হৈছে, এই প্ৰকাৰ হৰি-সন্তোষৰ ফল-স্বৰূপ মোৰ যি পুণ্য আছে, জন্মাবধি এই পৰ্য্যন্ত অৰ্জ্জা সেই সকলো পুণ্য আজি অসম প্ৰদেশৰ বৈষ্ণৱসকলৰ মঙ্গলৰ অৰ্থে উছৰ্গি দিলোঁ”।

ভদ্ৰমহোদয়সকল! এনে আদৰ্শ ত্যাগী পুৰুষ এক বংশীগোপালৰ বাজে কোনো নাই। আজি মই তেখেতৰ উত্তৰাধিকাৰী গতিকে আপোনালোকে মোৰ ওপৰত এনে মহৎ কাৰ্য্যৰ ভাৰ দিছে, কিন্তু তেখেতৰ সৎগুণাৱলীৰ কিবা অলপ আমাৰ গাত আছেনে? মাননীয় মহোদয়সকল! তেখেতৰ সৎগুণৰ লেশমানো আমাৰ গাত নাই। আজি আমি ঘোৰ স্বাৰ্থান্ধ, লোকৰ পৰা মান-মৰ্য্যাদালোলুপ ঘোৰ কপটী আৰু ভক্তি বিক্ৰী কৰি জীৱিকা কৰিছোঁহক। এনে অযোগ্য জনৰ ওপৰত আপোনালোকে এনে মহৎ কাৰ্য্যৰ ভাৰ দিছে। মই আচৰিত হৈছোঁ যে মোৰ নিচিনা অযোগ্য জনৰ দ্বাৰানো এনে মহৎ কাৰ্য্য সুসম্পন্ন হব পাৰেনে? কিন্তু ইয়াৰ ভিতৰতে অলপ আশা দেখিছোঁ যে যদি আপোনালোক সাধুসকলৰ চৰণৰ ৰেণুস্বৰূপ আশীৰ্ব্বাদ পাওঁ, তেনেহলে মোৰ নিচিনা অযোগ্য জনেও অনেক কাৰ্য্য কৰিব পাৰোঁ। আপোনালোকৰ আশীৰ্ব্বাদেই ভগৱৎ কৃপা। ভগৱৎ কৃপাই কি কৰাব নোৱাৰে?

মূকং কৰোতি বাচালং পঙ্গুং লঙ্ঘয়তে গিৰীং।
যৎকৃপা তমহং বন্দে পৰমানন্দ মাধৱং॥

হে সাধুসকল! আজি আপোনালোকৰ পদৰেণু সম্বলিত আশীৰ্ব্বাদ দিয়ক যি আশীৰ্ব্বাদৰ মাহাত্ম্যত মোৰ নিচিনা স্বাৰ্থান্ধ অযোগ্য লোকেও যোগ্যতা লভি ভাৰতীয় হিন্দুৰ সৰ্ব্বাঙ্গীন উন্নতি সাধন কাৰ্য্যত আৰু জগতৰ ভাষা সমূহৰ অত্যাতিবৃদ্ধপ্ৰপিতামহী সংস্কৃত ভাষাৰ উন্নতি সাধনত মোৰ এই ক্ষুদ্ৰাদপি ক্ষুদ্ৰ জীৱনৰ সকলো শক্তি সামৰ্থ্য, আন কি জীৱন পৰ্য্যন্ত সমৰ্পন কৰি ৺বংশীগোপাল দেৱৰ উত্তৰাধিকাৰীৰ প্ৰকৃত আদৰ্শ দেখুৱাব পাৰো।

ভদ্ৰমহোদয়সকল! যিটো ভাষা জগতৰ ভাষাসমূহৰ ভিতৰত সৰ্ব্বাঙ্গসম্পূৰ্ণ বুলি মহা মহা পণ্ডিতসকলে মত প্ৰকাশ কৰে, যি বিদ্যা আয়ত্ব কৰিবলৈ নেপালে ভাৰতৰ বহিৰ্ভাগৰ মনস্বী পুৰুষসকলে নিজৰ জ্ঞান অসম্পূৰ্ণ বুলি ভাবে, যি ভাষাক ভাৰতীয় ঋষি মুনিসকলে “দেৱভাষা” বুলি নাম কৰণ কৰি গৈছে, জগতৰ অমূল্য জ্ঞান সম্পদৰ আকৰস্বৰূপ যি সংস্কৃত ভাষাৰ বাবে ভাৰতীয় প্ৰজাই নিজকে গৌৰৱান্বিত বুলি ভাবোঁহক, তেনে সংস্কৃত ভাষাৰ যে ধাৰণাতীত ৰূপে অৱনতি ঘটিল, ই আমালোকৰ ভাৰতবাসীৰ পক্ষে কম আচৰিত আৰু শোকাবহ ঘটনা নহয়। সকলোতকৈ বেজাৰৰ কথা হৈছে আমি অসমীয়াৰ পক্ষে। যদিও আজি ভাৰতবৰ্ষ গোটেইখন বিদেশী বৃটিচ গবৰ্ণমেণ্টৰ অধীনস্থ, কাৰো কোনো স্বাধীনতা নাই, তথাপি ভাৰতৰ অন্যান্য প্ৰদেশত অসমৰ তুলনাত বহু উচ্চ ভূমিকাত সংস্কৃত চৰ্চ্চা চলিব লাগিছে। সেইবিলাক প্ৰদেশৰ লগত ৰিজাই চালে অসমৰ সংস্কৃত ভাষাৰ অৱস্থা অতি ভীষণ ৰূপে অৱনত। অসমত সংস্কৃত ভাষাৰ এনে অৱস্থা দেখি হয়তো আপোনালোকৰ কোনোৱে এনে আশঙ্কা কৰিব পাৰে যে পূৰ্ব্বকালত অসমত সংস্কৃত ভাষাৰ চৰ্চ্চা নাছিল নে কি?

কিন্তু মাননীয় মহোদয়সকল! আপোনালোকে তেনে অমূলক ধাৰণা নকৰিব। অসম প্ৰদেশ পূৰ্ব্বকালত সকলোফালে বিশেষ উন্নত আছিল। পূৰ্ব্বকালত অনেক বিদ্যোৎসাহী ৰজাসকলে অসম ভূমিত ৰাজত্ব কৰিছিল; অনেক খ্যাতনামা পণ্ডিতে অসমত বেদ চৰ্চ্চা কৰিছিল। অসমৰ পূব অঞ্চলৰ ভীষণ অৰণ্যৰ মাজতো আজি যিবিলাক বিষ্ণু মন্দিৰ, বিষ্ণু মূৰ্ত্তি ওলাইছে, সেইবিলাকৰ পৰা বুজিব পাৰি যে অসম প্ৰদেশ অসভ্য বৰ্ব্বৰ জাতিৰ দেশ নাছিল।

শত শত বৎসৰৰ পৰাই যে, অসম প্ৰদেশত আৰ্য্য বিদ্যাৰ যথেষ্ট চৰ্চ্চা আছিল, তাৰ দ্বাৰা অসমৰ ওপৰত অনেক অনুমান কৰিব পাৰি। অসমৰ সামাজিক অৱস্থা বিশেষ সমুন্নত আছিল। আজি জগৎবাসীয়ে কয় যে জগতত যি আছে, সেই সকলো ভাৰতত



আছে; আৰু অনেকৰ মন্তব্য শুনিব যে সমগ্ৰ ভাৰতত যি আছে, সেই সকলো অসমতো আছে। অসম ভাৰত ভূমিৰ শিৰোভূষণ স্বৰূপ। হয়তো কব পাৰে যে অসমত মৰুভূমি নাই। কিন্তু ব্ৰহ্মপুত্ৰ আৰু সুৰমা নদীৰ প্ৰশস্ত বালিকে মৰুভূমিৰ প্ৰতিনিধি বুলিব পাৰি। তাৰ বাহিৰে সকলো বস্তু অসমত আছিল। ভাৰত-যুদ্ধত সাহায্য কৰিব পৰা সেনা বাহিনী, অসংখ্য হাতীৰে গঠিত হস্তি-যুদ্ধাৰু দল আছিল। চন্দ্ৰ ভাৰতী প্ৰমুখো অনেক অগাধ পণ্ডিত অসমত আছিল; কিন্তু হায়! আজি অসমত সেই সুদিন নাই।

যি দেশ এনে উন্নত আছিল, সেই দেশৰ এনে অৱনতি ঘটা দেখি আপোনালোকৰ স্বাভাৱিকতে প্ৰশ্ন উদয় হব পাৰে যে এনে অৱনতি ঘটিবৰ কাৰণ কি? মাননীয় সভাসকল! এই অৱনতিৰ কাৰণ বহুত থাকিলেও আটাইবোৰ ইয়াত উল্লেখ কৰিব নোৱোৰোঁ, কিন্তু দুই এটা প্ৰধান কাৰণ আপোনালোকৰ আগত প্ৰকাশ কৰিব খোজোঁ। ভাৰতৰ স্বাধীনতা হেৰোৱাৰ পাচতো আহোম ৰাজশক্তিৰ তলত অসমে নিজৰ সম্ভ্ৰম অক্ষুণ্ণ ৰাখিব পাৰিছিল। যি অসমে প্ৰবল প্ৰতাপান্বিত ভাৰত বিজয়ী মুছলমান সম্ৰাটসকলৰ অগনন সেনাৰ ভীষণ আক্ৰমণ ১৪।১৫ বাৰ প্ৰতিহত কৰি জন্মভূমিক স্বাধীন কৰি ৰাখিছিল, অসমৰ সেই আহোম ৰাজশক্তি গৃহ-বিবাদত চূৰ্ণ-বিচূৰ্ণ হ'ল, আৰু তাৰ লগে লগে প্ৰজা-শক্তিও বিশৃঙ্খল হৈ অনন্ত কাললৈ পৰাধীনতাৰ দৃঢ় শৃঙ্খলেৰে হস্ত-পদবদ্ধহৈ পৰপদানত হ'ল। মাননীয় সভাসকল! এখন দেশৰ স্বাধীনতা লোপ হোৱা কথাটো কিমান যে হৃদয়বিদাৰক কথা, তাক মই কি বুলি আপোনালোকক বুজাম? তাক আপোনালোকে হৃদয়ত অনুভৱ কৰক।

জগতত এইটো নিৰ্ভুল সত্য দৃষ্টান্ত যে, যেতিয়াই যি দেশৰ স্বাধীনতা লোপ পায়, সেই দেশৰে ইচ্ছা, জ্ঞান আৰু ক্ৰিয়া-শক্তি লোপ হয়। পৌৰাণিক উপাখ্যান আছে যে, দুৰ্ব্বাসা মুনিৰ শাপত দেৱৰাজ ইন্দ্ৰ হতশ্ৰী হলত সমগ্ৰ পৃথিৱীমণ্ডলৰ সকলো সৌভাগ্য লোপ পাইছিল। এতিয়া কাৰ্য্যক্ষেত্ৰতো দেখা গ'ল যে যি দেশৰ স্বাধীনতা যায়, তাৰ সকলো যায়। কিন্তু অসমৰ অতিপাতকৈ গ'ল। অসমৰ স্বাধীনতা যাওঁতে বিশ্বনিয়ন্তাৰ বিশ্ববিধ্বংসী লীলাৰ তাণ্ডৱ নৃত্যই অসমভূমি ক্ষতবিক্ষত কৰি গল। প্ৰিয় বন্ধুসকল! অসমৰ দুৰ্দ্দশাৰ কথা কি ক'ম? এনে দুৰ্দ্দশা কোনো দেশতে হোৱা নাই। যি অসমত আহোম ৰাজশক্তিৰ তলত ৪৫ লাখ অসমীয়া প্ৰজা আছিল, সেই অসমত বৃটিচ গবৰ্ণমেণ্ট আহি মাত্ৰ ৮ লাখ প্ৰজা পাইছিল। যি দেশৰ ৬ ভাগ প্ৰজাৰ ৫ ভাগ প্ৰজা একেবাৰে লোপ হয়, সেই দেশৰ অৱস্থা অনুমান কৰাৰ বাজে কৈ বুজাব নোৱাৰি। অসমৰ এই বিপ্লৱৰ নিমিত্তেই ভীষণ অৱনতি ঘটিল।

তাৰ পাচত অসম দেশ বৃটিচ জাতিৰ কৰতলগত হ'ল।

বৃটিচ জাতি (জগতত) জ্ঞানে, বুদ্ধিয়ে, পৰাক্ৰমে, মহানুভৱতাই সৰ্ব্বশ্ৰেষ্ঠ জাতি বুলি এটা খ্যাতি আছিল আৰু বৃটিচ জাতিয়ে নিজেও ভাব পোষণ কৰে, যে তেওঁলোকৰ সংস্পৰ্শলৈ আহিলে অসভ্য অশিক্ষিত, দুখীয়া আৰু নিপীড়িত জাতিবিলাক শিক্ষিত, সু-সভ্য, সুখী আৰু স্বাধীনতা পাবৰ যোগ্যতা লভে। বিপ্লৱৰ পাচত যেতিয়া অসম দেশত বৃটিচ জাতিয়ে শান্তি স্থাপন কৰিলে, তেতিয়া অসমীয়াই বৃটিচ জাতিৰপৰা বহুত আশা কৰিছিল, কিন্তু কাৰ্য্যক্ষেত্ৰত সেই আশা সম্পূৰ্ণ হ'বৰ সম্ভাৱনা দেখা নগ'ল।

অত্যন্ত হীনাবস্থাত থকা জাপানে ৫০ বছৰৰ ভিতৰত নিজ চেষ্টাৰে নিজ দেশৰ অসাধাৰণ উন্নতি কৰিলে, কিন্তু বৃটিচ জাতিয়ে এশবছৰৰপৰা, ঠায়ে ঠায়ে দুশবছৰ পৰ্যান্ত এই ভাৰত ৰাজ্যত ৰাজত্ব কৰিছে, তথাপি আজিও দেশৰ আশানুৰূপ উন্নতি নহ'ল। আমালোক প্ৰজাৰ স্বভাৱলৈ চাই বৃটিচ জাতিয়ে আজিও ঘোষণা কৰিব লাগিছে, যে ভাৰতবাসী আজিও নাবালক।

মাননীয় বন্ধুসকল! বাস্তৱিকে আমালোক ভাৰতবাসী যে নাবালক নামৰ একান্ত উপযুক্ত তাত অলপো আশঙ্কা নাই। ভাৰতবাসীক বৃটিচ গবৰ্ণমেণ্ট ধৰ্ম্ম বিষয়ত স্বায়ত্ব শাসন দিয়া আজি ৭০ বছৰ হল, তথাপি আমালোকে

সেই স্বাধীন ক্ষমতাৰ লেশমানো সংব্যৱহাৰ কৰা নাই। যি জাতিয়ে হাতত থকা ক্ষমতাৰ সংব্যৱহাৰ কৰিব নোৱাৰো, সেই বোৰেনো কোন লাজেৰে আজি স্বৰাজ বিচাৰোঁহক ?

যি জাতিয়ে এদিন জগতত ধৰ্ম্মশিক্ষা দিবৰ যোগ্যতা লভিছিল, সেই জাতি আজি এনে এলেহুৱা এনে পৰ-মুখাপেক্ষী হ'ল যে মনুষ্যত্বৰ সাৰ সম্বল ধৰ্ম্মকো ত্যাগ কৰিছোঁহক।

মাননীয় মহোদয়সকল ! আজি ভাৰতবাসীৰ নিশ্চেষ্টতা দেখিলে আচৰিত হব লাগে। হিন্দু বালকবিলাকে স্কুলত পঢ়োতে বিদ্যাশিক্ষাৰ লগে লগে হিন্দুৰ ধৰ্ম্মশিক্ষাও কৰিব লাগে এই চিন্তা আমালোক হিন্দুৰ গোবৰভৰা মস্তিষ্কৰ গোচৰীভূত হব পৰা নাই, কিন্তু এই ভাৰততে মুছলমানসকলে সতৰ্ক ভাবেৰে মুছলমান বালকবিলাকৰ ইচ্‌লামধৰ্ম্ম শিক্ষাৰ নিমিত্তে বিশেষ সুবন্দবস্ত কৰি দিছে। যিখন স্কুলত ১০।১২টা মানো মুছলমান লৰাই পঢ়ে, তেনে প্ৰত্যেক স্কুলতে মৌলবী নিযুক্ত কৰি দিছে। তাৰ ফল এই হৈছে যে মুছলমানবিলাক লৰাৰেপৰা নিজ ধৰ্ম্মৰ প্ৰতি বিশেষ শ্ৰদ্ধাবান আৰু তেওঁলোকে আই. চি, এচ্‌ পাছ কৰি আহিলেও নিজ ধৰ্ম্মৰ প্ৰতি শ্ৰদ্ধা নেৰে। কিন্তু হিন্দুজাতিৰ ফালে চাওকচোন ! আজি যিবোৰ স্কুল কলেজত হাজাৰ হাজাৰ হিন্দু লৰাই পঢ়িছে, তাতো হিন্দুধৰ্ম্ম শিক্ষাৰ কোনো দিহা নাই। তালৈ কোনো হিন্দু অভিভাৱকৰ দৃষ্টিপাত নাই। তাৰ ফলত আজি হিন্দু যুৱকবিলাকৰ হিন্দুধৰ্ম্মৰ প্ৰতি কোনো শ্ৰদ্ধা নাই। ধৰ্ম্ম সম্পৰ্কীয় কোনো জ্ঞান নাই। সেই নিমিত্তেই লক্ষ লক্ষ হিন্দুৱে আজি নিজ ধৰ্ম্ম এৰি পৰধৰ্ম্ম গ্ৰহণ কৰিছে। তথাপি আমালোক হিন্দুৰ তালৈ ভ্ৰূক্ষেপ নাই। হিন্দুজাতিৰ এনে মাৰাত্মক আল-স্যৰ দোষতে আজি হিন্দুৰ সৰ্ব্বপ্ৰকাৰ অৱনতি ঘটিছে। এই আলস্যৰ বাবেই আজি জগৎবাসীয়ে ভাৰতবাসীক মনুষ্য নামৰ অযোগ্য বুলি ঘৃণাৰ চকুৰে চাইছে।

এই আলস্যৰ দোষতে আজি হিন্দু জাতিৰ অনেক অনেক হক স্বত্ব ধ্বংস হৈ গৈছে। আজি অসম দেশতো অসমীয়াৰ এনে আলস্যৰ নিমিত্তেই জগতৰ পৰম উপা-দেয় বস্তু সংস্কৃত বিদ্যা ধ্বংস হব খুজিছে।

মাননীয় মহোদয়সকল ! আপোনালোকে হয়তো আশঙ্কা কৰিব পাৰে যে অসমত পূৰ্ব্বেও সংস্কৃত ভাষাৰ উন্নতি হোৱা নাছিল, আৰু অসমৰ ৰজাসকলেও সংস্কৃত বিদ্যাৰ উন্নতিৰ অৰ্থে যথেষ্ট যত্ন নকৰিছিল। আজি কালিৰ অনেক লোকে আহোম ৰজাৰ ৰীতি নীতিৰ ওপৰত কটাক্ষ কৰে যে আহোম ৰজা নিচেই মূৰ্খ অসভ্য আছিল আৰু শিক্ষাৰ উন্নতিৰ চেষ্টা কৰা নাছিল। মই কওঁ যে আহোম ৰজা অসভ্য নহয় ; আজি কালিৰ লগত তুলনা কৰিলে যদিও কিছু অসভ্য যেন বুজায় ; কিন্তু সেই সময়ত প্ৰায় সকলো দেশৰ ৰজাই তেনে আছিল। আহোম ৰজা অত্যন্ত বিদ্যোৎসাহী আছিল। অনেক পণ্ডিত কবিসকলে ৰজা ঘৰৰপৰা পোৱা বৃত্তি আজিও বংশধৰসকলে ভোগ কৰি আহোম ৰজাৰ বিদ্যোৎসাহৰ জলন্ত নিদৰ্শন দেখুৱাব লাগিছে। সেই আহোম ৰাজবংশৰ অনুগ্ৰহ পাই অসমত সংস্কৃত বিদ্যাৰ আশাতীত উন্নতি হৈছিল। একমাত্ৰ বিপ্লৱৰ উপৰি বিপ্লৱ হোৱাতহে সংস্কৃত বিদ্যা ( শিক্ষা ) দিনে দিনে ক্ষীণ হৈ গল। কিন্তু সুদীৰ্ঘ অন্ধকাৰ ৰাতিৰ শেষ সময়ত উষাৰ অৰুণ কিৰণৰ দৰে ভাৰতবাসীৰ দৈন্য দুৰ্দ্দশাৰ অন্ধকাৰৰ মাজেদি অনেক আশা আকাঙ্ক্ষাৰ ৰেখাৰ সূত্ৰপাত দেখা হৈছে, আৰু সেইবিলাক আলোকৰেখাৰ মাজেদিয়েই আমালোক ভাৰতবাসীৰ সৌভাগ্যৰ ৰবি দৈন্য দুৰ্দ্দশাৰ অন্ধকাৰ দূৰ কৰি উদয় হব বুলি আশা কৰিছোঁহক। কিছুমান বিষয়ৰ ভিতৰেদি আমালোকৰ শুভ লক্ষণৰ চিন দেখা গৈছে। বৃটিচ জাতিয়ে যি ভাৰ-তৰ সকলো বিষয়কে তেওঁলোকৰ ইউৰোপীয় বিষয়তকৈ হীন বুলি ভাবে, সেই বৃটিচ জাতিয়ে আজি ভাৰতীয় জ্ঞানৰ ধাৰা, ভাৰতীয় আদৰ্শ ভাল বুলি স্বীকাৰ পাবলৈ আৰম্ভ কৰিছে। ভাৰত গৱৰ্ণমেণ্টে আজি অনেক কাল ভাৰতীয় চিকিৎসা বিদ্যা আয়ুৰ্ব্বেদ অৱহেলা কৰি আহিছিল ; আজি ভাৰতৰ প্ৰায় প্ৰত্যেক দেশৰ গৱৰ্ণ-মেণ্টেই সেই আয়ুৰ্ব্বেদীয় চিকিৎসাৰ প্ৰতি সদয় দৃষ্টিৰে চাবলৈ আৰম্ভ কৰিছে। সেই প্ৰকাৰেৰেই আজি অস-মত সংস্কৃত বিদ্যাৰ প্ৰতি গৱৰ্ণমেণ্টৰ সদয় দৃষ্টিপাত হোৱা



দেখি সন্তোষ পাইছোঁহক। গত বছৰত মহামান্য গৱৰ্ণৰে নিজে সংস্কৃত বোৰ্ড সভা প্ৰতিষ্ঠা কৰাত আমালোক প্ৰজা সুখী হৈছোঁ, কিন্তু এয়ে যথেষ্ট হোৱা নাই। অসমত লুপ্তপ্ৰায় মহাবিদ্যা সংস্কৃত ভাষা পুনৰুজ্জীবিত কৰিবলৈ হলে গৱৰ্ণমেণ্টে আৰু অনেক চেষ্টা কৰিব লাগে, তেহে গৱৰ্ণমেণ্টে ইমান দিনে যে সংস্কৃত বিদ্যাৰ উন্নতিৰ অৰ্থে ৰাজোচিত যত্ন নকৰিলে, সেই পাপৰ যথোচিত প্ৰায়শ্চিত কৰা হব। গতিকে এই কাৰ্য্যত আৰু সাহায্য কৰিবলৈ আমালোকে গৱৰ্ণমেণ্টক বিনীত ভাবে অনুৰোধ কৰোঁহক। কিন্তু ভদ্ৰ মহোদয়সকল ! কেৱল গৱৰ্ণমেণ্টৰ চেষ্টাতে সংস্কৃত বিদ্যাৰ উন্নতি হব পাৰে বুলি মোৰ বিশ্বাস নহয়। গৱৰ্ণমেণ্টৰ সামৰিক শক্তিৰে গৱৰ্ণমেণ্টে শাসন পালন কৰিব পাৰে, কিন্তু সংস্কৃত বিদ্যা সামৰিক শক্তিৰ আয়ত্তাধীন বস্তু নহয়। ই জ্ঞানীলোকৰ মস্তিষ্কৰ ভাবময় বস্তু ; সুতৰাং এই ভাবময় বস্তুৰ উন্নতি কামনা কৰিলে তাৰ প্ৰতি আজি প্ৰত্যেক লোকে, প্ৰত্যেক হিন্দুৱে, বিশেষকৈ প্ৰত্যেক শিক্ষিত মেধাবী লোকে গৱৰ্ণ-মেণ্টৰ সাহায্যৰ লগতে নিজৰ সৰ্ব্ব সামৰ্থ্যেৰে সংস্কৃত বিদ্যাৰ উন্নতিৰ নিমিত্তে যত্ন কৰিব লাগে। বৰ আনন্দৰ কথা যে আজি এই শুভ কাৰ্য্যৰ নিমিত্তে অসমীয়া আৰু বঙ্গালী দুয়ো সম্প্ৰদায়ৰ লোকেই একে উদ্দেশ্যেৰে অনু-প্ৰাণিত হৈ কাৰ্য্যত হাত দিছে। সুতৰাং আমালোক প্ৰজা আৰু ৰাজকীয় শক্তি সংমিশ্ৰিত হৈ যদি সংস্কৃতৰ উন্নতি কামনা কৰোঁহক, তেনেহলে যে সংস্কৃতৰ উন্নতি অৱশ্যম্ভাবী হব, তাত অলপো আশঙ্কা নাই। কিন্তু পদ্মৰ নালত কণ্টক থকাৰ দৰে ইয়াৰ ভিতৰতো কিছুমান কণ্টকময় বাধা-বিঘিনি আছে। অৰ্থাৎ কিছুমান অসৎলোকে এই অমৃতময় কাৰ্য্যৰ লগত কিছুমান গৰলস্বৰূপ অসৎ বিষয় মিহলাই দেশৰ অনিষ্ট কামনা কৰে। বাস্তৱিকে তেনে হোৱাটো বৰ পৰিতাপৰ বিষয়।

ভদ্ৰ মহোদয়সকল ! এই কথাষাৰ আৰু অলপ বাহুল্য-কৈ আপোনালোকৰ আগত প্ৰকাশ কৰিব খোজো। যদিও মই অসমীয়া, তথাপি মই অসমীয়া বা বঙ্গালীৰ কাৰো একালে চাই কথাষাৰ নকওঁ ; মই মধ্যস্থ ভাবেহে কম। গতিকে আশা কৰোঁ উভয় পক্ষেই কথাষাৰ স্বাধীন ভাবেৰে বিচাৰ কৰি চাবলৈ সুবিধা পাব। আচল কথা এই যে, আজি অসমীয়া আৰু বঙ্গালীৰ ভিতৰত কেইটা-মান বিষয় লৈ বিদ্বেষ ভাব প্ৰকট হৈ পৰিছে। সেই বিদ্বেষৰ এটা প্ৰধান কাৰণ হৈছে ভাষাগত অসূয়া। আজি ভাষাৰ কথা লৈ উভয় জাতিয়েই উভয়ৰ প্ৰতি অসন্তুষ্ট।

কিন্তু মই ভাবি চাইছো যে ইয়াত অসন্তুষ্ট হবৰ কোনো কাৰণ নাই। আজি ভাৰতীয় ভাষাসমূহৰ ভিতৰত বঙ্গভাষা বিশেষ প্ৰকাৰে উন্নত, অন্যতম শ্ৰেষ্ঠ ভাষা। আজি এজন লোকে অন্য কোনো ভাষাৰ আশ্ৰয় নহলেও, কেৱল বঙ্গভাষা পঢ়িয়েই পণ্ডিত নামৰ যোগ্যতা আৰ্জ্জিব পাৰে। বঙ্গভাষাত আজি যি যি বিষয়ক পুথিৰ অভাৱ আছে, বঙ্গ-সাহিত্যিকসকলে অক্লান্ত উদ্যমেৰে তাক পূৰাবলৈ যত্ন কৰিছে। ভাষাৰ সম্পদ হিচাবে বঙ্গভাষা আজি বিশেষ পৰিপুষ্ট। এনে বঙ্গ-ভাষাৰ লগত অসমীয়া ভাষাৰ অনেক বিষয়ত সাদৃশ্য আছে। যেতিয়া এশ বছৰ পূৰ্ব্বে বৃটিচে আহি অসম দেশ অধিকাৰ কৰেহি, তেতিয়া বৃটিচৰ লগত অনেক কাৰ্য্যদক্ষ বাঙ্গালী কাৰ্য্যকাৰক স্বৰূপে অসমলৈ আহি বৃটিচ জাতিক ৰাজ কাৰ্য্যত সাহায্য কৰিছিল, আৰু তাৰ লগে লগে অসমত বঙ্গভাষা প্ৰচলন হবলৈকো আৰম্ভ হৈছিল *। এইবিলাক কাৰণতে অনেক বাঙ্গালীয়ে অসমীয়া ভাষাটো বঙ্গভাষাৰে পৰা উৎপন্ন হোৱা বুলি ভাবে। আৰু অনেক বঙ্গালী ভদ্ৰলোকে অসমীয়া আৰু বঙ্গলা একে হোৱা স্থলতো অসমীয়া মানুহবিলাকে অনাহক এটা বেলেগ ভাষা সৃষ্টি কৰি অসমীয়া আৰু বঙ্গালীৰ

* ৩০।৩৫ বছৰ কাল বঙ্গলা ভাষাই অসমীয়া ভাষাক মুজুৰা কৰি থৈছিল। ১৮৩৬ চনৰ পাচৰপৰা বঙ্গলা ভাষা অসমত চৰকাৰী স্কুল আৰু আদালতবিলাকত চলে আৰু ১৮৭১ চনত যেতিয়া কেম্বেল চাহাব বঙ্গৰপৰা অসমলৈ আহি বঙ্গলা ভাষাৰ ঠাইত ঘূৰি অসমীয়া ভাষা চলিবলৈ হুকুম দিলে, তেতিয়াৰপৰাহে ইংৰাজ আমোলত অসমত চৰকাৰী স্কুল, কাচাৰি আদিত অসমীয়া ভাষা পুনৰ প্ৰচলন হয়।

শ্ৰীদামোদৰ হাজৰিকা।

অনৈক্যতা সৃষ্টি কৰি বিৰোধ বঢ়াইছে বুলি ভাবি অসমীয়াৰ ওপৰত দোষাৰোপ কৰে।

আন পোনে আমাৰ অসমীয়াৰ অনেকে ভাবে ( আৰু জানে ) যে বৰ্ত্তমান বঙ্গভাষা অসমীয়াতকৈ উন্নত হলেও পূৰ্ব্বে এদিন অসমীয়া ভাষা বঙ্গ ভাষাতকৈ বহু উন্নত আছিল ; তিনি চাৰিশ বছৰৰ পূৰ্ব্বতো অসমীয়া কবি সকলে গদ্য কাব্য লিখিছিল; কিন্তু তৎসমসাময়িক বঙ্গভাষাত গদ্য কাব্য লিখাৰ আভাস পোৱা নাযায়। অসমৰ কথাগীতা আৰু কথাভাগৱতে অসমীয়াৰ মুখ উজ্জ্বল কৰিছে। তিনি চাৰিশ বছৰীয়া বঙ্গভাষা আলোচনা কৰি চালে দেখা যায় যে আজি বঙ্গভাষাৰ বহুত পৰিবৰ্ত্তন হৈছে ; কিন্তু অসমীয়া ভাষা পূৰ্ব্বে ইমান পৰিমাৰ্জ্জিত হৈছিল যে আজি কালিও পূৰ্ব্বৰ ভাষা বিশেষ পৰিবৰ্ত্তন হবৰ আৱশ্যক হোৱা নাই। এইবিলাক কাৰণতে অসমীয়াই ভাষাগৌৰৱেৰে নিজকে অধিক গৌৰৱান্বিত বুলি ভাবে। এনে প্ৰাচীন গৌৰৱান্বিত ভাষাৰ বিলোপ সাধন কৰি অসমীয়া জাতিক বঙ্গালী জাতিৰ কুক্ষিগত কৰিব খোজা বুলি ভাবি অনেক অসমীয়াই বঙ্গালীক জাতিয়তাৰ শত্ৰু বুলি ভাবে। অসমীয়া আৰু বঙ্গালীৰ ( মাজত ) এয়ে ভাষাগত দ্বন্দ।

আৰু এখন বিবাদ হৈছে জীৱিকাগত। এই বিধৰ বিবাদ বৰ লাজ লগা, যিহেতু ক্ষুদ্ৰ ক্ষুদ্ৰ স্বাৰ্থলৈ চাই এনে বিধৰ বিবাদৰ উদ্ভৱ হয়। বৃটিচ জাতিয়ে অসম অধিকাৰ কৰাৰ দিনাৰপৰাই বঙ্গালী লোকসকল অসমলৈ আহিবলৈ ধৰে। দেশৰ পৰিবৰ্ত্তনৰ লগে লগে বঙ্গালীসকল অসমলৈ অহাৰ সংখ্যাও বৃদ্ধি হবলৈ ধৰিলে। গৱৰ্ণমেণ্টৰ উচ্চ উচ্চ বেতনৰ পদবী বঙ্গালীসকলে পালে। নগৰে গাৱেঁ বঙ্গালী দোকানী আদিৰ সংখ্যা বৃদ্ধি হ'ল। যি যি অফিচ আদালতত কোনো বঙ্গালী ভদ্ৰলোকে ঠাই পায়, তাত আৰু অসমীয়াই প্ৰবেশ কৰিবলৈ বহু বাধা পায়। অৱশ্যে য'ত অসমীয়া আছে, তাতো যে হঠাৎ বঙ্গালী প্ৰবেশ কৰিব পাৰে এনে নহয়। এই দৰেই বাঙ্গালীৰ লগত অসমীয়াৰ জীৱিকাগত কাজিয়া চলিছে। এই উভয় প্ৰকাৰ বিবাদৰ কাৰণে মই মধ্যস্থভাবে দুষাৰমান কথা কওঁ। সেই কথাত যদি অসমীয়া বঙ্গালীৰ কিবা অপ্ৰিয় কথা ওলায় তেনেহলে মোক উভয় জাতিৰে নিস্বাৰ্থ সেৱক বুলি ভাবি যেন আপোনালোকে মোৰ দোষ মাৰ্জ্জনা কৰে। মোৰ বক্তব্য এই যে, আজি অসমীয়া বা বঙ্গলা ভাষা একতকৈ অপৰটো শ্ৰেষ্ঠ, একতকৈ অন্যটো হীন, ইত্যাদি কথা কোৱা—গছ শ্ৰেষ্ঠনে গুটি শ্ৰেষ্ঠ, তাৰ বিচাৰ কৰাৰ নিচিনা অমূলক আৰু অনাৱশ্যক বিচাৰ। জগতৰ মনীষীসকলে স্বীকাৰ কৰিছে যে সকলো ভাষাই প্ৰত্যক্ষেই হওঁক বা পৰোক্ষেই হওঁক সংস্কৃত ভাষাকে নিজৰ মাতৃ বুলি স্বীকাৰ কৰিবলৈ বাধ্য, অৰ্থাৎ সকলো ভাষা সংস্কৃত ভাষাৰপৰাইহে উৎপত্তি হৈছে। সুতৰাং এক ভাষাৰ পক্ষৰপৰা অন্য ভাষাৰ প্ৰতি কটাক্ষ বিদ্ৰুপ কৰিবলৈ কি কাৰণে আছে ? আজি সমগ্ৰ ভাৰতৰ বিভিন্ন প্ৰদেশবাসীৰ ভিতৰত একতা ভাব স্থাপন কৰিব লগা হৈছে। একতাৰ অভাবে কোনো জাতিৰ কোনো জাতীয় বিষয়েই উন্নতি হব নোৱাৰে। এনে স্থলত যদি আমি বঙ্গালী আৰু অসমীয়া এক প্ৰতিবেশী হৈ ক্ষুদ্ৰ অমূলক বিষয় লৈ অনৈক্যতাৰ সৃষ্টি কৰি লওঁ, তেনেহলে জগতবাসীয়ে আমাক মূৰ্খ বুলি নকবনে ? জগতৰ সভ্য নামধাৰী দেশৰ অনেক মনস্বীলোকে যি সংস্কৃত ভাষাক জগতৰ ভাষাসমূহৰ জনয়িত্ৰী বুলি সিদ্ধান্ত কৰি সংস্কৃত ভাষাৰ ওচৰত মস্তক অৱনত কৰি গৈছে, সেই সংস্কৃত ভাষাৰ লীলানিকেতন ভাৰতবৰ্ষৰ প্ৰজাসকলে নিজ নিজ প্ৰদেশৰ ভাষাৰ ঈষৎ ৰূপান্তৰ হোৱা বাবেই যে অন্যৰ ওপৰত এনে বিজাতীয় ঘৃণা কৰিবলৈ শিকিছে, ইয়াতকৈ বেজাৰৰ কথা কি আছে ?

ভদ্ৰ মহোদয়সকল ! ভাৰতৰ অৱনতিৰ কাৰণ পৰস্পৰাৰ ভিতৰৰ ইও এটা অন্যতম প্ৰধান কাৰণ। উপস্থিত বঙ্গালী অসমীয়া বন্ধুসকল ! আপোনালোকক বিনীত ভাবে খাটোঁ যেন আপোনালোকে পৰস্পৰৰ প্ৰতি এই ঘৃণিত অসূয়া ভাব এৰি পৰস্পৰে সম্মিলিতভাবে ভাৰতৰ চিৰ-গৌৰৱ-বিবৰ্দ্ধিনী সংস্কৃত ভাষাৰ উন্নতিৰ অৰ্থে জীৱনৰ সকলো শক্তি উচৰ্গি দিয়ে। বন্ধুসকল ! কোনো কোনো লোকে ইঙ্গিত কৰে, যে অসমীয়াবিলাক নিতান্ত অসভ্য বৰ্ব্বৰ, পাৰ্ব্বত্য জাতি ; কিন্তু, বন্ধুসকল ! ই অত্যন্ত



অমূলক কথা। অসম প্ৰদেশ বহু পুৰাতন হিন্দু ৰাজ্য। অন্য কথা নকওঁ, আপোনালোকে অনুসন্ধান কৰিলে বুজিব যে খৃষ্টীয় সপ্তম শতাব্দীত চিন পৰিব্ৰাজক হিয়ুন চাং আহি অসম প্ৰদেশৰ যিটো অৱস্থা দেখিবলৈ পাইছিল, সেই অৱস্থা অসমৰ পক্ষে কম গৌৰৱৰ কথা নাছিল। বিশেষকৈ চাব লাগে যে যি ভাৰতবৰ্ষই এদিন সমগ্ৰ জগতৰ ওপৰত গুৰুগিৰী কৰি জগতক জ্ঞান আৰু সভ্যতা শিক্ষা দিছিল, সেই ভাৰতৰ কোনো কোনো প্ৰদেশবাসীয়ে আন আন প্ৰদেশবাসীক অসভ্য বৰ্ব্বৰ বুলি ভবাটো বিশেষকৈ নিজৰ অজ্ঞতাৰ পৰিচায়কৰ বাজে আন একো নহয়। যি ভাৰতে এদিন উত্তৰ আমেৰিকা আফ্ৰিকা, আদি দেশতো সভ্যতা বিস্তাৰ কৰিছিল, সেই ভাৰতৰ কোনো প্ৰদেশেই যে অসভ্য নাছিল, ই নিসংশয়িত সত্য। সেই নিমিত্তেই মই অনুৰোধ কৰোঁ যে অসমীয়া আৰু বঙ্গালী দুয়ো একে ভাবেৰে অনুপ্ৰাণিত হৈ এই মৃতপ্ৰায় দেৱ ভাষাৰ উন্নতিৰ হকে বদ্ধপৰিকৰ হওঁক।

বন্ধুসকল ! সংস্কৃত ভাষাৰ উন্নতি কৰিবলৈ হলে আমালোকক ঐকান্তিকতা লাগে। জগতৰ সকলো কাৰ্য্যতে সাধনা লাগে। বিনা সাধনাৰে জগতত কোনো উত্তম কাৰ্য্য হব নোৱাৰে। এই ভাৰতবৰ্ষত যে সংস্কৃত বিদ্যাৰ অসাধাৰণ উন্নতি হৈছিল, তাৰো মূলত ঋষি, মুনিসকলৰ ঐকান্তিক সাধনাই প্ৰধান কাৰণ। আৰু সংস্কৃত ভাষাৰ এই অৱনতিৰো আমালোক ভাৰতবাসীৰ নিশ্চেষ্টতাই প্ৰধান কাৰণ বুলি বুজিব লাগে। বন্ধুসকল ! আজি পাশ্চাত্য দেশত সংস্কৃত ভাষাৰ গতি বিধিলৈ লক্ষ্য কৰকচোন ! খৃষ্টীয় সপ্তদশ শতাব্দীৰ পূৰ্ব্বে পাশ্চাত্য দেশত সংস্কৃত ভাষাৰ কোনো চৰ্চ্চাই হোৱাৰ প্ৰমাণ পোৱা নেযায়। ১৬৫১ খৃষ্টাব্দত আব্ৰাহাম ৰজাৰ নামেৰে এজন ওলন্দাজ ধৰ্ম্মযাজকে ভাৰতত খৃষ্টধৰ্ম্ম প্ৰচাৰ কৰিবলৈ আহি মান্দ্ৰাজৰ পলিকট নামেৰে ঠাইত কিছুকাল বাস কৰিছিল। তেৱেঁই সৰ্ব্বপ্ৰথমে পাশ্চাত্য দেশত ভাৰতবৰ্ষৰ বেদৰ খবৰ প্ৰকাশ কৰিছিল, আৰু কোনো এজন ব্ৰাহ্মণে পৰ্টুগীজ ভাষালৈ অনুবাদ কৰা ভৰ্তৃহৰিৰ কবিতা কিছুমান পুস্তক আকাৰে প্ৰকাশ কৰিছিল। তাৰ পাচত দুই চাৰিজনকৈ আৰু কেবাজনো ধৰ্ম্মযাজকে সংস্কৃত ভাষা আয়ত্ত কৰি পাশ্চাত্য ভাষাত সংস্কৃত ব্যাকৰণ লিখি সংস্কৃত চৰ্চ্চাৰ পথ সুগম কৰিছিল।

তাৰ পাচত ইংৰাজবিলাকেও সংস্কৃতৰ চৰ্চ্চা কৰিবলৈ ধৰে। ওৱাৰেণ হেষ্টিংচ্ বৰলাট হৈ থকা সময়ত সংস্কৃত ভাষাৰ প্ৰতি ইমান অনুৰক্ত হৈ পৰিছিল, যে তেওঁ ইংৰাজ পণ্ডিতসকলক সংস্কৃত পঢ়িবলৈ বিশেষ প্ৰকাৰে উৎসাহ দিছিল। তেখেতৰ উৎসাহ পাই কেইবাজনো ইংৰাজ পণ্ডিতে বহু যত্নেৰে সংস্কৃত ভাষা শিক্ষা কৰি নিজৰ জন্মভূমিত সংস্কৃত ভাষাৰ চৰ্চ্চা কৰিবলৈ নানা সুবিধা লগাই দিছিল। জাৰ্ম্মেনীৰ বিখ্যাত কবি ফ্ৰেডেৰিক্ শ্লেজেলে কৈছিল যে, সকলো লোকৰ পক্ষেই যদি সংস্কৃত ভাষা শিক্ষা কৰা নহয়, তেনেহলে সেইলোকৰ অন্যান্য ভাষা শিক্ষা কৰা বৃথা, যিহেতু সংস্কৃত ভাষাত অভিজ্ঞ হলেহে লোকে অন্যান্য ভাষাৰ প্ৰকৃত ৰসৰ আস্বাদ লবলৈ সুবিধা পায়। জগতবিখ্যাত জৰ্ম্মান পণ্ডিত ডব্লিউ হম্বোল্ট্, চাহাবে শ্ৰীমদ্ভগবৎ-গীতা পাঠ কৰিবলৈ পাই কৈছিল, "জগতৰ ভিতৰত ইয়াতকৈ কোনো উচ্চ আৰু মহৎ ভাব প্ৰকাশিত হোৱা নাই, আৰু মোৰ কি মহাভাগ্য যে এনে উচ্চ ভাবৰ কিতাপ পঢ়িবলৈ পাইছোঁ, আৰু ভাৰতবৰ্ষৰ এই অতি উপাদেয় পুস্তকখন পঢ়িবলৈ পাবলৈকে মই আজিলৈকো জীয়াই আছোঁ।"

ভদ্ৰমহোদয়সকল ! সংস্কৃত ভাষাৰ নানা অলৌকিক প্ৰতিভা দেখি এই প্ৰকাৰে গুণলুব্ধ পাশ্চাত্য মণীষীসকলে সংস্কৃত ভাষাৰ প্ৰতি আকৃষ্ট হৈ বিশেষ যত্নেৰে নিজ নিজ দেশত সংস্কৃত ভাষাৰ অসাধাৰণ উন্নতি কৰিলে ; কিন্তু আমি সেই সংস্কৃতৰ আদি উৎপত্তিৰ স্থল ভাৰতৰ সন্তানসকলে কি কৰিছোঁহঁক ! হায়, হায়, আমাৰ অমনোযোগিতাৰ দোষতে আজি অসমৰ সংস্কৃত ভাষা লুপ্তপ্ৰায়। আজি সংস্কৃতৰ এনে দুৰ্দ্দশা দেখি জগতৰ জ্ঞানীসকলে আমালোক ভাৰতবাসীক মানৱ নামৰ কলঙ্ক বুলি ঘৃণাৰ চকুৰে চাইছে। বন্ধুসকল ! সকলো একমতি হৈ, গৱৰ্ণমেণ্টৰ সহায় লৈ, সংস্কৃত ভাষাৰ উন্নতি বিষয়ত বদ্ধপৰিকৰ হওঁহঁক আৰু ভাৰতবাসীৰ কলঙ্ক গুচাওঁহঁক।

এতিয়া প্ৰধান কথা হৈছে এই যে সংস্কৃতৰ উন্নতি কি উপায়েৰে কৰা হব। ভদ্ৰ মহোদয়সকল! এই সম্পৰ্কে অনেকে অনেক প্ৰকাৰ মত প্ৰকাশ কৰে, কিন্তু মই সেইবোৰ কথাৰ বাহুল্য আলোচনা কৰি আপোনালোকৰ মূল্যবান সময় নষ্ট কৰিব নোখোজো। আপোনাসকলৰ আগত বহু কথা কব পাৰি, কিন্তু কাৰ্য্যস্থলত সেইবিলাক সম্পাদন কৰিব নোৱাৰিলে কথা কোৱাৰ কোনো সাৰ্থকতা নেথাকে। সম্প্ৰতি মই ইয়াকে কওঁ যে সংস্কৃত ভাষাৰ উন্নতি কৰিবৰ নিমিত্তে ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভিতৰত সংস্কৃত বিদ্যাৰ উচ্চ অঙ্গৰ এখন কলেজ পাতি দিব লাগে। কলেজত পঢ়া ছাত্ৰবিলাকৰ নিমিত্তে উপযুক্ত বৃত্তি নিৰ্দ্ধাৰিত কৰিবলৈ গৱৰ্ণমেণ্টে যথোচিত টকা দিব লাগে। যদি আজি গৱৰ্ণমেণ্টে অন্তৰেৰে সৈতে সংস্কৃত ভাষাৰ উন্নতি কৰিব খোজে তেনেহলে ওপৰত উল্লেখ কৰা অভাৱ দুটা পূৰাই দিব লাগে। সংস্কৃত বিদ্যাৰ অৰ্থোপাৰ্জ্জন ক্ষমতা নিচেই কম। গতিকে, সকলোৱেই অনুযোগ কৰে যে এই সংস্কৃত বিদ্যা আৰ্জ্জি আমি জীৱিকা কেনেকৈ কৰিম? বাস্তৱিকেও এই কাৰণতে আজি সংস্কৃত জনা পণ্ডিত সকল জীৱিকা উপাৰ্জ্জনত অক্ষম হৈ বিশেষ বিপদগ্ৰস্ত হয়; কিন্তু ইয়াৰ উপায় কি? উপায় আছে।

প্ৰথম উপায় হৈছে.—এই প্ৰদেশত যত স্কুল আৰু কলেজ আছে, সেই সকলো স্কুল কলেজতে হিন্দু ছাত্ৰ সকলক হিন্দু ধৰ্ম্ম শিক্ষা দিবলৈ আৱশ্যকানুৰূপ পণ্ডিত নিযুক্ত কৰিব লাগে। সেইসকল পণ্ডিতে হিন্দু লৰাক হিন্দুধৰ্ম্ম শিক্ষা দিব। কোনোৱে হয়তো আশঙ্কা কৰি কব পাৰে যে এতিয়াও হিন্দুলৰাক সংস্কৃত পঢ়াবৰ নিমিত্তে প্ৰত্যেক হাইস্কুল আৰু কলেজতে সংস্কৃতজ্ঞ পণ্ডিত আছে। তাৰ উত্তৰত কওঁ যে সেইসকল পণ্ডিতে সংস্কৃত সাহিত্যহে পঢ়ায়, আৰু সেই সংস্কৃত সাহিত্য কেৱল হিন্দুৱেই যে পঢ়ে, এনে নহয়; খৃষ্টান, মুছলমানেও পঢ়ে। গতিকে সংস্কৃত সাহিত্য পঢ়িলেই যে হিন্দুছাত্ৰবিলাকৰ নিজ ধৰ্ম্মৰ অভিজ্ঞতা বৃদ্ধি হব এনে নহয়। অনেক খৃষ্টান আৰু মুছলমানে সংস্কৃতত উচ্চশিক্ষা পাইছে, তথাপি তেওঁলোক হিন্দু নহয় কিয়? তাৰ প্ৰধান কাৰণ হৈছে যে সাহিত্যৰ মাধুৰ্য্য দেখি মোহিত হলেও বাল্যকালৰ পৰাই একপ্ৰকাৰ ধৰ্ম্মমতৰ প্ৰতি বিশ্বাসযুক্ত হলে বয়সত সেই বিশ্বাস লৰচৰ হোৱা টান হয়। এই নিমিত্তেই খৃষ্টান আৰু মুছলমানে হিন্দু হব নোখোজে। কিন্তু হিন্দু বিলাকে লৰাবেপৰা নিজ ধৰ্ম্ম সম্পৰ্কে একো জানিব নোৱাৰে, গতিকে অনায়াসে নিজ ধৰ্ম্ম এৰি আন ধৰ্ম্ম লয়। আপোনালোকে হয়তো কব পাৰে যে এই সংস্কৃত সভাত ধৰ্ম্মৰ কথা কিয় অৱতাৰণা কৰিছে? তাত মই কওঁ যে ইয়াত ধৰ্ম্মসম্পৰ্কে কথা কোৱা মোৰ উদ্দেশ্য নহয়; কিন্তু কি কি কাৰ্য্য কৰিলে সংস্কৃত পণ্ডিতসকলৰ জীৱিকা সুগম হব পাৰে, তাৰ কথা কওঁতেহে এইবিলাক কথা কব লগা হৈছে। আপোনালোকে হয়তো সুধিব পাৰে যে সেই পণ্ডিতসকলেনো কি নিয়মেৰে স্কুলত ধৰ্ম্ম শিক্ষা দিব? তাৰ উত্তৰত কওঁ যে পণ্ডিতে স্কুলত হিন্দু ছাত্ৰক কি নিয়মে হিন্দুধৰ্ম্ম শিক্ষা দিব, তাক মই ফালি ছিৰি দেখুওৱাৰ আৱশ্যক নাই। মাত্ৰ ইমান জানিলেই হব যে যেনেকৈ স্কুলৰ মৌলবীসকলে মুছলমান বালকক আৰবী, পাৰচী শিক্ষা দিয়ে, আৰু সেই স্কুলৰ হিন্দু আৰু খৃষ্টানসকলে সেইবিলাক ভাষা শিক্ষা নকৰে আৰু মৌলবীসকলৰ শিক্ষাৰ ফলতে মুছলমান ছাত্ৰসকলৰ নিজ ধৰ্ম্মলৈ বিশ্বাস যথেষ্ট বৃদ্ধি হয়, সেই প্ৰকাৰেই এই পণ্ডিতসকলেও হিন্দু ছাত্ৰবিলাকক যাতে হিন্দু বালকৰ ধৰ্ম্মভাৱ বৃদ্ধি হয়, সেই দৰে পঢ়াব। তেনেহলে হিন্দু লৰাৰো ধৰ্ম্মজ্ঞান বৃদ্ধি হব আৰু পণ্ডিতৰো জীৱিকা নিৰ্ব্বাহৰ পথ প্ৰশস্ত হব। পণ্ডিতসকলৰ উপজীৱিকাৰ আৰু এটা উপায় হৈছে—পৌৰহিত্য।

আজি সংখ্যাতীত ব্ৰাহ্মণে কেৱল পৌৰহিত্য প্ৰথাৰে জীৱিকা কৰে। কিন্তু দুখৰ কথা যে সেই পুৰোহিতসকল প্ৰায়ে অজ্ঞ, নাম মাত্ৰ ব্ৰাহ্মণ। সংস্কৃতত অভিজ্ঞতা নথকা মূৰ্খ ব্ৰাহ্মণে অশুদ্ধ বাক্য বুলি যি বেদবিহিত কৰ্ম্ম কৰে, সেই কৰ্ম্মৰ কোনো সুফল নহয়। গতিকে সকলো হিন্দুৱেই সংস্কৃত জনা লোক পুৰোহিত লব লাগে। আৰু প্ৰত্যেক যজমানেই যাতে তেখেতসকলৰ পুৰোহিতসন্তানবিলাক সংস্কৃতত পাৰদৰ্শী হয়, তাৰ বাবে চেষ্টিত হব লাগে। আজি সকলো হিন্দুৱে যদি পুৰোহিত সকলক সংস্কৃত পঢ়িবলৈ বাধ্য কৰে আৰু সংস্কৃতজ্ঞ লোককহে পুৰোহিত বৰণ কৰে, তেনেহলে সকলো ব্ৰাহ্মণেই সংস্কৃত পঢ়িবলৈ যত্নবান হব আৰু সংস্কৃত ভাষাৰো উন্নতি হ'ব।



ভদ্ৰমহোদয়সকল! অৱশেষত আপোনালোকক বিনীতভাৱে অনুৰোধ কৰোঁ যে আজি আপোনালোক সকলোৱেই সংস্কৃত ভাষাৰ উন্নতিৰ হকে কায়বাক্য মনেৰে যত্নবান হওক। আপোনালোকৰ অবিদিত নহয় যে পাশ্চাত্য স্বাধীন দেশৰ লোকসকলে আমালোক ভাৰতবাসীক নিচেই অসভ্য, বৰ্ব্বৰ মানুহ বুলিয়েই ভাবি আছিল, কিন্তু যেতিয়া ভাৰতৰ সংস্কৃত বিদ্যাৰ অলৌকিক প্ৰতিভাৰ পৰিচয় পাবলৈ ধৰিলে, তেতিয়াহে ভাৰতৰ সভ্যতা, জ্ঞান আদিৰ প্ৰতি অলপ শ্ৰদ্ধা কৰিবলৈ আৰম্ভ কৰিলে। আজি আমি ৩৩ কোটি ভাৰতবাসীয়ে অন্য দেশত নিজৰ কোনো প্ৰকাৰ যোগ্যতা দেখাব পৰা নাই। কিন্তু পাশ্চাত্য জ্ঞানপিপাসুলোক সকলে নিজৰ চেষ্টাৰে সংস্কৃত ভাষা আয়ত্ত কৰি তাৰ অলৌকিক প্ৰতিভা লক্ষ্য কৰিহে ভাৰতীয় হিন্দুক মানুহ নামৰ লেখত গণ্য কৰিছে। যি ভাষাৰ, যি সাহিত্যৰ কাৰণে আজি আমি জগতবাসীৰ আগত সগৰ্ব্বে মুখ উলিয়াব পাৰিছোঁ, সেই ভাষাৰ যদি অৱনতি হোৱা দেখিও আমি নিশ্চেষ্ট হৈ থাকোঁ, তেনেহলেনো জগতৰ আগত আৰু কি বুলি পৰিচয় দিম? বিশেষকৈ আজি জড় বিজ্ঞানৰ কল্পনাতীত উন্নতি কৰিও যেতিয়া জগতবাসীয়ে শান্তি পোৱা নাই, বৰঞ্চ জগতত অশান্তিৰ বেগ বাঢ়িহে যোৱা দেখা গৈছে, তেনে স্থলত জগৎবাসীয়ে যে ভাৰতীয় আধ্যাত্মিক-বাদৰ ভিতৰত শান্তি বিচাৰিব ইয়াত আশঙ্কা নাই। আৰু ইতিমধ্যেই ঠায়ে ঠায়ে তাৰ সুৰধ্বনিও হৈছে। তেনে স্থলত আজি সংস্কৃত ভাষাৰূপ জ্ঞান-ভাণ্ডাৰ ধ্বংস হলে কোন জ্ঞান-ভঁৰালৰ কি বিষৰ বস্তু বুটলি লৈ সেই শান্তিপ্ৰাৰ্থীসকলক শান্তিৰ মূল উপাদান বুলি উপহাৰ দিব?

জগত পৰিবৰ্ত্তনশীল। আজি ভাৰতত অমানিশাৰ সুচিভেদ্য অন্ধকাৰ, কাইলৈ কালৰ গতিৰ লগত যে পূৰ্ণিমাৰ উজ্জ্বল স্নিগ্ধ আলোকে ভাৰতবাসীক পুলকিত কৰিবহি, ইয়াত একো আশঙ্কা নাই। অন্যান্য দেশে শিক্ষা দীক্ষাই উন্নত হৈ জগতবাসীক জড় বিজ্ঞানৰ নানা বিচিত্ৰ লীলা দেখুৱাই আচৰিত লগাইছে; কিন্তু ভাৰতৰ যি দিনা উন্নতি হব, সেই দিনা ভাৰতবাসীয়েও জগতবাসীৰ আগত জড় বিজ্ঞানৰ প্ৰতিভাকে প্ৰদৰ্শন কৰিবনে? নহয়; ভাৰতবাসীয়ে কেৱল জড় বিজ্ঞানৰ চৰম উন্নতিকে পৰম নিঃশ্ৰেয়স্ বুলি নেভাবে। উপনিষদে যি গম্ভীৰ বাক্যেৰে কৈ গৈছে যে—"যস্মিজ্ঞাতে সৰ্ব্বমিদং বিজ্ঞাতং ভৱতি" সেই তৎপদবাচ্য ব্ৰহ্মক জনাকেহে পৰম নিঃশ্ৰেয়স্ বুলি ভাবে। সেই ব্ৰহ্মতত্ত্বকেহে জগতবাসীৰ আগত শান্তিৰ অনন্ত উৎস বুলি উপহাৰ দিব। সেয়েহে ভাৰতীয় হিন্দুৰ বিশেষত্ব আৰু সেই বিশিষ্টতা ৰক্ষা কৰিবলৈকেহে আজি অসম প্ৰদেশৰ হিন্দু প্ৰজাসকলে প্ৰাণপণে যত্ন কৰিব লগা হৈছে। বিশেষকৈ সমাজৰ শীৰ্ষস্থানীয় ব্ৰাহ্মণ আদি উচ্চ বৰ্ণই সংস্কৃতৰ উন্নতিৰ অৰ্থে অধিক প্ৰযত্ন কৰিব লগা হৈছে।

বৰ্ত্তমান সমগ্ৰ ভাৰততে প্ৰজাবৰ্গৰ ভিতৰত কিবা এটা নতুন ভাব, নতুন উদ্দীপনাৰ আভাস পোৱা হৈছে। প্ৰত্যেক বিষয়তে যেন শতাব্দীয়া টোপনিৰ পৰা উঠা, কাচিপাৰি থকা—এনে ভাব দেখিবলৈ পোৱা হৈছে। প্ৰত্যেক সম্প্ৰদায়েই নিজৰ নিজৰ উন্নতি কৰিবলৈ যত্ন কৰিছে। এখন বিশেষ প্ৰশস্ত মহাদেশৰ তুল্য ভাৰতৰ সৰ্ব্বপ্ৰকাৰ উন্নতি হবলৈ হলে এনেবিলাকেই যে তাৰ পূৰ্ব্বাভাস বুলি ধৰিব পাৰি, তাত অলপো আশঙ্কা নাই। এই নিমিত্তে, ভদ্ৰ মহোদয়সকল! আহক, সকলো একমতি হৈ সংস্কৃত বিদ্যাৰ উন্নতিৰ নিমিত্তে বদ্ধপৰিকৰ হওঁ হক। আমালোকৰ বিশেষ সৌভাগ্যৰ কথা যে নিঃস্বাৰ্থ দেশহিতৈষী পণ্ডিত শ্ৰীযুত বনমালী দেৱ বেদান্ততীৰ্থ মহোদয় হেন এজন অদ্বিতীয় পুৰুষ আজি প্ৰাণপণে সংস্কৃত বিদ্যাৰ উন্নতিৰ হকে যত্নবান হৈছে আৰু তেখেতৰে নিচিনা অনেক অগ্ৰগণী পণ্ডিত সেই একে উদ্দেশ্যেৰে অনুপ্ৰাণিত হৈ আজি ইয়াত সমবেত হৈছেহি। এই সকলৰ উপৰিও আসাম গৱৰ্ণমেণ্টৰ প্ৰতিনিধি স্বৰূপে শিক্ষাবিভাগৰ প্ৰধান কৰ্ম্মচাৰীও উপস্থিত আছেহি। যদি ৰজা আৰু প্ৰজাশক্তি একে উদ্দেশ্যেৰে কাৰ্য্যত

ব্ৰতী হয়, তেনেহলে জগতত এনে কি কাৰ্য্য আছে যি কাৰ্য্য সিদ্ধি হব নোৱাৰে? এই নিমিত্তে মই দৃঢ় বিশ্বাস কৰোঁ যে এইবাৰ ৰজা প্ৰজাৰ সম্মিলিত শক্তিৰ বলত অসমত সংস্কৃত বিদ্যা নিশ্চয় পুনৰুজ্জীৱিত হব।

জগদীশ্বৰৰ চৰণত প্ৰাৰ্থনা কৰোঁ। যেন তেখেৰ অনন্ত কৰুণা লভি সংস্কৃত বিদ্যা পূৰ্ব্বৰ সুবিমল প্ৰভাৱে পুনঃ উদ্ভাসিত হৈ ভাৰতবাসীৰ জাতীয় সৌধৰ কিৰিটীৰূপে চিৰকাল জলি থাকে।*

*এই প্ৰবন্ধটি শ্ৰীযুত দামোদৰ হাজৰিকাৰ পৰা পাই আমি আদৰেৰে প্ৰকাশ কৰিলোঁ। মূল সংস্কৃত অভিভাষণটি অসমীয়ালৈ কোনে ভাঙ্গিছে আমি নেজানোঁ। কিন্তু যেয়ে ভাঙ্গক, তেখেত যে এগৰাকী সুলিখক তাত অলপো সন্দেহ নাই। আমি এই গৰাকী লিখকৰ পৰা মাজে সময়ে দুটি এটি প্ৰবন্ধ পাই থাকিলে বৰ সুখী হম। মূল অভিভাষণটি যে বিতোপন হৈছিল, তাক এই ভাঙ্গনীৰ পৰাই জানিব পাৰি।—সম্পাদক।

---

# ওঠৰশ খৃষ্টাব্দৰ শেষ ভাগত অসম দেশৰ অৱস্থা।

( দ্বিতীয় বছৰৰ প্ৰথম সংখ্যাত ওলোৱাৰ পাচৰ পৰা। )

**৯ম প্ৰশ্ন**—আপোনাৰ ফৌজ তুলি আনিলেও দুয়ো ৰাজ্যৰ ভিতৰত হিতকৰ বাণিজ্য সম্বন্ধ ছেদ নোহোৱাকৈ দেশৰ শাসন প্ৰণালী চলি থকা সম্ভৱ বুলি আপুনি ভাবেনে? যদি ভাবে, তেন্তে কি কি বস্তুৰ কি পৰিমানে বেহা-বেপাৰ চলিব? এই প্ৰশ্নৰ উত্তৰত অসমৰ উৎপন্ন বস্তু আৰু তাৰ বেহা-বেপাৰৰ অৱস্থা সম্পৰ্কে আপুনি জানিবলৈ পোৱা সকলো বিবৰণ দিব।

**উত্তৰ** ঃ—এই প্ৰশ্ন সম্পৰ্কে তিনটা কথা বিবেচনা কৰিব লাগিব। যেনে— (১) ফৌজ তুলি নিয়াত বাণিজ্যৰ পৰিণাম। ১৩শ প্ৰশ্নৰ উত্তৰত এই বিষয়ে জনোৱা হব। (২) বানিজ্যৰ বস্তু। (৩) বানিজ্যৰ অনুমানিক পৰিমাণ আৰু প্ৰকৃত অৱস্থা।

**আমদানি** ঃ—পূৰ্ব্বপ্ৰান্ত বা শদিয়াৰ পৰা আহে—তাম, কপাহ, লোণ আৰু আগৰ কাঠ। উত্তৰ দাঁতিৰপৰা মিৰিয়ে আনে—তাম, মজাঠি, নৌকা। দফলাই দিয়ে মজাঠি, পিপলি, আদা, গোমধান, মেঠোন আৰু গো-জাতীয় জন্তু। ভুটীয়াই যোগায়

বানিজ্যৰ বস্তু।

কস্তুৰী, কম্বল, চোঁৱৰ, সৰু ঘোঁৰা, সুৰগা, পৰ্ব্বতীয়া লোণ, নাইণ্টা ( এক ৰকম কাপোৰ ), গোমচেং ( এবিধ বুটা দিয়া কাপোৰ ), ভাৰোৰা ( সেউজীয়া, ৰঙ্গা আৰু হালধীয়া বৰণ মিহলি এবিধ ৰেচমী কাপোৰ )। দক্ষিণ সীমান্তৰপৰা নগাই আনে—কপাহ, লুকিবিলা নামেৰে এক ৰকম ৰেচমী কাপোৰ, টৌটবন্দ ( এবিধ ৰেচমী কাপোৰ ), নৰা কাপোৰ, ৰঙ্গা চুলি, নগাজাঠি। গাৰোৱে আনে—কপাহ, তাম, মোটা মটহা কাপোৰ। পশ্চিম বঙ্গ দেশৰপৰা আহে—তাম আৰু আন আন ধাতু, ৰঙ্গা সীহ, বিলাতী মোটা উলৰ কাপোৰ, চিত কাপোৰ, সিংখাপ, বঙ্গালী-মোটা কপাহ, জৈত্ৰী, লং, জাঁয়, দালচিনি, তুতীয়া, হিং, ফিট্‌কিৰি, হায়তাল, নানা ৰকমৰ ঔষধ, নোম ইত্যাদি।*

* ডেঃ স্কঃ মন্তব্য :—এতিয়ালৈকে এইবোৰেই প্ৰধান আমদানি হৈ আছে। বিলাতী বস্তুৰ আমদানি কিছুমান দিনৰপৰা বাঢ়িছে। দৰঙ্গৰ দাঁতিত বহা বছেৰেকীয়া মেলালৈ তিব্বত আৰু মধ্যবৰ্ত্তী দেশৰ বেপাৰীবোৰ আহে। ইয়াৰপৰা উলৰ কাপোৰৰ বেপাৰ সোনকালে বেচি পৰিমাণে বঢ়াৰ সম্ভৱ।



বঙ্গদেশলৈ ৰপ্তানি হোৱা বস্তুৰ নাম মাথোন ইয়াত উল্লেখ কৰা হব। ৰপ্তানি বস্তু দুবিধ; যেনে—

ৰপ্তানি

( ১ ) অসমৰ দাঁতি-কাষৰীয়া ঠাইবোৰৰ বস্তু। ( ২ ) নিজ অসমৰ উৎপন্ন বস্তু।

( ১ ) কপাহ ( বহুত পৰিমাণে ), মজাঠি ( পৰিমাণৰ ঠিক নাই ), আগৰ কাঠ ( বহুত যোৱা সম্ভৱ ), আদা ( কিছু পৰিমাণে ) সোণ ( যথেষ্ট পৰিমাণে ), সুৰগা ( প্ৰচুৰ পৰিমাণে যোৱা সম্ভৱ ), কস্তুৰী ( বহুত পৰিমাণে ), সৰু ঘোঁৰা।

( ২ ) অসম দেশত উৎপন্ন হোৱা বেপাৰৰ বস্তু তিনি ভাগত বহলাই বিভক্ত কৰিব পাৰি; যেনে—উদ্ভিদ, খনিজ আৰু প্ৰাণীজ।

**উদ্ভিদ** ঃ—কুঁহিয়াৰ অসমৰ সকলো ঠাইতে ভালকৈ হয়। বৰ ভাল জাতৰ কুঁহিয়াৰৰ পৰা এবিধ দানাদাৰ চেনি কৰিব পাৰি। পৰীক্ষা কৰি এই কুঁহিয়াৰ ৰংপুৰ জিলাৰ কুঁহিয়াৰতকৈ ভাল পোৱা গৈছে। অসমীয়া মানুহে কুঁহিয়াৰৰ ৰস উলিয়াই গুৰ বোলা এবিধ বস্তু কৰে। ইয়াৰপৰা দানাদাৰ চেনি কৰিব নোৱাৰাত ই ৰপ্তানিৰ উপযুক্ত হোৱা নাই। কিন্তু এই বিষয়ে নিশ্চয়কৈ কব পাৰি যে, উৎসাহ পালে ই এটা বৰ মূল্যবান বস্তু হৈ উঠিব।

কামৰূপ, দৰঙ্গ আৰু বচাদৈয়াঙ্গত জালুকৰ খেতি বেচি পৰিমাণে হয়। বিশ্বনাথ আৰু আন আন ঠাইত যদিও এই খেতিৰ নিমিত্তে উপযুক্ত মাটি আছে, তথাপি ইয়াৰ উৎপন কম।*

নামনি অসমৰ বহুত ঠাইত আফু খেতি বৰ বলী হয়। ইয়াৰপৰা যে বেপাৰৰ উপযুক্ত কানি উলিয়াব পাৰি, এই কথা মানুহবিলাকে নেজানে।†

নীল খেতি বহুত ঠাইত কৰা হয়; কিন্তু অতি কম পৰিমাণে। উৎসাহ পালে ইও এটা ৰপ্তানিৰ কাৰণে উপযুক্ত বস্তু হব।

সৰিয়হৰ খেতি অপৰ্য্যাপ্ত হয়। ইয়াৰ গুটি আৰু তেল দুয়োটা ৰপ্তানি হয়। দেশৰ সকলো মানুহে এই তেল খায়।

তিব্বত আৰু আমাৰ দেশৰ মাজত বেহা-বেপাৰ চলাচলৰ কাৰণে ৪ মাইলমান ওচৰা-ওচৰীকৈ দুখন হাট বা মেলা বহিছিল। এই মেলা দুখন বছেৰেকৰ মূৰত একে সময়তে এবাৰ বহে আৰু দুমাহমানলৈ থাকে। তিব্বতৰ ফালে বহা মেলা খনৰ নাম "চৌনা" আৰু আমাৰ ফালে বহা খনৰ নাম "জীগনচুৰ" আছিল। এই দুখন মেলাতে তিব্বত, চীন, ভোটান আদি জাতিবোৰেৰে সৈতে আমাৰ দেশৰ মানুহৰ আদান প্ৰদান চলিছিল।—লিখক।

লোণ আমাৰ দেশতে যথেষ্ট পৰিমাণে উৎপন্ন হৈছিল। শদিয়া, বৰহাট আৰু নামগড়ৰ লোণ পুঙ্গেই গোটেই অসমক জোৰাব পাৰে; কিন্তু এই পুঙ্গবোৰ পৰ্ব্বতৰ ওচৰত থকাৰ কাৰণে আৰু পৰ্ব্বতীয়া জাতিবোৰে সময়ত উপদ্ৰৱ কৰা বাবে, আমাৰ মানুহে সহজে তাৰ পৰা বেচি পৰিমাণে লোণ উলিয়াই আনিব নোৱাৰিছিল। গতিকে বঙ্গ দেশৰপৰা অহা লোণ আমাৰ দেশত বহুলৰূপে চলিছিল। আমাৰ দেশৰ পুঙ্গৰপৰা ওলোৱা লোণ বিদেশী লোণতকৈ ভাল আৰু মূল্যবান। এতিয়াও নগাবোৰে এই লোণ মাজে সময়ে আনি তৈয়ামত বেচে।—লিখক।

* ডেঃ স্কঃ মন্তব্যঃ—এইটো খেতি বৰ ভাল হয়। ইয়াৰ উৎপন্নৰ পৰিমাণ আৰু বহুত বঢ়াব পাৰি। আগেয়ে ইয়াৰ দাম মোনে দহ টকাৰ পৰা পোন্ধৰ টকালৈকে আছিল; এতিয়া বহুত বাঢ়িল।

† ডেঃ স্কঃ মন্তব্য :—কানি বহুত উৎপন্ন কৰি মানুহে খায়। ( সাধাৰণ মানুহে লুকাই চুৰকৈহে সেই কালত কানি খাব পাৰিছিল। ৰজাঘৰত কোনো লোকে কানি খোৱা জানিবলৈ পলে তাৰ উগ্ৰ দণ্ড হৈছিল। কানি কেৱল ৰজা আৰু ডাঙ্গৰ বিষয়াসকলৰ এটা বিলাস ভোগৰ বস্তু আছিল। —লিখক ) বেনাৰচ আৰু পাটনাৰ কানিৰ দৰে ই বিশুদ্ধ, কিন্তু তৈয়াৰ কৰা প্ৰণালী বেলেগ। আকুগুটিৰ আঠাখিনি সৰু সৰু ফটাকানিত মছি ৰদত শুকাই দুবা পাতি থয়। ইয়াকে "কেপাকানি" বোলে।

নামনি অসমত ধপাত অপাৰ উৎপন্ন হয়। কিন্তু উজনিৰ ধপাতৰ জাত ভাল। আগেয়ে ইও ৰপ্তানি হৈছিল।

তামোল য'তে ত'তে প্রচুৰ পৰিমাণে পোৱা যায়। দেশৰ মানুহে ইয়াক অপৰিমিতৰূপে খায় যদিও, ই আগেয়ে এটা ৰপ্তানিৰ বস্তু আছিল।

আদা য'তে ত'তে বহুত পোৱা হয়।

ধান আগেয়ে আৰু এতিয়াও বহুত উৎপন্ন হয়। কোনো নৈসৰ্গিক ঘটনাৰপৰা ধানৰ অভাৱ কেতিয়াও হোৱা নাই বুলি সকলো মানুহে ডাঠি কয়। অসমৰ বতৰৰ অৱস্থাই এই কথা সমৰ্থন কৰে। বঙ্গ দেশত কেতিয়াবা দুভিক্ষ হলে, ই এটা অমূল্য ৰপ্তানি বস্তু হব। *

**খনিজ বস্তু** :—ব্ৰহ্মপুত্ৰ আৰু উত্তৰ দক্ষিণ কালৰ পৰ্ব্বতৰপৰা বৈ অহা আন আন নৈ বোৰৰ বালিত সোণ বহুত পৰিমাণে পোৱা যায়। এই সোণেই আগেয়ে ৰাজ-ভৰাললৈ প্রচুৰ ৰাজহ অহাৰ এটা বাট হৈছিল।†

বচাদৈয়াঙ্গ আৰু গাৰো পাহাৰৰ পৰা লো যিমান লাগে পাব পাৰি।

যৰক্ষাৰ উজনি অসমৰ য'তে ত'তে বহুত পৰিমাণে পোৱা যায়। সময়ত ই ৰপ্তানিৰ কাৰণে এটা উপযুক্ত বস্তু হব।

**প্ৰাণীজ বস্তু** :—লা,—দেশৰ সুথিৰ অৱস্থাত লাৰ ৰপ্তানি কিমান হৈছিল, ঠিক কৰিব নোৱাৰি, কিন্তু ইয়াৰ উৎপন্ন আমি যিমান দেখিবলৈ পাইছোঁ, তাৰ পৰা বহুত ৰপ্তানি হৈছিল বুলি ধৰিব পাৰি।‡

* কালৰ কি বিষম পৰিবৰ্ত্তন। কথমপি এশ বছৰ পাৰ হওতেই, উজনি অসমত কেপ্টেইন ৱেলচৰ এই ভবিষ্য-বাণীৰ আজি সম্পূৰ্ণ বিপৰিত ফল দেখা গল। অসমীয়া সমাজত অন্নাভাৱৰ ঘোৰ সমস্যা উপস্থিত। অসমৰ এনে সোণাময় বতৰ আৰু সাৰুৱা মাটি থকাতো তাহানিৰ ধান এতিয়া কলৈ গল?—কোনে এই প্ৰশ্নৰ আজি সমিধান দিব?—লিখক

†ডেঃ স্কঃ মন্তব্যঃ— বালি ধোৱাৰ নিয়ম উন্নত কৰিব পাৰিলে সোণৰ উৎপন্ন সম্ভৱতঃ আৰু বহুত বঢ়াব পাৰি। এতিয়া হাতেৰে বালি ধুই সোণ উলিওৱাত দেখা-দেখিকৈ বহুত অযথা পৰিশ্ৰম হয়। সম্ভৱতঃ টিঙ্গিৰি শিলৰ গুৰিৰে মিহলি ক'লা লোৰ গুৰাত সোণ লাগি থকা পোৱা যায়। এইবোৰ আনি বহুত বেলি হাতেৰে ধুই ধুই অৱশেষত পাৰাত ঘঁহিলে সোণ এৰায়।

ব্ৰহ্মপুত্ৰ, দিকৰং, লুইত, সোৱণশিৰি আদি নৈৰ বালিত সোণ আৰু ৰূপ পোৱা গৈছিল। বালি ধুই সোণ, ৰূপ উলিওৱা সেই কালত যি বৈজ্ঞানিক প্ৰণালী আছিল, দুখৰ বিষয় সি আজি একেবাৰে লোপ পালে। আমাৰ দেশৰ সোণোৱাল জাতিয়েই এসময়ত এই কাম কৰিছিল। স্বৰ্গদেৱ কমলেশ্বৰ সিংহৰ দিনত এই দৰে বালি ধুই পোৱা সোণেৰে এবছৰত ১৮৭৫০ টকাৰ ডলুৱা সোণ বঙ্গদেশলৈ ৰপ্তানি হৈছিল বুলি Sir F. J. Halliday চাহাবে এঠাইত লিখি থৈ গৈছে।—লিখক।

‡ডেঃ স্কঃ মন্তব্য। দেশত অশান্তি হোৱাৰ পূৰ্ব্বে প্ৰায় ৮।৯ হাজাৰ মোন লা ৰপ্তানি হৈছিল। ইয়াৰ উৎপন্ন বহুত বঢ়াব পৰা হব। কিন্তু বেগতে নোৱাৰি। কাৰণ যিবোৰ গছত লা পকৰা লগোৱা হয়, সেইবোৰ গছ নিয়মিতৰূপে ডাঙৰ কৰোঁতে বহুত দিন লাগে।

সোতৰশ শতাব্দিৰ শেষ ভাগত অসম দেশ ভ্ৰমন কৰিবলৈ অহা ফৰাচী পৰিব্ৰাজক J. B. Traverni চাহাবে এঠাইত লিখি গৈছে,—"অসমৰ লা পেৰা পেটাৰী সজা কামত ব্যৱহাৰৰ কাৰণে চীন আৰু জাপান দেশলৈকো ৰপ্তানি হৈছিল। এই কাৰ্য্যৰ নিমিত্তে এচিয়াৰ ভিতৰত অসমৰ লা সৰ্ব্বোৎকৃষ্ট আছিল। স্বৰ্গদেৱ কমলেশ্বৰ সিংহৰ দিনত এবছৰ ৫৫০০ টকাৰ লা বঙ্গ দেশলৈ ৰপ্তানি হৈছিল বুলি জনা যায়।—লিখক।



মুগা সূতা ৰপ্তানিৰ নিমিত্তে এটা অতি মূল্যবান বস্তু। উপযুক্ত যত্ন ললে ইয়াক আৰু সৰহকৈ উৎপন্ন কৰিব পাৰি। মুগাৰ পলুৱে পাত খোৱা নানা বিধৰ গছবোৰ গোটেই দেশ জুৰি বিস্তৰ পৰিমাণে ৰুই থোৱা আছে। এৰা গছৰ পাত খোৱা পলুৰপৰা এবিধ মোটা ৰেচমী (এৰি) সূতা প্ৰস্তুত হয়।*

হাতী দাত সদায় এটা ৰপ্তানিৰ বস্তু হৈ আছে। দেশৰ বৰ্ত্তমান ধ্বংসাৱস্থাত ইয়াক যিমান লাগে সিমান গোটাব পাৰি। মানুহৰ সংখ্যা বঢ়াৰ লগে লগে হাতী-দাতৰ ৰপ্তানি যথাসম্ভৱ কমি যাব।

গঁড়ৰ খৰগ সামান্য পৰিমাণে ৰপ্তানি হৈছিল।

ম'হৰ ছাল এতিয়ালৈকে ৰপ্তানিৰ বস্তু বুলি বিবেচিত হোৱা নাই।

হৰিণ অসমৰ চাৰিওফালে ভৰি আছে।

বানিজ্যৰ বৰ্ত্তমান অৱস্থা আৰু ভবিষ্যত বিস্তাৰ।

যেতিয়ালৈকে দেশৰ চাৰি-চুক আৰু ওচৰ চুবুৰীয়া ঠাইবোৰৰ ভৌগোলিক বিবৰণ ভালকৈ জনা নহয়, তেতিয়ালৈকে এই দেশেৰে সৈতে ভবিষ্যত বানিজ্য বিস্তাৰ কিমানদূৰ সম্ভৱ তাৰ সঠিক মতামত দিয়া টান। দাঁতি কাষৰীয়া আটাইবোৰ জাতিৰ লগত বিশেষকৈ জয়ন্তা, কছাৰী, ছিলেট আৰু ব্ৰহ্মদেশৰ অন্তৰ্গত মগলু দেশেৰে সৈতে যে বেহা-বেপাৰ চলিছিল, এই কথা নিশ্চয়কৈ কব পাৰি। ওচৰৰ দেশবোৰলৈ অহা যোৱাৰ উপায় হলে সময়ত বানিজ্যৰ বিশেষকৈ উন্নতি হোৱা সম্ভৱ। কিন্তু এতিয়া সেইবোৰ দেশেৰে সৈতে বঙ্গ দেশৰ লোণৰ বাহিৰে আন একো কাৰবাৰ নাই বুলি ধৰিব পাৰি।†

বেহা-বেপাৰ চলাবৰ কাৰণে অসমৰ চাৰিওফালে বৈ যোৱা নাও চলা ডাঙৰ নৈবোৰ বিশেষকৈ বাৰিষা কালত প্ৰায় ৭।৮ মাহৰ নিমিত্তে বৰ উপযোগী হৈ পৰে। কিছুমান নৈ উত্তৰ আৰু দক্ষিণ দাঁতি কাষৰীয়া পাহাৰ-বোৰৰ পৰা বৈ আহিছে। পুব সীমাইদি বৰনৈ আহি বহুদূৰলৈকে গৈছে; কিন্তু অসমৰ সীমা পাৰ হৈ সেই নৈত নাৱেৰে বেহা-বেপাৰ কৰাটো সন্দেহ জনক।‡

অসমত বেহা-বেপাৰ বেচি বৃদ্ধি হব নোৱাৰিছিল; কাৰণ, এই দেশৰ শাসন প্ৰণালীয়ে অপৰিচিত বিদেশীক হিংসা কৰিছিল আৰু তেওঁলোকৰ ব্যৱসায়ত ঘোৰ প্ৰতি-বন্ধক জন্মাইছিল। শৃঙ্খলাবদ্ধ শাসন প্ৰণালীৰ উচ্ছেদ আৰু দেশৰ ধ্বংসাৱস্থাই বেহা-বেপাৰ সমূলি নাইকিয়া কৰিলে। এতিয়া যদিও আকৌ বানিজ্যই গা দাঙ্গিছে,

* ডেঃ স্কঃ মন্তব্যঃ- এই বস্তুটো বৰ মূল্যবান আৰু লাগতিয়াল। সূতাবোৰ টান আৰু দিন-টিকা। গতিকে ইংলণ্ডত তৈয়াৰ হোৱা নানা প্ৰকাৰ মিহলি সূতাৰ কাপোৰত ই বৰ লাগতিয়াল উপকৰণ হব। এতিয়া ইয়াৰ ৰপ্তানিৰ পৰিমাণ কম; কিন্তু বেগতে বাঢ়িব বুলি আশা কৰিব পাৰি। দেশ ভগাৰ দিনত মানুহে এৰি যোৱা বহুত মুগা-পোহা চোমনি বাৰি এতিয়াও এৰা পৰি আছে। উজনি অঞ্চলত এই গছবোৰ নোৰোৱাকৈ আপুনি হয়।

† ডেঃ স্কঃ মন্তব্য :—১৮২৪—২৫ চনত ২৫০০০ মোন লোণ অসমলৈ আহিছিল। অসম দেশৰ আৰু ৰংপুৰ নগৰৰ দাঁতি কাষৰীয়া ঠাইবোৰৰ লোক সংখ্যাৰ অনুপাতে লোণৰ ব্যৱহাৰ নিচেই কম হয়। কাৰণ, এই ঠাইৰ মানুহবোৰে এবিধ গছ পুৰি ছাই খাৰ কৰি লোণৰ সলনি ব্যৱহাৰ কৰে। খাৰ, খালোণ দুয়োটাৰে ব্যৱহাৰ চলে। কিছুমান পানীত আপুনি গজা গছ আৰু কিছুমান সেই উদ্দেশ্যে মানুহে ৰোৱা গছ পুৰি খালোণ তৈয়াৰ কৰা হয়। (Halliday চাহাবৰ ৰিপোৰ্ট মতে স্বৰ্গদেৱ কমলেশ্বৰ সিংহৰ দিনত বঙ্গ দেশৰপৰা আমাৰ দেশলৈ এবাৰ ১৯২০০০ টকা মূল্যৰ লোণ আহিছিল। —লিখক)

‡ ডেঃ স্কঃ মন্তব্য :—শদিয়াৰ ওপৰে বেচি দূৰলৈ বৰনৈত নাও নচলে আৰু তাত লেখত লব লগীয়া একো ব্যৱসায় নাই।

তথাপি নিচেই কম ভাৱে চলিছে। বৃটিচ্ গৱৰ্ণমেণ্টৰ প্ৰভাৱত কালক্ৰমত বানিজ্যৰ উন্নতি হৈ—দুয়ো ৰাজ্যৰ মহৎ উপকাৰ হব বুলি ভবা অসঙ্গত নহব।

**১০ম প্ৰশ্ন ঃ**—কৰতলীয়া ৰঙ্গাসকলে যোগান দিয়াৰ পৰিবৰ্ত্তে যি কৰ দিবৰ নিমিত্তে আপুনি প্ৰস্তাৱ কৰিছিল, তাক কাৰ্য্যত কিমান দূৰ খটাব পাৰিছে, আৰু এই বন্দবস্ত অনুসৰি উচল হোৱা টকাৰে আপোনাৰ ফৌজৰ খৰচ কিমানলৈ জুৰিছে?

**উত্তৰ ঃ**—১৭৯৩ চনৰ জুনত দৰঙ্গ আৰু বেলতলীয়া ৰজাই মানুহৰ সলনি ধন দিবৰ নিমিত্তে যি প্ৰস্তাৱ কৰে, সেইমতে সম্প্ৰতি কাৰ্য্য চলিছে; তেতিয়াৰে পৰা তেওঁলোকৰ ওপৰত পাইক যোগানৰ কোনো দাবি কৰা হোৱা নাই। চুক্তিমতে আমাৰ ফৌজৰ খৰচ বাবদ তেওঁবিলাকে বছৰি দিব লগা ৫১,৬০০ টকাৰ মই এতিয়ালৈকে ১০০০০ টকা মাথোন পাইছোঁ। *

**১১শ প্ৰশ্ন ঃ**—ফৌজটোক এই কামত নিযুক্ত কৰা বাবে, তেওঁবিলাকৰ সাধাৰণ খৰচৰ উপৰি অতিৰিক্ত খৰচ কিমান লগা হৈছে আৰু এই অতিৰিক্ত খৰচখিনি যোগাৰ কৰিব পৰা কিবা উপায় আপুনি জানেনে?

**উত্তৰ ঃ**—অতিৰিক্ত খৰচৰ হিচাব কৰোঁতে বৰ্ত্তমান অৱস্থাত ফৌজে কোনো উপকৰা বটা পাব লগা যেন য'ত মনে ধৰিছে, তাকো লেখত লোৱা হৈছে। ইংৰাজ কৰ্ম্মচাৰীসকলৰ গড় হিচাবত পূৰা "বাট্টা" ধৰা হৈছে আৰু আনবিলাকৰ শ্ৰেণী অনুযায়ী আধা "বাট্টা" বা তাৰ চতুৰ্থাংশ ধৰা হৈছে।†

(এই খিনিতে কেপ্টেইন বেলচে, অসমলৈ অহা ফৌজৰ উপকৰা মাসিক খৰচৰ এটা সংক্ষিপ্ত হিচাব দিছে। অনাৱশ্যক ভাবি এই হিচাবৰ তালিকা অনুবাদত ভুক্ত কৰা নহল। মুঠৰ ওপৰত গোটেই ফৌজৰ বেতন আদিৰে সৈতে মাহিলি খৰচ তেওঁ ৯৪৮৯ টকা দেখুৱাইছে। এই খৰচৰ কাৰণে সৰু সৰু ৰজাবিলাকৰ পৰা কৰ স্বৰূপে বছেৰেকত ১০২৬০০ টকা পাবলৈ আশা কৰিছে। কাওাহাৰ চকীৰ পৰা প্ৰায় ১২ হেজাৰ ওপৰঞ্চি টকা পোৱাত এটা হিচাব ধৰিছে। —লিখক)

স্বৰ্গদেৱে ভাঠি কৈছে যে, ফৌজৰ বাবে দিব লগীয়া বাকী টকা তেওঁ ৰাজধানী পোৱা মাত্ৰে আদায় কৰিব। আৰু মই জনোৱামতে আগলৈকো বছৰি এই ফৌজৰ অৰ্থে প্ৰায় যি তিনি লাখ টকা আৱশ্যক হব, তাকো ৰীতিমতে দি থকাৰ স্বৰ্গদেৱে এটা উপায় কৰিব। এইখিনি টকা সহজে উচল কৰিব পৰা দেশত যথেষ্ট স্থল আছে।

**১২শ প্ৰশ্ন ঃ**—ৰজাৰ আধিপত্য স্থাপন কৰি তেওঁক যি আশ্বাসৰ কথা কবলৈ লৰ্ড-কৰ্ণৱালিচে আপোনাক আদেশ কৰি পঠাইছে, সেইখিনি কৰিলেই অসমত আপোনাৰ কৰ্ত্তব্য শেষ হল বুলি ধৰি তাক সাধিবলৈ আৰু কি কি কৰিব লাগিব বা কৰা উচিত হব, সকলো জানিবলৈ দিব।

**উত্তৰ ঃ**—ৰাজ্যত ৰজাৰ আধিপত্য পুনৰ স্থাপন কৰোঁতে মোৰ মতে পূৰ্ব্বৰ শাসন প্ৰণালী যিমান দূৰ সম্ভৱ একো পৰিবৰ্ত্তন নকৰাকৈ ৰাখিব লাগে। বিদেশী

* ডেঃ স্কঃ মন্তব্য :—এই বন্দবস্ত নিটিকিল। ৰাইজে ধনৰ সলনি পাইক দিয়াটোহে ভাল পায়। দেশ-দস্তুৰ আৰু স্থানীয় অৱস্থা অনুসৰি এটা নিয়ম বান্ধি পাইক যোগোৱাৰ ব্যৱস্থা কৰাটোহে বেচি সুবিধাজনক হব। (দেশত বহুকাল চলি অহা কোনো ৰীতি নিতান্ত বেয়া হলেও, জনসাধাৰণে তাকে ভাল পাই বেগতে এৰিব নোখোজাটো স্বাভাৱিক। —লিখক)

† ডেঃ স্কঃ মন্তব্য :—অসমদেশ ৰক্ষা কৰা ফৌজৰ বাবে ভবিষ্যতে কোনো প্ৰকাৰে নহব লগীয়া এটা উপকৰা খৰচ নালাগিব। কাৰণ ৯৩ ডিগ্ৰি পূব দ্ৰাঘিমালৈকে দখল কৰি ৰখা এই ফৌজেই আমাৰ অধীনত থকা গোটেই দেশৰ শান্তিৰক্ষক হব। আৰু এই কাৰ্য্যই ব্ৰহ্মপুত্ৰ উপত্যকাৰ ফৌজক চুৰমা উপত্যকাৰ ফৌজেৰে সৈতে সংযুক্ত কৰিব।



মানুহৰ লগত চলকৰ নথকাত অসমীয়া মানুহবোৰ নিজৰ দেশৰ দা-দস্তুৰবোৰৰ প্ৰতি অন্ধভাৱে আসক্ত। সেই দেখি কোনো হিতকৰ পৰিবৰ্ত্তন কৰিব লগা হলেও তাক কিছু সাৱধানে কৰিব লাগিব। তেওঁবিলাক স্বভাৱতে সন্দেহপূৰ্ণ আৰু ঈৰ্ষাযুক্ত প্ৰকৃতিৰ। এইবোৰ কুসংস্কাৰ গুচাবলৈ কিছু সময় লাগিব। *

মোৰ মনেৰে দেশৰ সুবন্দবস্তৰ নিমিত্তে বৰ্ত্তমান কৰিব লগীয়া প্ৰধান কাম হৈছে ডাঙৰ বিষয়া আৰু সৰু ৰজাবিলাকৰ মাজত একতা স্থাপন কৰা। তাকে কৰিব নোৱাৰিলে শাসনকৰ্ত্তাৰ পূৰ্ব্বৰ ক্ষমতা লাভ অসম্ভৱ। নিজৰ হিতাহিত বিবেচনা মতে কোনো কাম কৰিব পৰা ক্ষমতা ৰজাৰ নাই যেতিয়া, সম্ভ্ৰান্ত বিষয়াসকলৰ হাততে শাসনৰ ভাৰ দিয়া উচিত। এই বিষয়াসকলৰ মতভেদ বা স্বাৰ্থত ব্যাঘাত হলেই ৰাজ্যত যি দলাদলি আৰু অন্তৰ্বিপ্লৱ সৃষ্টি হয়, তাক নিবাৰণ কৰি দেশত শান্তি আৰু শৃঙ্খলা ৰাখিবলৈ মোৰ মনেৰে বৃটিচ্ গৱৰ্ণমেণ্টে মধ্যৱৰ্ত্তী ক্ষমতা স্বৰূপে শাসন কাৰ্য্যৰ তত্বাৱধান লব লাগিব।

**১৩শ প্ৰশ্ন ঃ**—বৃটিচ্ গৱৰ্ণমেণ্টে আৰু একো উপায় নকৰি বা শাসন প্ৰণালীৰ ওপৰত কোনো হাত নালাখি ফৌজ তুলি আনিলে পাচত কি পৰিণাম হব বুলি আপুনি ভাবে?

**উত্তৰ ঃ**—ৰাজ্যৰ প্ৰধান বিষয়াসকল আৰু সৰু সৰু স্থানীয় ৰজাবিলাকৰ মাজত নিজ নিজ আধিপত্য ক্ষমতা আৰু স্বাধীনতা লৈ বিৰোধ ঘটিব। আকৌ আগৰ দৰে কটাকটি মৰামৰি হৈ দেশত হুলস্থুল লাগিব। বৰ্ত্তমান বৃটিচ্ শক্তিয়ে হস্তক্ষেপ কৰি ৰজাৰ যি অমানুসিক অত্যাচাৰ, বিষয়াসকলৰ দুৰাকাঙ্ক্ষা আৰু বিৰক্তি, প্ৰজাৰ প্ৰতিহিংসা ভাৱ আদি অস্থায়ী ভাৱে দমাই থৈছে, সেইবোৰ আকৌ আগতকৈও চৰাকৈ জ্বলি উঠি গোটেই দেশ ছাৰখাৰ হব। কৃষ্ণনাৰায়ণে হয় দেশ এৰি পলাব, নহয় তেওঁৰ বৰ কাণ্ডাজবোৰ মতাব লাগিব; কিয়নো তেওঁৰ সপক্ষে কৰা কোনো চুক্তি অগ্ৰাহ্য হলে, তেওঁৰ অন্তৰত গুপ্ত হত্যাৰ আশঙ্কা জন্মাৰ যথেষ্ট কাৰণ ওলাব। ঘৃণিত মন্ত্ৰী আৰু ৰজাৰ নীচ প্ৰিয়পাত্ৰবোৰে আকৌ ততালিকে নিজ নিজ বিনয় লাভ কৰিব। যিবিলাক মানুহক এতিয়া বৃটিচৰ লগত বন্ধুভাৱে চলা দেখা গৈছে, তেওঁবিলাকে মন্ত্ৰী বা আন বিষয়াসকলৰ হাতত ধ্বংস হোৱাৰ ভয়ত দেশ এৰি পলাব লাগিব। ৰাজ্যৰ বিশৃঙ্খল অৱস্থাত বেহাবেপাৰ বন্ধ হব আৰু পূৰ্ব্বৰ দৰে ব্যক্তিগত একচেতীয়া অধিকাৰ চলিব। ৰজাৰ দেহ বৰ পৱিত্ৰ বুলি তেওঁক হত্যা কৰা নহলেও তেওঁ আকৌ ৰাজ্য এৰি পলাবলৈ বাধ্য হব লাগিব।

নিয়মীয়া শাসনৰ তলত ভালেমান দিন থাকি ডাঙৰ বিষয়াবিলাকৰ মতি গতিৰ সম্পূৰ্ণ পৰিবৰ্ত্তন নোহোৱালৈকে আৰু প্ৰজাৰ মনৰপৰা ভবিষ্যত বিপদৰ আশঙ্কা দূৰ নহয় মানে, বৃটিচে হাত এৰি ফৌজ তুলি নিলে পৰিণামত দেশৰ এয়ে অৱস্থা হব। এইটো কেৱল মোৰ ব্যক্তিগত মত নহয়, মোৰ সংশ্ৰৱলৈ অহা সকলো গণ্যমান্য অসমীয়া মানুহে এই মত প্ৰকাশ কৰিছে। ৰজাই নিজে বাৰে বাৰে কৈছে যে, আমাৰ ফৌজৰ লগতে

* ডেঃ স্কঃ মন্তব্যঃ—অসমৰ বৰ্ত্তমান সামাজিক অৱস্থালৈ চাই পুৰণি শাসন প্ৰণালীৰ বিশেষ উন্নতি কৰিব পৰা নহব। কিন্তু কোৱা বাহুল্য যে, এই শাসন প্ৰণালী মতেই সম্পূৰ্ণ সু-শাসন সম্ভৱ। যদি উচ্চ ধৰণৰ শিক্ষা দি অসমৰ সম্ভ্ৰান্ত লোকসকলৰ গুণ বিদ্যাৰ উৎকৰ্ষ সাধন কৰা হয়, তেন্তে সকলো দোষ লৈও তেওঁবিলাকৰ বৰ্ত্তমান শাসন প্ৰণালী কোচবেহাৰ আৰু আন আন সৰু ৰাজ্যৰ স্বেচ্ছাচাৰী শাসনতকৈ বহুত গুণে শ্ৰেষ্ঠ বুলি প্ৰমাণিত হব। এইবোৰ ৰাজ্যত ৰজাই সচৰাচৰ ৰাজ-কাৰ্য্যৰ ভাৰ তলতীয়া বিষয়াবিলাকক সমৰ্পি দিয়ে। বিষয়াবিলাকে প্ৰজাৰ হিতলৈ সমূলি কাণ নকৰি প্ৰজাৰ ওপৰত এনে ভাৱে অদম্য অত্যাচাৰ আৰু কু-শাসন কৰিবলৈ ধৰে যে, শেহত নিজৰ ক্ষমতা ৰক্ষা কৰা বা ৰজাক নিৰাপদে ৰখা টান হৈ উঠে।

তেওঁ দেশ এৰি গুচি যাব। সিন্দুৰা হাজৰিকাৰ জিম্মাত ১০০০ গোট পাইক আছে। বিপ্লবৰ সময়ত ছেগ চাই নিজ স্বাধীনতা প্ৰচাৰ কৰা মানুহবোৰৰ লগৰে তেওঁ এজন হৈ এটা বিৰোধী দলৰ নেতা হৈ পৰিছে। লেফ্‌টেনেণ্ট্‌ মেক্‌গ্ৰেগৰে তেওঁক কলিয়াবৰলৈ মাতি পঠিয়াইছিল ; তেওঁ নানা আপত্তি দৰ্শাই তালৈ নগল। কিন্তু ফৌজ অহাৰ উদ্দেশ্য সাধনৰ অৰ্থে তেওঁৰ উপস্থিতি নিতান্ত প্ৰয়োজন ভাবি তেওঁক কলিয়াবৰলৈ আনিবৰ কাৰণে মেক্‌গ্ৰেগাৰে দীনদয়াল নায়কক আকৌ মুকীয়াকৈ পঠালে।

( ইয়াৰ পাচত চাৰিঙ্গীয়া আৰু টিপমীয়া ৰজাৰ সম্পৰ্কে দুকিমান কথা লিখা আছে। বিশেষ আৱশ্যকীয় যেন নাভাবি তাক এই অনুবাদৰ পৰা বাদ দিয়া গল।—লিখক )।

শ্ৰীনীলনাথ শৰ্ম্মা।

# ৰাৱণ ৰজা।

ৰামায়ণ মহাগ্ৰন্থৰ প্ৰতিনায়ক, মহা পৰাক্ৰমী, যুদ্ধ-দুৰ্ম্মদ ৰাক্ষসেশ্বৰ ৰজা ৰাৱণৰ চৰিত্ৰ মহাকবি বাল্মীকিৰ বৰ্ণনাত কিদৰে পৰিস্ফুট হৈছে তাক আলোচনা কৰি চোৱা যাওক। মূল সংস্কৃত ৰামায়ণৰ লগত আমাৰ দেশৰ প্ৰায়ভাগ মানুহৰ পৰিচয় নথকাত আৰু আমাৰ অসমীয়া ৰামায়ণো পাবলৈ সহজ নোহোৱাত আমি বটতলাৰ ছপা অশুদ্ধ বঙ্গালী কীৰ্ত্তিবাসী ৰামায়ণ পঢ়ি আমাৰ ৰামায়ণৰ জ্ঞান সম্পূৰ্ণ কৰোঁ। তাৰ ফলত ৰামায়ণত বৰ্ণনা কৰা চৰিত্ৰবিলাকৰ আচল স্বৰূপ আমি নজনাত পৰিছোঁ। অসমীয়া ৰামায়ণতো ৰামায়ণী চিত্ৰৰ আচল মূল স্বৰূপ সকলো ঠাইতে প্ৰকাশ হোৱা নাই। তথাপি কীৰ্ত্তিবাসী ৰামায়ণতকৈ বহুগুণে ভাল।

বঙ্গালী কীৰ্ত্তিবাসী ৰামায়ণ পঢ়ি ৰাৱণ সম্বন্ধে সাধাৰণতঃ আমাৰ ধাৰণা হয়—

লঙ্কাধিপতি ৰাৱণ পৰস্ত্ৰী আৰু পৰধন অপহৰণকাৰী মহা দুৰ্নীতিনিপুণ অত্যাচাৰী ৰজা। তেওঁৰ আত্মসুখৰ আগত নীতি, ধৰ্ম্ম, ন্যায়, দয়া, মায়া প্ৰভৃতি মনুষ্যোচিত সদ্‌ গুণবিলাকৰ ঠাই নাছিল। আত্ম সুখৰ পৰিপন্থী মাত্ৰকে তেওঁ বিসৰ্জ্জন কৰিব পাৰিছিল। নিজৰ বিষয় এৰি পৰৰ বিষয় ভবা বা আলোচনা কৰা তেওঁৰ কাৰ্য্য নাছিল, ইত্যাদি। এইবিলাকৰ ভিতৰতো বিশেষ কৰি পৰস্ত্ৰী হৰণ কৰাটোৱেই ৰজা ৰাৱণৰ ডাঙৰ দোষ বুলি অজ্ঞ জনসাধাৰণৰ ধাৰণা। কিন্তু দৰাচলতে ৰাৱণ কেনে মহামনা, মহাসত্ব, মহাজ্ঞানী, নীতিনিপুণ ৰজা আছিল তাক মহৰ্ষি বাল্মীকিৰ মূল ৰামায়ণ পঢ়িলে জনা যায়। সেই দেখি মহৰ্ষি বাল্মীকিৰ ৰামায়ণৰ পৰা ৰাৱণৰ চৰিত্ৰ বুজিবলৈ চেষ্টা কৰা যাওক।

পৰস্ত্ৰীহৰণ বিষয়ত কবিগুৰু মহৰ্ষি বাল্মীকিয়ে কৈছেঃ—

ৰাজৰ্ষি বিপ্ৰদৈত্যানাং গন্ধৰ্ব্বানাঞ্চ যোষিতঃ।
ৰাক্ষসাঞ্চাভবন্‌ কন্যাস্তস্য কাম বশং গতা॥

ৰাজৰ্ষি, বিপ্ৰ, দৈত্য আৰু গন্ধৰ্ব্বনাৰীসকল ও ৰাক্ষসৰ কন্যাবিলাক তেওঁৰ ( ৰাৱণ ) কামবশীভূত হৈছিল। ইয়াত বলৎকাৰ কৰা নাইবা আন প্ৰকাৰে নাৰী হৰণৰ কথা নাই। কেৱল নাৰীবিলাক ৰাৱণৰ কামবশীভূত হোৱাৰ কথাহে আছে। নাৰীসকল স্বইচ্ছাই ৰাৱণৰ কামবশীভূত হলে তাত ৰাৱণৰ অপৰাধ কি ? বিশেষতঃ সেই কালত বিলাসী ৰজা বা ধনবান লোকৰ পক্ষে কামবশীভূতা নাৰীগ্ৰহণ বিশেষ দোষৰ কথা নাছিল। আৰু এটা বিশেষ চাব লগীয়া কথা আছে, সেই কথাটো এইঃ—

সেই কালত অন্য প্ৰবল পক্ষৰ নাৰী হৰণ কৰি আনি যুদ্ধ জয় কৰাটো ৰাজনীতিৰ অঙ্গৰ মিচিনাই



আছিল। এই প্ৰথাৰ চিহ্ন পৰবৰ্ত্তী কালত জয়দ্ৰথৰ দ্ৰৌপদী হৰণতো পোৱা যায়। ৰাক্ষসবিলাকৰ ভিতৰতো বলেৰে আন পক্ষক পৰাজয় কৰি বা যুদ্ধত বন্দী কৰি নাইবা হত কৰি কন্যা হৰণ কৰি অনাটো গৌৰৱৰ কথাহে আছিল। ৰাৱণে সীতাৰ আগত এই প্ৰথাক ৰাক্ষসবিলাকৰ সনাতন স্বধৰ্ম্ম বুলি গৌৰৱ প্ৰকাশ কৰিছে—

স্বধৰ্ম্ম ৰাক্ষসাং ভীৰু সৰ্বথৈৱ সনাতনঃ।
গ্ৰহণং বা বলাৎ স্ত্ৰীণাং হৰণং বা প্ৰমথ্যচ॥

হে ভীৰু, পৰস্ত্ৰী গ্ৰহণ কৰা বা বন্ধু-বান্ধৱসকলক মাৰি ধৰি পৰস্ত্ৰী হৰণ কৰা ৰাক্ষসসকলৰ সনাতন ধৰ্ম্ম। এই প্ৰথাই পৰবৰ্ত্তী কালত ৰাক্ষস-বিবাহ নাম পাইছিল। আৰু এই প্ৰথাই শৌৰ্য্য-বীৰ্য্যশালী বীৰ-সকলৰ বিবাহৰ উৎকৃষ্ট প্ৰথাৰূপে পৰিগণিত হৈছিল। ভগৱান শ্ৰীকৃষ্ণই নিজেও ভীষ্মক-দুহিতা ৰুক্মিণীক এই প্ৰথামতে বিবাহ কৰাইছিল। মহাবীৰ অৰ্জ্জুনেও এই প্ৰথা অনুসাৰেই সুভদ্ৰাক হৰণ কৰি আনিছিল ; আৰু এই কাৰ্য্যত বলভদ্ৰ আদি কৰি যদুমুখ্যসকল অসন্তুষ্ট থাকিলেও সৰ্ব্বশাস্ত্ৰজ্ঞ সৰ্ব্বনীতিবিদ্‌ ভগৱান শ্ৰীকৃষ্ণৰ সমৰ্থন পাইছিল। যদি সেই কালৰ দেশ প্ৰথা আৰু বংশৰ নিয়ম ওপৰত কোনোৱে নিচিনা হয়, তেনেহলে ৰাৱণৰ দোষ কি ?

তাৰ পিচতে আছে—

"যুদ্ধ কামেন তাঃ সৰ্ব্বাঃ ৰাৱণেন হৃত স্ত্ৰিয়াঃ"।

ইয়াতো দেখা গ'ল ৰাজৰ্ষি, বিপ্ৰ, দৈত্য প্ৰভৃতিৰ নাৰীসকলক ৰাৱণে যুদ্ধ কামনা কৰিহে হৰণ কৰি আনিছিল। ইয়াতো যুদ্ধ কামনাৰ কথাহে আছে, কাম কামনাৰ নাম গোন্ধেই নাই। কেৱল এয়ে নহয়। কিছুমান নাৰী আকৌ এনেই আহি ( কামত মোহিত হৈ ) ৰাৱণৰ ঘৰত সোমাইছিল।

"সমদা মদনেনৈৱ মোহিতাঃ কাশ্চিদাগতাঃ"।

কামাতুৰা নাৰী কামমোহিতা হৈ আপুনি আহি ৰাৱণক পতি ভজিছিল। এনেকৈ স্বহা সকামা নাৰী পৰিত্যাগ সেই কালত ৰাক্ষস বিধিৰতো বহিৰ্ভূতেই, বিশেষতঃ কাপুৰুষতা আৰু ক্লীবত্বৰো পৰিচায়ক আছিল। অৰ্জ্জুন-উৰ্ব্বশী সংবাদত উৰ্ব্বশীৰ উক্তিতে এই কথাৰ আভাস আছে।

গুৰুস্থানে নমাং বীৰ নিযোক্তং ত্বামিহাইসি।
পুৰোৰ্বংশেহি যে পুত্ৰাণপ্তাৰা বা ত্বিহাগতঃ।
তপসা ৰমন্ত্যস্মান্‌ নচ তেষাং ব্যতিক্ৰমঃ॥

ইয়াৰ ভাবাৰ্থ হৈছে এই—উৰ্ব্বশী অৰ্জ্জুনৰ ওচৰলৈ কামবশীভূতা হৈ অহাত অৰ্জ্জুনে যেতিয়া তেওঁক গুৰু স্থানীয়া বুলি প্ৰত্যাখ্যান কৰিলে, তেতিয়া উৰ্ব্বশীয়ে ক'লে—হে বীৰ তুমি মোক গুৰু বুলি প্ৰত্যাখ্যান কৰা উচিত নহয়, যিহেতু তপস্যাৰ বলত পুৰু বংশীয় যি সকল ৰজা ইয়ালৈ ( স্বৰ্গ ) আহিছে, সেই সকলোৱে মোৰ লগত ৰমণ কৰিছে। ইয়াৰ ব্যতিক্ৰম হোৱা নাই। গতিকে ই অধৰ্ম্ম নহয়, বৰং ৰাজধৰ্ম্ম বিশেষহে। এনে অৱস্থাত ৰাৱণৰ নিচিনা পৰাক্ৰমী, বিলাসী আৰু সকলো অৱস্থাভিজ্ঞ নীতিনিপুণ ৰজাৰ পক্ষে কামাতুৰা হৈ অহা সেই সকল তিৰোতাক গ্ৰহণ কৰাৰ বাহিৰে আন কোনো উপায় নাছিল—

সীতাক বিচাৰিবলৈ গৈ লঙ্কাৰ অন্তঃপুৰত মহাবীৰ হনুমানে এই তিৰীবিলাকক দেখি কৈছিল—

নতএকশ্চিৎ প্ৰমদা প্ৰসহ্য
বীৰ্য্যোপপন্নেন গুণেন লব্ধা।
নচান্য কামাপি নচান্য পূৰ্ব্বা
বিনা ৱৰাৰ্হাং জনকাত্মজান্তু॥

ভাবাৰ্থ—এই তিৰীবিলাকক ৰাৱণে কেৱল বীৰ্য্য গুণৰ দ্বাৰা লাভ কৰিছিল। আৰু এইবিলাকৰ ভিতৰত কেৱল জনক-জীয়াৰি সীতাৰ বাহিৰে আনবিলাক অনন্যকামা আৰু অনন্যপূৰ্ব্বা আছিল। অৰ্থাৎ, এই তিৰোতাসকলে ৰাৱণত বাহিৰে আন পুৰুষক মনেৰেও কামনা কৰা নাছিল।

হনুমান ৰাৱণৰ পৰম শত্ৰু আছিল। শত্ৰুৱে শত্ৰুৰ ছিদ্ৰ বিচৰাহে স্বাভাৱিক। আজিকালিৰ কৃতবিদ্য লোকসকলেও শত্ৰুৰ দোষ লুকাবৰ প্ৰয়াস কৰা দেখা নাযায়। এনে অৱস্থাত শত্ৰু পক্ষৰ এই তিৰোতাসকলৰ কোনো দোষ থাকিলে তাক হনুমানে গোপন কৰি সেই নাৰীসকলক অনন্যকামা বা অনন্যপূৰ্ব্বা বুলি বৰ্ণনা কৰাৰ কোনো কাৰণ নাছিল।

এতিয়া চাওক এনেকুৱা অনন্যপূৰ্ব্বা অনন্যকামা

নাৰীসকলক গ্ৰহণ কৰাত ৰাক্ষসেশ্বৰৰ দোষ কি আছিল। কেৱল দোষ বুলিলে বুলিব পাৰি বহু তিৰোতা গ্ৰহণ কৰা বিষয়ত। কিন্তু সেই কালত বহু স্ত্ৰী গ্ৰহণ কৰাটো দোষৰ বিষয় নাছিল। এতিয়াও অনেকে বিশেষ দোষ বুলি স্বীকাৰ নকৰে। বৰং সেই কালত ৰজা বা আন সম্ভ্ৰান্তলোকৰ পক্ষে বহু বিবাহটো কৰ্ত্তব্য আৰু গৌৰৱৰ বিষয়হে আছিল।

সীতাৰ ৰূপ গুণত মুগ্ধ হৈ ৰাৱণে সীতাক হৰি নিছিল আৰু সীতাৰ সঙ্গলাভৰ নিমিত্তে ৰাৱণ নিতান্ত ব্যাকুল হৈছিল। সীতাও ৰাৱণৰ আয়ত্তাধীন, নিজ অন্তঃপুৰতে আবদ্ধ আছিল। ইচ্ছা কৰা মাত্ৰেই ৰাৱণে সীতাক বলৎকাৰ কৰিব পাৰে। তাত তেওঁক বাধা দিওঁতা বিবেকত বাহিৰে কোনো নাছিল। বিশেষতঃ এনেকৈ পৰ নাৰী হৰণ ৰাক্ষসবিলাকৰ পক্ষে নীতিবিৰুদ্ধও নাছিল। এনে অৱস্থাতো, অৰ্থাত সকলো সুযোগ অনুকূল হোৱাতো বলেৰে সীতাৰ সতীত্ব নাশ নকৰাটো ৰাৱণ ৰজাৰ কম ধৈৰ্য্যৰ পৰিচয় নহয়। ৰাৱণৰ নিচিনা এনে প্ৰবল পৰাক্ৰমৰ কেইজন সম্ৰাটে জগতত এনে ধৈৰ্য্যৰ পৰিচয় দিব পাৰে?

দিনৰ পিচত দিন যাবই লাগিছে; ৰাৱণ সীতাৰ সঙ্গলাভৰ নিমিত্তে ব্যাকুল হৈ পৰিছে। প্ৰতিদিনে প্ৰবল পৰাক্ৰান্ত ৰাক্ষসৰাজ লঙ্কাধিপতি ৰাৱণ কাম-বাণত জৰ্জ্জৰীভূত হৈ কত আশা কত উদ্বেগ লগত লৈ সীতাৰ ওচৰলৈ গৈছিল। কিন্তু তথাপি তেওঁ ধৈৰ্য্য হেৰুওৱা নাছিল। তেনে অৱস্থাতো ৰাৱণে সীতাক কৈছিলঃ-

স্বধৰ্ম্ম ৰাক্ষসাং ভীৰু সৰ্ব্বদৈব নসংশয়ঃ।
গমনং বা পৰস্ত্ৰীনাং হৰণং সম্প্ৰমথ্য বা॥
এবং চৈব অকামা ত্বাং নচ প্ৰক্ষামি মৈথিলী।
কামং কামঃ শৰীৰে মে যথা কাম প্ৰবৰ্ত্ততাং॥

পৰস্ত্ৰী গমন অথবা বলেৰে পৰস্ত্ৰী হৰণ ৰাক্ষস-বিলাকৰ স্বধৰ্ম্ম আৰু মোকো কামদেৱে যথেষ্ট পীড়া দিছে। তথাপি হে জানকি! মই অকামা তোমাক কেতিয়াও ইচ্ছা নকৰোঁ। অৰ্থাৎ তুমি মোৰ প্ৰতি অনুৰাগিনী নহলে মই তোমাক অত্যাচাৰ নকৰোঁ। ই জানো কম মহত্ত্ব, কম উদাৰতা কম ধৈৰ্য্যৰ কথা?

জগতত এনে আদৰ্শ অতি বিৰল। এনে ধৈৰ্য্য এনে মহত্ত্ব সুৰলোকবাঞ্ছিত। ইত্যাদি কাৰণতে সৰ্ব্বশাস্ত্ৰ বিশাৰদ আৰু ব্যৱহাৰনিপুণ কপিবৰ হনুমানে কৈছিল—

অহো ৰূপ মহো ধৈৰ্য্য মহোস্বত্ত্ব মহোদ্যুতিঃ
অহো ৰাক্ষসৰাজস্য সৰ্ব্বলক্ষণ যুক্ততা॥

* * * *

স্যাদয়ং সুৰলোকস্য সলক্ৰ স্যাপিৰক্ষিতা।

ৰূপ, ধৈৰ্য্য, সত্ত্ব, কান্তি প্ৰভৃতিশালী সৰ্ব্বলক্ষণযুক্ত ৰাক্ষসৰাজ, ইন্দ্ৰসহিতে সুৰলোকৰো ৰক্ষক হবৰ উপযুক্ত ইয়াত কৈ আৰু বেচি প্ৰশংসাৰ কথা কি হব পাৰে? ৰাজনীতি জ্ঞানত আৰু তাৰ পালনতো ৰাৱণ অদ্বিতীয় আছিল। ৰাজনীতিবিদ্ অনেক সম্ৰাট আছিল; কিন্তু সেই-সকলে সদায় নীতি মানি নচলিছিল। বৰঞ্চ অনেকে অনেক সময়ত নীতি লঙ্ঘন কৰিছিল। কিন্তু ৰাৱণ ৰজা তেনে নাছিল। তেওঁ ক্ৰোধৰ বশীভূত হৈ কেতিয়াবা নীতি পৰিহাৰ কৰিব খুজিলেও মন্ত্ৰীসকলে স্মৰণ কৰাই দিলে নিজৰ সংকল্প পৰিত্যাগ কৰি নীতি মানিহে চলিছিল।

শ্ৰীৰামচন্দ্ৰৰ দূত গৈ যেতিয়া লঙ্কাৰ ৰাজসভাত বহি নানা অকথ্য কথাৰে ৰাৱণক গালি পাৰিলে, তেতিয়া প্ৰচণ্ডস্বভাৱী ৰাক্ষসৰাজ ৰাৱণে দূতক বধ কৰিবলৈ আদেশ দিলে। কিন্তু যেতিয়াই মন্ত্ৰীয়ে সোঁৱৰাই দিলে যে দূতসকল সকলো অৱস্থাতে অবধ্য, যিহেতু ৰজা-সকলে স্বপক্ষ বিপক্ষৰ সকলো কথা দূতৰ মুখৰ পৰাহে জানিব পাৰে, তেতিয়াই ৰাৱণে নিজৰ ভুল বুজিব পাৰি নীতিবিৰুদ্ধ আদেশ প্ৰত্যাহাৰ কৰি জলদ গম্ভীৰ স্বৰেৰে কৈ উঠিল—

সম্যগুক্তং হি ভৱতা দূতবধ্যা বিগৰ্হিতাঃ।
অৱশ্যন্তু বধাদন্যঃ ক্ৰিয়তাং অস্য নিগ্ৰহঃ॥

আপুনি ঠিক কৈছে। গৰ্হিত কাৰ্য্য কৰিলেও দূত অবধ্য। বধৰ বাহিৰে ইয়াৰ আন দণ্ড বিধান কৰক।

এতিয়া এই কথাখিনিৰ গুৰুত্বৰ বিষয়ে অলপ ভাবি চোৱা যাওক। প্ৰচণ্ডপ্ৰতাপী, প্ৰবলপৰাক্ৰমী ৰজা ৰাজ সিংহাসনত বহি আছে। ৰাজসভা ভৰপূৰ। চাৰিও ফালে পাত্ৰ, মন্ত্ৰী, সৈন্য, সেনাপতি, অৰ্থী, প্ৰত্যাৰ্থীয়ে আবৰি আছে। পুত্ৰ পৌত্ৰ আৰু আন সভাসদ আদি



নাগৰিক লোকসকলো উপস্থিত। এনে অৱস্থাত হঠাৎ গৈ অজ্ঞাত কুলশীল দূত এজনে, (সিও অসভ্য বান্দৰ) ৰজাৰ সম্মুখত থিয় হৈ মুখত যি আহে তাকে কৈ গালি পাৰি অপমান কৰিলে, ক্ৰোধৰ বশীভূত হৈ তাৰ প্ৰাণ-দণ্ড বিহিলে, বিশেষ একো অন্যায় কাম নহয়। কত কত সম্ৰাটে তেনে কাম কৰিছে। তথাপি যিজন সম্ৰাটে দূতৰ প্ৰাণদণ্ড ৰাজনীতি শাস্ত্ৰৰ বহিৰ্ভূত হোৱা বুলি স্মৰণ কৰাই দিয়া মাত্ৰকে নিজৰ আদেশ প্ৰত্যাহাৰ কৰি জলদ গম্ভীৰ স্বৰেৰে কব পাৰিছিল—

সম্যগুক্তং হি ভৱতা দূতবধ্যা বিগৰ্হিতাঃ।
অৱশ্যন্তু বধাদন্যঃ ক্ৰিয়তামস্য নিগ্ৰহঃ॥

সেই জন সম্ৰাট হল অত্যাচাৰী! ইয়াতকৈনো দুঃখৰ কথা কি হব পাৰে?

তলত ৰাৱণকথিত আৰু কেইটামান শ্লোক বাল্মীকি ৰামায়ণৰপৰা তুলি দিয়া হল। তাৰপৰাও ৰাৱণৰ বিদ্যা, বুদ্ধি, জ্ঞান আৰু আদৰ্শ আদিৰ বিষয়ে পাঠকে অনেক কথা জানিব পাৰিব।

ৰাৱণ-কথিত উত্তম পুৰুষৰ লক্ষণ—

মন্ত্ৰ ত্ৰিভিৰ্হি সংযুক্তঃ সমৰ্থৈ মন্ত্ৰনিৰ্ণয়ে।
নিত্ৰৈৰ্ব্বাপি সমানাৰ্থৈঃ বান্ধবৈৰপি বাধিকৈঃ॥
সহিতো মন্ত্ৰয়িত্বা যঃ কৰ্ম্মাৰম্ভাণ্ প্ৰবৰ্ত্তয়েৎ।
দৈবেচ কুৰুতে যত্নঃ তমাহু পুৰুষোত্তমঃ॥

মন্ত্ৰণাকুশল তিনিজনৰ লগত অথবা সমান স্বাৰ্থ থকা বন্ধুবান্ধৱৰ লগত মন্ত্ৰণা কৰি যি পুৰুষে কাৰ্য্য আৰম্ভ কৰে, আৰু প্ৰাৰম্ভিক কাৰ্য্যত দৈৱৰ বিষয়েও যত্নবান হয় তেৱেঁই উত্তম পুৰুষ।

ৰাৱণ কথিত মধ্যম পুৰুষৰ লক্ষণ—

একোৰ্থং বিমৃশেদেকো ধৰ্ম্মে প্ৰকুৰুতে মনঃ।
একঃ কাৰ্য্যানি কুৰুতে তমাহুৰ্ম্মধ্যমং নৰং॥

যি মানুহে ধৰ্ম্মক আগত ৰাখি অকলৈ বিবেচনা কৰে আৰু বিবেচ্য বিষয়ত অকলৈ কাৰ্য্য আৰম্ভ কৰে, তাক মধ্যম পুৰুষ বোলে।

ৰাৱণ কথিত অধম পুৰুষৰ লক্ষণ—

গুণদোষৌ নৰ্নিশ্চিত্য ত্যক্তিদৈব্যব্যাপাশ্ৰয়ং।
কৰিষ্যামিতি যঃ কাৰ্য্যমুপেক্ষেৎ স নৰাধমঃ॥

দোষ গুণৰ বিচাৰ নকৰি, কৰিম কৰিম বুলি যি পুৰুষে কাৰ্য্যত গাফিলি কৰে সি অধম পুৰুষ বা নৰাধম।

ৰাৱণ কথিত উত্তম মন্ত্ৰণাৰ লক্ষণ—

ঐকমত্যমুপাগম্য শাস্ত্ৰ দৃষ্টেন চক্ষুষা।
মন্ত্ৰিণো যত্ৰনিৰতা স্তমাহুৰ্ম্মন্ত্ৰমুত্তমম্॥

শাস্ত্ৰজ্ঞ মন্ত্ৰীসকলে সদ্যুক্তি আৰু সৎ তৰ্কৰ দ্বাৰা একমত হৈ যি মন্ত্ৰণা কৰে তাকে উত্তম মন্ত্ৰণা বোলে।

ৰাৱণ কথিত মধ্যম মন্ত্ৰণাৰ লক্ষণ—

বহ্বীৰপি মতিৰ্গত্বা মন্ত্ৰিণা মন্ত্ৰনিৰ্ণয়ঃ।
পুনৰ্যত্ৰৈকতাং প্ৰাপ্তঃ সমন্ত্ৰোমধ্যমঃ স্মৃতঃ॥

মন্ত্ৰীসকলে মন্ত্ৰণাৰ প্ৰাৰম্ভতে পৰস্পৰ একমত নহলেও শেষত যুক্তি তৰ্কৰ দ্বাৰা একমত হলে তাকে মধ্যম মন্ত্ৰণা বোলে।

ৰাৱণ কথিত অধম মন্ত্ৰণাৰ লক্ষণ—

অন্যোন্য মতিমাস্থায় যত্ৰ সম্প্ৰতি ভাষ্যতে।
নচৈকমত্যে শ্ৰেয়োস্তি মন্ত্ৰঃসোধম উচ্যতে॥

মন্ত্ৰীসকলে যদি নিজৰ নিজৰ মতলব অনুসাৰে বক্তৃতা কৰিব ধৰে আৰু পিচতো গৈ কোনোমতে সকলোৱে একমত হব নোৱাৰে, তেনেহলে তাক অধম মন্ত্ৰণা বোলে।

পাঠক, এতিয়া চাওক ৰাৱণ কেনে বহুদৰ্শী পৰম বিদ্বান, মহাজ্ঞানী, আৰু নীতিনিপুণ মহাপুৰুষ আছিল। সেইহে ৰাৱণৰ মৃত্যুত মহৰ্ষি বাল্মিকীয়ে অতি দুখেৰে গাইছিল—

গতঃ সেতু সুনীতানাং গতো ধৰ্ম্মস্য বিগ্ৰহঃ।
গতঃ স্বত্ত্বস্য সংক্ষেপঃ সুহৃত্তানাং গতিৰ্গতঃ॥

শ্ৰীপ্ৰতাপচন্দ্ৰ গোস্বামী।

---

# “মোৰ সোঁৱৰণীৰ” সাৰ-টোকা।

৺ ঘিণাৰাম গোহাঞি বৰুৱা পিতৃদেৱতা আৰু ৺ লক্ষী দেৱী আইতাৰ পৰম পৱিত্ৰ মিলনৰ ফলত, উত্তৰ-লক্ষীমপুৰৰ নকাৰী মৌজাৰ নকাৰী গাৱঁত, ১৭৯৩ শঁকৰ ৯ আঘোণত, মঙ্গলবাৰে, মাজনিশা মোৰ জন্ম বুলি লিখিত সোঁৱঁৰণীত আছে। ৺পিতৃদেৱতা ৮৩ বছৰীয়া বয়সত, ১৮২৯ শঁকৰ ৺শ্ৰীশ্ৰীকৃষ্ণৰ জন্মাষ্টমী তিথিত, আৰু ৺মাতৃদেৱী ৯১ বছৰীয়া বয়সত, ১৮৪৭ শঁকৰ ৺শ্ৰীশ্ৰীসৰস্বতী-পূজাৰ দিনা শ্ৰীপঞ্চমী তিথিত স্বৰ্গী হয়। মোৰ পিতৃপুৰুষৰ আদি ঘাই ঘৰ শিৱসাগৰৰ জাঁজি-শিমলুগুৰিত; আঁতিগুৰি ৺থাওৰুৰু বুঢ়াগোহাঞি ডাঙৰীয়াৰ দ্বিতীয় পুত্ৰ, মৰান-ডেকাবৰুৱা বংশৰ মূল, ৺কুনুকাই গোহাঞি বৰুৱা।

মোৰ সাতবছৰীয়া বয়সত মই জয়-জয়তে কলি লওঁ। উত্তৰ লক্ষীমপুৰৰ তেতিয়াৰ প্ৰাইমাৰী, মাজতে মজলীয়া ইংৰাজী স্কুলত (এতিয়া হাইস্কুল) মোৰ পোন-প্ৰথম ছোৱা শিক্ষা হয়। সেই শিক্ষাৰ কালত, ক-খ লোৱাৰে পৰা মজলীয়া ছাত্ৰবৃত্তি পৰীক্ষা দিয়ালৈকে, ৺ পাণীন্দ্ৰ নাথ গগৈদেৱ মোৰ সহপাঠী আছিল।

মোৰ ইংৰাজী শিক্ষা আৰম্ভ হয় শিৱসাগৰ হাইস্কুলৰ ৪ৰ্থ শ্ৰেণীৰপৰা। তৃতীয় শ্ৰেণীলৈ উঠোতেই পিতৃদেৱতাৰ আদেশ অনুসৰি ইংৰাজী স্কুল এৰি, মই সেই কালৰ মণ্ডল চাৰ্ভে স্কুলত পঢ়িবগৈ লগা হয়। গতিকে সিমানতে মোৰ ইংৰাজী শিক্ষা সাঙ্গ হব লগা হৈছিল। পিচে, এবছৰৰ ভিতৰত মই মণ্ডলী আৰু মৌজাদাৰী দুটা চাৰ্ভে মহলাত উত্তীৰ্ণ হোৱাৰ পাচত, গৱৰ্ণমেণ্টৰ হুকুম হল যে, ‘চাৰ্ভে-পাচ’ নোহোৱাকৈয়ে, বিশেষ বিবেচনাৰ ওপৰত, পিতৃদেৱতা তেখেতৰ মৌজাদাৰী বিষয়বাবত ৰব পাৰিব, আৰু মই অজৰাই নিদিলেগৈও চলিব; এতেকে, ইচ্ছা কৰিলে, মই আকৌ ইংৰাজী স্কুলত ভৰ্ত্তি হব পাৰো। সেই অনুসৰি মই শিৱসাগৰ হাইস্কুলত পুনঃ ভৰ্ত্তি হওঁ। তাৰ পাচত, সেই স্কুলতে প্ৰথম শ্ৰেণীলৈকে পঢ়িছোঁ, এনেতে মোৰ গভীৰ ভক্তি-ভাজন পৰম পূজনীয় শিক্ষা-গুৰুদেৱ ৺চন্দ্ৰমোহন গোস্বামী প্ৰভু নগাপৰ্ব্বতৰ কহিমা হাইস্কুলৰ হেডমাষ্টৰৰ পদত বদলি হৈ যায়। তেখেতে এৰি যোৱাত, ইংৰাজী শিক্ষাত মোৰ ৰাপ নোহোৱা হবলৈ ধৰিলে। গতিকে, মাহচেৰেকৰ মূৰত মযো তেখেতৰ অনুগামী হলোঁ। আঁঠ মাহৰ পাচত, কহিমা হাইস্কুলৰপৰা এণ্ট্ৰেন্স মহলা দিবলৈ মোক আগবঢ়োৱা হয়। যথাসময়ত কহিমা পৰ্ব্বতৰপৰা নামি আহি, ডিব্ৰুগড় কেন্দ্ৰত এণ্ট্ৰেন্স মহলা দি মই উত্তীৰ্ণ হওঁ। (কহিমা হাইস্কুলৰপৰা এণ্ট্ৰেন্স পাচ কৰোঁতা মোতে আদি আৰু মোতে অন্ত।

কলিকতালৈ গৈ পোনতে মই এফ-এ পঢ়োঁ। অপৰিহাৰ্য্য কাৰণত সেই মহলা দিব নোৱাৰি, তাতে মই ওকালতি পঢ়িবলৈ ধৰোঁ। পিচে, দৈৱদুৰ্ব্বিপাকত মূৰকত ওকালতি পৰীক্ষালৈকো অযোগ্য হলোঁ, কিয়নো সেই কালৰ পৰীক্ষাৰ্থীৰ নিৰ্দ্ধাৰিত বয়সতকৈ মোৰ বয়স কম পৰিল। গতিকে, কলিকতীয়া জীৱন মোৰ বিনা-পাচে বৃথাতে গল! মই “গল কণা, আহিল কণা, থাগৰি কাটিলে তিনি কনা” হৈ ঘৰলৈ উলটিব লগা হল।

কিন্তু, মোৰ সেই “তিনিকনা” নিচেই নেওচা-যোৱা নহৈছিল। কলিকতীয়া কালত মই দুটা সঙ্গ শিক্ষা লাভ কৰিছিলোঁ, এটা—দেশহিত-চিন্তা, আনটো সাহিত্যিক চৰ্চ্চা। সেই শিক্ষাৰ গুণত এই দুটা বিষয়ত মোৰ ৰাপ ক্ৰমাৎ বাঢ়িবলৈ ধৰে, আৰু তাৰ গজালি মই কলিকতা নৌ এৰোঁতেই মেলিছিল; অৱশ্যে সাহিত্য-চৰ্চ্চাত যিমান দেশহিতৈষিতাত তেতিয়া তিমান হোৱা নাছিল। স্বৰূপতে, কলিকতীয়া ছাত্ৰজীৱনতে মোৰ সাহিত্যিক জীৱন গঢ়িত হয়। জয়-জয়তে মই অসমীয়া ভাষাত লিখিবলৈ কাপ ধৰোঁ কলিকতাৰপৰা ওলোৱা সেই কালৰ আলোচনী কাকত “বিজুলী”-সংসৰ্গত। মোৰ তেতিয়াৰ প্ৰিয়-লগৰীয়া ৺কৃষ্ণপ্ৰসাদ দুৱৰাই প্ৰকাশ কৰা সেই মাহেকীয়া কাকতখনতে মই পোন-প্ৰথমে প্ৰবন্ধাদি লিখিবলৈ শিকোঁ।



তাৰ পাচত, সেই কাকতৰ সম্পাদক আৰু প্ৰকাশকৰ বাব মই মূৰ পাতি লব লগা হয়, আৰু তাৰ ফলত অসমীয়া সাহিত্য-চৰ্চ্চাত মোৰ ৰাপ ক্ৰমাৎ ডাঠ হবলৈ ধৰে। সেই “বিজুলী”-সংসৰ্গতেই মোক কবিতা-ৰচনাৰ ৰাগিয়েও পায়।

কলিকতীয়া ছাত্ৰজীৱনতে মোৰ ৰচিত পোন-প্ৰথম কিতাপ “লাহৰী” উপন্যাস প্ৰচাৰ হয়। সেই একে-সময়তে সিফালে “ভানুমতী” নামে আন এখন উপন্যাস “বিজুলী” কাকতত ছোৱা ছোৱাকৈ প্ৰচাৰ হবলৈ ধৰে। সেই সময়ত সেই বিষয়ত মোৰ এনে ধাউতি হৈছিল যে, মই এলানিকৈ, অতি কমেও ১২ (বাৰ) খন উপন্যাস অসমীয়াত লিখি উলিয়াইহে আমাৰ জাতীয় সাহিত্যৰ আন আনবোৰ শাখাত হাত দিম, মোৰ এনে এটা সংকল্প হৈছিল। আমাৰ জাতীয় সাহিত্যৰ উন্নতি কল্পে সমূহ-উত্তমৰ অভ্যাস মই পোন-প্ৰথমে লাভ কৰোঁ সেই কালত কলিকতাত মোৰ পূৰ্ব্ববৰ্ত্তী অসমীয়া ছাত্ৰ-বৰ্গৰ দ্বাৰাই প্ৰতিষ্ঠিত “অসমীয়া ভাষাৰ উন্নতি সাধিনী” সভাৰ সংলগ্নত। সেয়ে পাচলৈ আন আন সভাসমিতিৰ মোৰ ৰাপ বঢ়োৱাৰ মুলশক্তি।

কলিকতাৰপৰা উলটি আহি পোনতে মই অ’ত ত’ত ছেগ বুজি সাহিত্যিক সামাজিক আৰু ৰাজনৈতিক সভা সমিতি সংগঠনত লাগি ফুৰিছিলো। সেই কালৰ সৰল সাহিত্যসেৱক সমাজৰক্ষক আৰু ৰাজনৈতিক নেতাসকলৰ সহায় সমৰ্থনৰ ঠায়ে ঠায়ে, বিশেষকৈ শিৱসাগৰত, সেই বিষয়ত মই কৃতকাৰ্য্যও হৈছিলোঁ। তাৰ চিন্ ভালেমান মাৰ গৈ, এতিয়া থনচেৰেক “অ, ভা, উ, সা. সভা,” ‘ৰায়ত-সভা” আৰু “আহোম এচোচিয়েচন”বিলাকত মাথোন ৰৈছেগৈ।

তাৰ লগে লগে, মই আটাইতকৈ ভাল পোৱা বিষয় সাহিত্যিক চৰ্চ্চাত মোৰ মনোনিবেশ বিশেষ হবলৈ ধৰিলে। সেই অৰ্থে মই কলিকতাত পাঙ্গি অহা মতে কিন্তু চলিবহি নোৱাৰিলোঁ; কিয়নো, উপন্যাস ৰচনা স্থগিত ৰাখি স্কুলীয়া সাহিত্য-পুথি যুগুত কৰাতহে আগধৰি ধৰিব লগাত পৰিলোঁ। আহিয়েই দেখোঁ যে, সেই সময়ত আমাৰ দেশে আন কিতাপতকৈ স্কুলীয়া কিতাপৰ অভাৱ বৰকৈ অনুভৱ কৰিছে; বাস্তৱতে উপযুক্ত অসমীয়া সাহিত্য-পুথিৰ অভাৱ হেতুকে আমাৰ দেশৰ স্কুলবোৰত প্ৰাইমেৰী থাপৰপৰা ওপৰলৈ বঙ্গলা সাহিত্যই একাধিপত্য কৰিছিল। দেখি বৰ সন্তাপ পালোঁ। এনেতে দেখা গল যে, অসমৰ মজলীয়া ছাত্ৰবৃত্তি পঢ়াশালিত অসমীয়া পাঠ্য চলোৱাবলৈ জ্ঞানী অসমীয়া নেতাসকলেও কুৰংকাৰাং কৰিছে। সেই সোণাময় ছেগতে মই উত্তৰ লক্ষীমপুৰত, মোৰ বাল্যবন্ধু আৰু সহপাঠী ৺পাণীন্দ্ৰনাথ গগৈদেৱৰে সৈতে লগ লাগি “সাহিত্য-সংগ্ৰহ” নামে এখন ওথ থাপৰ অসমীয়া সাহিত্য-পুথি প্ৰচাৰ কৰোঁ। এয়ে মোৰ পোন-প্ৰথম স্কুলীয়া পুথি।

এই দৰেই জাতীয় উন্নতিমূলক কাৰ্য্যত দেহে-কেহে লাগি থাকোতেই মোৰ চাকৰি-জীৱন ঘটে;—ইং ১৮৯৩ চনৰ শেহ ছোৱাত মই নগাপৰ্ব্বতৰ কহিমা গৱৰ্ণমেণ্ট ইংৰাজী স্কুলৰ হেডমাষ্টৰৰ বিষয়-বাব লৈ যাব লগা হয়। এই ঘটনাই ৰাজহুৱা ৰাজনৈতিক আন্দোলন আলোচনাদিত মুকুলিমূৰীয়াকৈ ফুৰাত মোক সঙ্কুচিত কৰিলে; কিন্তু মোৰ সেই বিষয়ক উত্তম সাহিত্যিক চৰ্চ্চাত যোগ দিবলৈ মই আৰু এটা ছেগ পালোঁ। কহিমা স্কুলত ইতিপূৰ্ব্বে কোনো এটা নিৰ্দ্ধাৰিত দেশী ভাষাৰ প্ৰচলন নাছিল, বাৰেজতুৱা ছাত্ৰৰ ভিতৰত যেয়ে যি দেশী-ভাষাত সুচল পায়, সেয়ে সেই ভাষাৰ জৰিয়তে শিক্ষা লৈছিল। মই গৈ সেই বেমেজালি গুচাই তাৰ ঠাইত দেশীভাষা অকল অসমীয়া কৰি লৈ, নতুন ধৰণেৰে সেই স্কুলৰ শিক্ষাপদ্ধতিৰ অৱতাৰণা কৰিলোঁ। “অসমত অসমীয়া হে দেশীভাষা” এই ধাৰণা শিক্ষক আৰু শিক্ষাৰ্থীৰ মনত দৃঢ়কৈ থাপিবলৈ যত্ন কৰিলোঁ। ছাত্ৰক শিক্ষা দিওঁতে কিন্তু নিজে এটা অসুচল অনুভৱ কৰিবলৈ ধৰিলোঁ যে, অসমীয়া কিতাপৰ অভাৱত, আটাইবোৰ বিষয়ৰ পাঠ্যৰ মাজত ভূগোল-শিক্ষাৰ বিষয়ত বঙ্গলা কিতাপ চলাব লগা হয়। সেই অনুভৱৰ ফলস্বৰূপ ছমাহৰ ভিতৰত মোৰ “ভূগোলদৰ্পণ” প্ৰচাৰিত হয়। সেই ছেগতে, “সাহিত্য-সংগ্ৰহৰ” তলতীয়াকৈ কেইখনমান স্কুলীয়া সাহিত্য-পুথি অসমীয়া ভাষাত লিখিবলৈ

পৰিৱৰ্ত্ত কৰোঁ ;—তাৰে প্ৰথম ফল "নীতিশিক্ষা" আদি ছোৱা। এই দুয়োখন কিতাপ যথা সময়ত টেক্সটবুক কমিটিয়ে মঞ্জুৰ কৰি দিয়াত অসমৰ আন আন স্কুলতো প্ৰচলিত হয়।

ৰাজনৈতিক বিষয়ত হাতবন্ধা হলোঁ যদিও, কহিমাত শিক্ষকতা কৰা কালত সাহিত্যিক আৰু সামাজিক সভা-সমিতি গঠনাদি কাৰ্য্যত মই নিশ্চেষ্ট হোৱা নাছিলোঁ। কহিমাপ্ৰবাসী তাকৰীয়া চাকৰিজীৱী অসমীয়াসকলেৰে সৈতে লগ লাগি এখন অ, ভা, উ, সা, সভা পাতি লৈ সততে অসমীয়া সাহিত্যৰ উন্নতি-চৰ্চ্চাত লাগিছিলোঁইক। তাৰ লগে লগে, সদৌ ভাৰতীয় সামাজিক আৰু সাহিত্যিক উন্নতি কল্পে সদৌ সমজুৱাকৈ এখন সৰ্ব্বসাধাৰণীয়া "সাহিত্য-সভা" আৰু তাৰ লগতে সকলো বিধৰ কিতাপ ৰখা এটা ৰাজহুৱা পুথিভঁড়াল বা "লাইব্ৰেৰী" সংস্থাপন কৰোঁইক। সেই দুয়োখন সভা আৰু লাইব্ৰেৰীৰ সম্পাদকৰ বিষয়-বাবো ময়ে ব'ব লগাত পৰোঁ।

কহিমাবাসৰ কালতে মোৰ প্ৰথমা ভাৰ্য্যা ৺লীলাৱতীক মই শিৱসাগৰৰ জাঁজিত বিয়া কৰাওঁহি। এই সংসাৰৰ লগ-ধৰা আৰু পিচ-লগা মোৰ ক্ষুদ্ৰ জীৱনৰ গোটাচেৰেক ৰোমাঞ্চক ঘটনাৰ বৰ্ণনা মোৰ "লীলা" নামে কাব্যপুথিত আঁকি থোৱা আছে। এই "লীলা" ই তেজপুৰত প্ৰতিষ্ঠিত মোৰ "লীলা-এজেন্সি"ৰ মূল ভেঁটা।

কহিমাত পাঁচ বছৰ চাকৰি কৰাৰ পাচত, ইং১৮৯৬ চনৰ শেহভাগত মোক তেজপুৰলৈ নৰ্ম্যাল স্কুলৰ হেড্-মাষ্টৰৰ পদত বদলি কৰি অনা হয়। তেজপুৰলৈ আহি মই সাহিত্যিক, সামাজিক, আৰু গা-আৰকৈ ৰাজনৈতিক চৰ্চ্চাত লাগিবলৈ বহল থল লাভ কৰোঁ। বিশেষকৈ অসমীয়া স্কুলীয়া পুথিৰ অভাৱ বাকীখিনি পুৰাবলৈ মই এটা সোণাময় সুযোগ পাওঁ। তেজপুৰ নৰ্ম্যাল স্কুলৰ হেডমাষ্টৰী পদত, ৯ বছৰৰ ভিতৰত, স্কুলীয়া কিতাপ লিখা কামত একাগ্ৰপতীয়াকৈ লাগি, মই "নীতিশিক্ষা"ৰ মাজছোৱা আৰু শেহছোৱা, "শিক্ষাবিধি", "নহাৰাণী", "আদিশিক্ষা" আদিছোৱা, মাজছোৱা আৰু শেহছোৱা, "অসমৰ বুৰঞ্জী", "হিন্দুবুৰঞ্জী", "মছলমানবুৰঞ্জী এইবিলাক স্কুলৰ পাঠ্যপুথি লিখি উলিয়াওঁ। এইবোৰৰ লগতে বাজে কিতাপো খনদিয়েক লিখা হয় ; তাৰ ভিতৰত "গাঁওবুঢ়া" আৰু "জয়মতী" এই নাটক দুখন আগ।

তেজপুৰত নৰ্ম্যাল স্কুলত কাম কৰা দিনতে এই ক্ষুদ্ৰ জীৱনত গোটাদিয়েক লেখত-লবা ঘটনা হয়। তাৰ ভিতৰত (১) "অসম-বন্তি"ৰ জন্ম ; (২) মোৰ প্ৰথমা ভাৰ্য্যাৰ বিয়োগ আৰু দ্বিতীয়া ভাৰ্য্যা গ্ৰহণ ; এই ৩টা ঘাই। "অসম-বন্তি" সেইদিনধৰি আজিলৈকে মোৰ জীৱন-বন্তি স্বৰূপে টিমিক-টামাককৈ জ্বলি আছে। এই "বন্তি"-সংসৰ্গত সুমৰিব লগীয়া ভালেমান কথা বৈছে ; "মোৰ সোঁৱৰণী" প্ৰবন্ধত সেইবোৰ বিস্তৃতকৈ "সাধনা" কাকতত প্ৰচাৰ হব। প্ৰথমা ভাৰ্য্যা ৺ লীলাৱতীৰ বিয়োগৰ ক্ষতিপূৰণৰ ফলস্বৰূপ "লীলা" ক্ষুদ্ৰ কাব্যৰ কথা ওপৰত উনুকিয়াই অহা হৈছে ; দ্বিতীয়া ভাৰ্য্যা শ্ৰীমতী হীৰাৱতীৰ সহযোগত সকাহৰ চিন্ স্বৰূপ "জুৰণি"নামে কবিতা এৰটা দি বাইজলৈ সেৱা জনোৱা হয়। এনেতে, চৰ্কাৰৰ আদেশ অনুসৰি মই চাৰিজন অসমীয়া শিক্ষকক লৈ গৈ সিবিলাকক জব্বলপুৰত দেশী-কছৰৎ শিকাই আনিবলৈ লগা হয়। সেই উদ্দেশে মই জব্বলপুৰত এমাহ আৰু নাগপুৰত তিনিমাহ থাকি সেই শিক্ষক চাৰিজনক সেই ব্যায়ামশিক্ষাৰ মহলাত উত্তীৰ্ণ কৰাই আনি দি, "দেশী-কছৰৎ" নামে পুথি এখন অসমীয়াত লিখি গবৰ্ণমেণ্টক শোধাওঁহি ; সেয়ে আজিকালি স্কুলত ব্যৱহৃত দেশী-ব্যায়াম শিক্ষা পুথি। এইখিনিতে মোৰ সংসাৰ সম্পৰ্কেও দু আষাৰ কৈ থোৱাৰ ছেগ পৰিছে। মোৰ প্ৰথমা ভাৰ্য্যাৰ পৰা সতি-সন্তান সমূলি লাভ নহল। দ্বিতীয়া ভাৰ্য্যা মোৰ জীৱিতা সহধৰ্ম্মিণী। এৱেঁই মোৰ আটাইকিটি সন্তানৰ প্ৰসূতী। এই সংসাৰত মোৰ ৭ সাতোটি কন্যা, আৰু সবাতকৈ সৰুলীয়া অষ্টম গৰ্ভজাত এটি পুত্ৰ বৰ্ত্তমান। কন্যাৰ ভিতৰত তিনটি উলিয়াই দিয়া হৈছে। পুত্ৰটি এতিয়া ৫ পাঁচ বছৰীয়া ; নাম শ্ৰীমান্ হৰকৃষ্ণনাথ, আৰু ৰাশিস্থিত থাইনাম শ্ৰীমান্ মুনীন্দ্ৰনাথ।

জব্বলপুৰ নাগপুৰৰপৰা উলটি আহি পাওঁতেই, দ্বিতীয় শ্ৰেণীৰ নৰ্ম্যাল স্কুলবোৰ উঠাই দিয়া হয়। গতিকে, কৰ্ত্তৃপক্ষে মোৰ চাকৰি নি-তেজপুৰ হাইস্কুলত জাঁপিলেগৈ। তাত কাম কৰি মোৰ ভাল নালাগিল। কিয়নো, তলতীয়া মাষ্টৰোৱে মোক মুগুজিলে। ঘাইকৈ সেই চাকৰিয়ে মোক সাহিত্যিক চৰ্চ্চাত সোঁৱে-বাঁৱে ব্যাঘাত দিবলৈ ধৰাত, মই তাত টিকিবলৈ টান পালোঁ। এনেতে, মোক তেজপুৰৰপৰা যোৰহাটলৈ বদলি কৰাত, মোৰ সেই মনোজঞ্জাল অত্যধিক হৈ উঠিল। মনৰ অশান্তিত মোৰ স্বাস্থ্যও পৰি যাবলৈ ধৰিলে। শেহান্তৰত, মই নবিয়া বিদায় লব লগাত পৰিলোঁগৈ। এই বিদায়ৰ কাল পাৰিলোঁমানে বঢ়াই নিলোঁ,—চিভিল চাৰ্ভিচ ৰেগুলেচনে আঁটিলোনে বিবিধ নিয়মে বিদায় দীঘলাই ললোঁ। আৰু পাৰলৈ নোহোৱা হল ; ৰাহি-বিদায়ৰ কালো মুঠেই ক্ৰমাহমান আছেগৈ। গতিকে অগত্যা মই অন্য পন্থা চিন্তিব লগা হল। অকলশৰীয়াকৈ চিন্তিলোঁ। চিন্তি, মোৰ সহযোগী সাহিত্যিক বন্ধু ৺হেমচন্দ্ৰ গোস্বামীদেৱেৰে সৈতে লগলাগি চিন্তিলোঁ। চিন্তি চাই, মই এটি সাহিত্যিক পেন্সনৰ নিমিত্তে গবৰ্ণমেণ্টক আবেদন কৰাটোকে স্থিৰ কৰিলোঁইক। সেই উদ্দেশে, অসমীয়া জাতি আৰু অসমীয়া ভাষাৰ আচল বন্ধু, সেই কালৰ অসম উপত্যকাৰ কমিচনাৰ কৰ্ণেল পি, আৰ, টি, গৰ্ডন চাহাব আমাৰ সহায় হল। এনেতে, পৰম বিদ্যোৎসাহী শাসনকৰ্ত্তা চাৰ চাৰ্লচ বেলী "পূৰ্ব্ববঙ্গ আৰু অসম" প্ৰদেশৰ ছুটলীয়া লাট বা লেফ্‌টেনেণ্ট গৱৰ্ণৰ স্বৰূপে তেজপুৰলৈ আহে। সেই ছেগতে মই তেখেতক সেই বিষয়ে জনাবলৈ এটা সাক্ষাৎ ক্ষণ লাভ কৰিলোঁ। তাৰ ফলস্বৰূপ, বিস্তৰ লিখা-লিখিৰ পাচত, যথাসময়ত বিলাতত সেই কালৰ ভাৰতমন্ত্ৰী লৰ্ড মৰ্লি মহোদয়ে ভাৰতশাসনকৰ্ত্তা লৰ্ড মিণ্টো গৱৰ্ণৰ জেনেৰেল বাহাদুৰৰ সকাউন্সিল সমৰ্থন অনুমোদন কৰি, মোক চাকৰি-পেন্সনৰ ওপৰঞ্চিকৈ বিশেষ বিবেচনাৰ ওপৰত, অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতি কল্পে মোৰ জীৱনৰ অৱশিষ্ট ছোৱা নিয়োগ কৰিব পৰাকৈ সাহিত্যিক পেন্সন এটি মঞ্জুৰ কৰি দিয়ে। সেই পেন্সন আজি ২৩ একুৰি-তিনি বছৰ ভোগ কৰি আহিছোঁ। সেই বাবে মই গৱৰ্ণমেণ্টৰ ওচৰত কৃতজ্ঞ।



পেন্সনত মুকলিমুৰীয়া হৈ ওলোৱাৰ পাচত, অসমীয়া সাহিত্যৰ সৰ্ব্বতোভাৱে উন্নতি সাধিবলৈ মই একাগ্ৰপতীয়াকৈ লাগি পৰোঁ। এইখিনিতে মই যেন মোৰ সাহিত্যিক জীৱনৰ আদিছোৱাৰ উৎসাহ ঘূৰাই পালোঁ, এনে লাগিল। তদৰ্থে মই মোৰ সাহিত্যিক চৰ্চ্চাৰ থল বঢ়াবলৈ যত্নপৰ হলোঁ। দেখিলোঁ, আগৰ আলোচনী কাকত আটাইকেউখন লোপ পোৱাত, আমাৰ ভাষাত লিখা লেখকসকলৰ, বিশেষকৈ আমাৰ উঠি-অহা লেখকসকলৰ কাপে দৰক্ লোৱা যেন দেখা যায়। গতিকে, সেই ছেগতে সেই অন্তৰায় আঁতৰাবৰ উদ্দেশে মই "উষা" নামে মাহেকীয়া আলোচনী কাকত এখনি উলিয়াই তাৰ সম্পাদকৰ বাব লওঁ। একেবাহে চাৰি বছৰ "উষা" প্ৰচাৰ হোৱাৰ পাচত, "আলোচনী", "আসাম-বান্ধৱ" আৰু "বাঁহী" এই তিনিখন কাকত একে সময়তে প্ৰচাৰিত হয়। দেখি বৰ সন্তোষ পালোঁইক। এইখিনিতে পূৰ্ব্বৰ অভাৱ পূৰ্ণ হোৱা দেখি, নতুন কেইখন কাকতক থল এৰি দি, মই "উষা"ৰ পোহৰ সম্প্ৰতিকলৈ বুলি মাৰ নিয়াই থলোঁ।

"উষা"-পোহৰ স্থগিত ৰখাৰ পাচত, মোৰ সামান্য উদ্যমে আন এপাকেদি বাট ললে। সেই উদ্যমৰ ফলতে পাকলাগি অ, ভা, উ, সা, সভাৰ দ্বাৰাই "বাণ-থিয়েটাৰ ষ্টেজ প্ৰতিষ্ঠিত হয়। অ, ভা, উ, সা, সভাৰ মই একেৰাহে ১৭ সোতৰ বছৰ কাল সম্পাদকৰ বাব বহণ কৰাৰ লগতে বাণ-ষ্টেজৰ চেক্ৰেটৰীৰ বাবো যোগ হয়। ফলত বছৰি একোখনকৈ নাটক ৰচনা কৰি ষ্টেজত শোধাব লগাত পৰোঁ। সেই ফল স্বৰূপেই মোৰ "গদাধৰ," "সাধনী" "লাছিত-বৰফুকন," "টেটোণ-তামুলি, আৰু "ভূত নে ভ্ৰম" এই পাচখন নাটকে আগেয়ে প্ৰচাৰ হোৱা "জয়মতী" আৰু "গাওঁবুঢ়া" এই দুখনৰ লগত যোগ হৈ মোৰ নাটকৰ লেখ মুঠ ৭ সাতখনীয়া কৰে। এই নাটক ৰচনাৰ লগে লগেই মোৰ "মানৰ দিন" আৰু "স্থুলৰ চানেকী"ৰ ৰচনাও চলে। তাৰে এখন আধকৰা আৰু ইখন হাতে-লিখা অৱস্থাত হৈছে ; কেতিয়াকৈ পোহৰলৈ উলিয়াব পাৰোঁ কব নোৱাৰিছোঁ এতিয়ান।

এইখিনিতে মোৰ সাহিত্যিক জীৱনত এটা ছেদ পৰে। ইং ১৯১২ চনত যেতিয়া অসমত কাউন্সিলে সৈতে চীফ কমিচনাৰী গৱৰ্ণমেণ্ট গঠন কৰা হয়, তেতিয়া মোক গৱৰ্ণমেণ্টৰ বাছনি মতে কাউন্সিলৰ অনাৰেবল মেম্বৰ-

সকলৰ মাজত আহোম প্ৰতিনিধি মেম্বৰ কৰি নিয়া হয়। তেতিয়াৰেপৰা একেৰাহে বাৰ বছৰ কাল মই ৰাজনৈতিক কাৰ্য্যক্ষেত্ৰত ঘূৰি ফুৰিব লগা হয়। সেই চক্ৰতে বৰ্ত্তমান ৰিফৰ্ম্ গৱৰ্ণমেণ্টৰ প্ৰতিষ্ঠাতা, সেই কালৰ ভাৰতমন্ত্ৰী মিঃ মণ্টাগু ভাৰতলৈ আহোঁতে, ৺ঘনশ্যাম বৰুৱা, ৺গঙ্গাগোবিন্দ ফুকন, শ্ৰীযুত তৰুণৰাম ফুকন, শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা, শ্ৰীযুত নবীনচন্দ্ৰ বৰদলৈ আৰু শ্ৰীযুত প্ৰসন্নকুমাৰ বৰুৱা, এই ছজনেৰে সৈতে মই লগলাগি সৰ্ব্বৰ্থীদপে কলিকতাৰ গৱৰ্ণমেণ্ট হাউচত গৱৰ্ণৰজেনেৰেল লৰ্ড চেমচফোৰ্ড সমন্বিতে ভাৰত মন্ত্ৰীক ওলগনি জনাবলৈ যাব লগা হৈছিল। তাৰ পাচত, চাউথবৰো কমিচনৰ আগতো আহোম প্ৰতিনিধি ৰূপে সাক্ষ্য দিবলৈ লগা হয়। ৰাজ-নৈতিক ক্ষেত্ৰত এই দৰে লাগি ফুৰোঁতে ইহাতে মোৰ সাহিত্যিক চৰ্চ্চাত অলপ অলপ ছাঁ পৰি সি চেঁচা হবলৈ ধৰিছিল, আৰু সেই বাবে মই গুণগ্ৰাহী ৰাইজৰপৰা মিঠা গৰিহনাও মাজে সময়ে মূৰ পাতি লব লগাত পৰিছিলোঁ।

মণ্টেগু ডেপুটেচন'ৰপৰা উলটি অহাৰ পাচত, "মোৰ সোঁৱৰণী"ৰপৰা টোকা ধৰিব লগীয়া বিষয় আৰু চুটিমান আছে। তাৰ ভিতৰত (১) শিৱসাগৰত, ইং১৯১৭ চনৰ ২৬ ডিচেম্বৰত বহা পোন-প্ৰথম অসম-সাহিত্য-সন্মিলনী, (২) ডিব্ৰুগড়ত ইং ১৯১৮ চনৰ ১৯ অক্টোবৰত বহা অসম-ছাত্ৰ সন্মিলনীৰ তৃতীয় বৈঠক, (৩) বৰপেটাত ইং১৯১৯ চনৰ ডিচেম্বৰত বহা অসম এচোচিয়েচন্ কন্‌ফাৰেন্সৰ যোড়শ বৈঠক, (৪) তেজপুৰত ইং ১৯২০ চনৰ ২৯ ডিচেম্বৰত বহা অসম শিক্ষক সন্মিলনীৰ পোন প্ৰথম বৈঠক, এই চাইটা সুমৰি একেৰি সন্তোষ পাওঁ; কিয়নো এই চাৰিওখন সন্মিলনীত মই সভাপতিৰ বিষয় বাব বৈ সহযোগিতা দিবলৈ ছেগ পাইছিলোঁ। যি সাহিত্যৰ উন্নতি কল্পে এই ক্ষুদ্ৰ জীৱন উছৰ্গা কৰা হৈছে, সেই সাহিত্যৰ উন্নতিৰ অৰ্থে প্ৰতিষ্ঠিত সন্মিলনীৰ পোন-প্ৰথম বৈঠকত মোক সভাপতিৰ সন্মান দি উৎসাহিত কৰাত, বিশেষকৈ যি শিৱসাগৰত সততে আনন্দত উকলিকুত হৈ মোৰ চেমনীয়া ছাত্ৰকাল কটাইছিলোঁ, সেই মহানন্দৰ স্মৃতিপট শিৱসাগৰত, মোৰ পূজনীয় সমাজনেতাসকল আৰু সমনীয়া বাল্যবন্ধুবৰ্গৰ মাজত সেই সাদৰ সন্মান উপভোগ কৰিবলৈ পোৱাত তেতিয়া মোৰ ক্ষুদ্ৰ প্ৰাণৰ গৌৰৱ বিমান ওপৰলৈ উধাইছিল, এতিয়াৰ অনুমান সিমানলৈ সুধায়! মই আজীৱন ছাত্ৰবন্ধু। মই ছাত্ৰ হৈ ছাত্ৰ গঢ়ি সুখ পোৱা মানুহ। তেনে মোৰ মৰমৰ ছাত্ৰৰ সন্মিলনীত সভাপতি স্বৰূপে সিবিলাকৰ সহযোগী হবলৈ পাই যে তেতিয়া মোৰ অকণমান হিয়াত কি বিমল সুখৰ হেন্দোলনি উঠিছিল, সি এতিয়াৰ অনুভৱত নুঠে! ছাত্ৰজীৱন সামৰি উঠিয়েই যিখন ৰাজনৈতিক ক্ষেত্ৰত মোৰ ৰাজনীতিশিক্ষা আৰম্ভ হয়, সেই ক্ষেত্ৰত স্বজাতীয় বিবিধ আলোচনা আৰু আন্দোলনৰ উচ্চতম ৰাজহুৱা বৰভেটী সেই 'অসম-এচোচিয়েচন'—যাৰ পূজাৰী আৰু বিধিপাঠক আছিল মোৰ ৰাজনৈতিক শিক্ষাগুৰু—একেটি থুপিতে দুটি ফুল, আত্মনিৰ্ভৰৰ আৰ্হিপুৰুষ ৺ৰায় জগন্নাথ বৰুৱা বাহাদুৰ আৰু নিৰ্ভীক স্বদেশহিতৈষী ৰাজনীতিজ্ঞ পুৰুষ ৺মাণিকচন্দ্ৰ বৰুৱা,—সেই 'অসম এচোচিয়েচন'ৰ এটা বছেৰেকীয়া 'কন্‌ফাৰেন্স' বা সন্মিলনীত,—বিশেষকৈ অসম-সাহিত্যগুৰু ৺শঙ্কৰ মাধৱৰ ধাই কৰ্ম্মক্ষেত্ৰ বৰপেটাত, সভাপতিৰ সমাদৰৰ মালা পিন্ধিবলৈ পাই তেতিয়া সাধনা-সিদ্ধিৰ যি বিমল আনন্দ অনুভৱ কৰিছিলোঁ, এতিয়া মন মেলি দি তাক লগ নাপাওঁগৈ। আৰু, যি শিক্ষকসঙ্ঘত মোৰ ৰজাঘৰীয়া বিষয়-বাবৰ আদি আৰু অন্ত, যি শিক্ষকৰ লগৰীয়া হৈ মই অসম শিক্ষাবিভাগৰ গতি-গোত্ৰ বুজি দেশৰ একেৰি উপকাৰ সাধিবলৈ ছেগ পাইছিলোঁ, সেই শিক্ষকৰ পোন প্ৰথম সন্মিলনীত সভাপতিৰ বাব বৈ তেতিয়া যি অতৃপ্ত তৃপ্তি পাইছিলোঁ, এতিয়া ভাবতো সেই তৃপ্তি বিচাৰি নাপাওঁ। এই চাৰিবিধ সুখ-সোঁৱৰণীৰ চিন্ এতিয়া মোৰ সাহিত্য সম্পদৰ কৰণিত সেই চাৰিখন সন্মিলনীৰ সভাপতিৰ চাৰিখন অভিভাষণ ৰূপে সুকীয়া সুকীয়াকৈ লিপিবদ্ধ হৈ ৰৈছে।

কিন্তু, মইনো মোৰ জীৱনসোঁতত মোৰ সাহিত্যিক চৰ্চ্চাত ভেটা দি ৰব পাৰোঁনে!—আকৌ ছেগ পোৱা মাত্ৰকে ৰাজনৈতিক ক্ষেত্ৰৰপৰা ওলাই হাত পখালি লৈ মই সাহিত্যক কাৰ্য্যক্ষেত্ৰত সোমালোঁহি। যোৱা বছৰদিয়েকৰপৰা মই আকৌ পূৰ্ব্বৰত পুথি ৰচনাৰ ঠগি



আগত লৈ বহিছোঁ। এইবাৰ সেই ঠগিত ধৰ্ম্মতত্ত্বৰ সমল। যোৱা পাঁচ বছৰে একেৰাহে একনিষ্ঠে ধৰি "শ্ৰীকৃষ্ণ" নামে মহাত্মা শ্ৰীকৃষ্ণৰ জীৱন-বুৰঞ্জী লিখি উলিয়াইছো; এতিয়া ছপাই পোহৰলৈ উলিয়াব পাৰিলে হয়। ছপালে ই ১০০০ হাজাৰ পৃষ্ঠাৰ ক্ৰাউন ১৬ পেজী ফৰ্ম্মাৰ এখন বৃজন অসমীয়া গন্থপুথি হব। সঙ্কল্প আছিল ইয়াৰ পাচতে, "মহম্মদ চৰিত" "শ্ৰীৰাম চৰিত" "যীশু চৰিত" আৰু "বুদ্ধ চৰিত" লিখিম বুলি, পিচে বৰ্ত্তমান মোৰ স্বাস্থ্য বৰ বিষম হৈ পৰাত পৰিয়ালৰ অনুৰোধ, বন্ধু-বান্ধৱ-সকলৰ উপদেশ আৰু বেজ জ্ঞানীৰ আদেশ অনুসৰি সম্প্ৰতি বছৰদিয়েকলৈ তেনে টান কাম হাতত নলও বুলিছো এখোন; এই জীৱনে আটেগৈ যদি, আৰু ইতি অৱসৰত মোৰ সুযোগ্য সহযোগীসকলৰ ভিতৰত সেই সাহিত্যিক সম্পদ পূৰাবলৈ ওলাওঁতা নোলায় যদি পৰতে মোৰ সেই সংকল্প কাৰ্য্যত পৰিণত কৰিবলৈ পাৰ্য্যমানে চাম বুলি মনত ৰখা হৈছে।

শ্ৰীপদ্মনাথ গোহাঞি বৰুৱা।

---

# ভাৰতৰ জাতীয় সমস্যাৰ বিষয়ে একেষাৰ।

আমি, সকলো ভাৰতবাসী গোটখাই, আমিও এটা জাতি বুলি জগতত পৰিচয় দিবলৈ বিচাৰিছোঁহক। কিন্তু, এই কথাত আমাৰ মাজত প্ৰথমতে দুদল মানুহ দেখা গৈছে।

এদলে ভাবিছে—আমাৰ ভাৰতৰ হিন্দুৱে মছলমানে, আৰু অন্যান্য সকলো জাতিয়ে গোট খাই, একেটা ভাৰতীয় জাতি হওঁহক। আমাৰ ধৰ্ম্ম বেলেগ থাকিলেও থাওক বাৰু, কিন্তু, আন সকলো কথাতে আমি একেটা জাতি হব লাগে। এই দলে ধৰ্ম্ম বুলিছে ঈশ্বৰৰ উপাসনা কৰা প্ৰণালীক আৰু তাক বৰ লাগতীয়াল বুলি ভবা নাই। উপাসনা মই যেনেকৈয়ে কৰোঁ লাগিলে, অৰ্থাৎ মই তেহেলেই হিন্দু মতেই ঈশ্বৰক চিন্তো বা মছলমান মতেই চিন্তো, নতুবা খ্ৰীষ্টান বা আন কোনো ধৰ্ম্মৰ মতেই চিন্তো, নহলে সমূলি নিচিন্তোৱেই, তাত একো কথা নাই; সেই বাবে মই জগতৰ কোনো ধৰ্ম্মাৱলম্বী বা কোনো দেশৰ লোকেৰে সৈতে খোৱা-মেলা আৰু দিয়া-অনা কৰিব নোৱাৰা হ'ব নেলাগে। পৃথিৱীৰ সকলো জাতিৰ আৰু সকলো ধৰ্ম্মাৱলম্বী মানুহেৰেই মই সকলো কথাতে মিলিব পাৰিব লাগে।

ইদলৰ মতেৰে আকৌ—ভাৰতবৰ্ষৰ বাহিৰৰ লোকৰ আগত আমি একেটা জাতি হওঁহক, কিন্তু আমাৰ ভিতৰতে হলে, হিন্দু মছলমান আৰু আন আন জাতি গাইপতি একোটা হৈ থাকোঁহক। ঘৰত আমি পাণ্ডৱ কৌৰৱ দুঘৰ, কিন্তু লোকৰ আগত হলে দুই ঘৰ মিলি একেঘৰ। অৰ্থাৎ, ভাৰতবৰ্ষৰ হিন্দু, মছলমান আৰু আন আন ধৰ্ম্মাৱলম্বী সকলো মানুহে মিলি-জুলি, সকলোৱে সকলোৱে বোহ বুজি, ভাই-ককাই ভাবেৰে, সমূহৰ উন্নতি কৰোঁহক; কিন্তু, ধৰ্ম্মৰ কথাত হলে একা, সকলোৱে নিজ নিজ ধৰ্ম্মমতেহে চলিম আৰু তাৰেহে চৰ্চ্চা কৰিম; এই কথাত কোনেও একো হকা-বধা কৰিব নোৱাৰিব।

এই দুদলৰ ভিতৰত কাৰ মত ভ্ৰান্ত আৰু কাৰ অভ্ৰান্ত, আমি তাৰ বিচাৰ কৰিবলৈ যাব খোজা নাই। কিন্তু, দুই দলৰ আদৰ্শ যে বেলেগ, তাত অলপো সন্দেহ নাই।

বৰ্ত্তমান জগতৰ শ্ৰেষ্ঠ জাতিবিলাকৰ লেখত সোমাবলৈ হলে, আমি ওপৰত উল্লেখ কৰা প্ৰথম দলৰ মতেৰে চলিব লাগিব। আজি কালিৰ জগতত এটা উন্নতশীল জাতি বুলি চিনাকি দিব লাগিলে, পৃথিৱীৰ আন আন জাতিয়ে যি নিয়মেৰে চলি উন্নত বোলাইছে, আমিও সেই দৰে নচলিলে উপায় নাই। পাশ্চাত্য

দেশৰ জাতিবিলাকে যি উপায়েৰে জগতত প্ৰধান প্ৰধান জাতি বুলি পৰিগণিত হৈছে, জাপানীবিলাকে যি উপায়ৰ দ্বাৰা ৫০ বছৰৰ ভিতৰতে এটা প্ৰসিদ্ধ জাতি হৈ পৰিল, টুৰ্কী, আফগানিস্থান আৰু চীনে যি উপায় অৱলম্বন কৰি উন্নত আৰু প্ৰসিদ্ধ হ'বলৈ ধৰিছে, সেই উপায়কে নধৰিলে, আমিও বৰ্ত্তমান যুগৰ শ্ৰেষ্ঠ জাতিবিলাকৰ শাৰীত উঠিব নোৱাৰোঁ। ভাৰতবৰ্ষক আজি কালিৰ সুসভ্য জগতৰ চকুত এখন সুসভ্য, উন্নত আৰু সমৃদ্ধিশালী দেশ বুলি জিলিকাব লাগিব; আৰু তাকে কৰিবলৈ, আমি সৰু সৰু সাম্প্ৰদায়িক পাৰ্থক্য এৰি দি হিন্দুৱে মছলমানে আৰু আন আন ধৰ্ম্মাৱলম্বী ভাৰতীয় জাতিসকলে গোটখাই এটা নতুন জাতি হৈ ওলাব লাগিব। এই হ'ল এটা আদৰ্শ।

আমি ওপৰত কৈ অহা দ্বিতীয়টো দলৰ আদৰ্শ ইয়াতকৈ বেলেগ। এওঁলোকে অকল পাশ্চাত্য সভ্যতাৰ গুণতে জগতত প্ৰসিদ্ধি লাভ কৰিব নোখোজে। এওঁলোকৰ মতেৰে ভাৰতবৰ্ষই এখন উন্নত শাৰীৰ দেশ বুলি আজিকালিৰ জগতৰ বিখ্যাত বিখ্যাত দেশবিলাকৰ মাজত ঠাই পাই প্ৰসিদ্ধ হব লাগে; কিন্তু সেই প্ৰসিদ্ধি পাশ্চাত্য সভ্যতাৰ সহায়েৰে নহয়, আমাৰ নিজ নিজ সভ্যতাৰ সহায়েৰেহে লাভ কৰিব লাগে। ভাৰতৰ জাতিবিলাকৰ একোটা প্ৰাচীন সভ্যতা আছে। এই সভ্যতা এই দল মানুহে এৰিব নোখোজে। এওঁলোকে কয় আমি হিন্দুৱে মছলমানে আৰু ভাৰতৰ আন আন জাতিয়ে একে মুঠ হৈ জগতৰ আগত ভাৰতবাসী বুলি থিয় হ'ম; কিন্তু, আমাৰ নিজ নিজ সম্প্ৰদায়ৰ মানুহ আমাৰ নিজ নিজ সভ্যতাৰ বিধানেৰেহে গঢ়ি লম। অৰ্থাৎ ভাৰতবৰ্ষত হিন্দু আৰু মছলমান আৰু আন আন সকলো সভ্যতা অক্ষুণ্ণ হৈ থাকিব লাগে, সকলোৰে পূৰ্ণ মাত্ৰাৰে উৎকৰ্ষ সাধন হব লাগে, সকলোৰে নিজ নিজ সকলো পাৰ্থক্য সম্পূৰ্ণৰূপে অটুটকৈ ৰাখিব লাগে।

এই দুদল মানুহৰ প্ৰথম দলক আমি উদাৰ নৈতিক আৰু পাচৰ দলক ৰক্ষণশীল বুলিছোঁ। ভাৰতৰ হিন্দু মছলমান আৰু আন আন সকলো সম্প্ৰদায়তে এই দুই দলৰে মানুহ আছে। দুয়োদলৰ উদ্দেশ্য সত্। কিন্তু তেওঁলোকৰ ভিতৰত আদৰ্শৰ প্ৰভেদ থকা বাবে আমাৰ অপকাৰ হৈছে। এই প্ৰভেদেই ভাৰতবৰ্ষৰ উন্নতিৰ বাটত বিঘিনি ঘটাইছে। উদাৰ-নৈতিক দলৰ উদ্যোগৰ ফলত, আমাৰ নিজ সভ্যতাৰ পাৰ্থক্য বা বিশেষত্ববিলাকলৈ অৱহেলা হৈ, সেইবিলাক লাহে লাহে এৰা পৰি আহিছে; আৰু বহুদিনৰ অভিজ্ঞতাৰ ওপৰত স্থাপিত আমাৰ সৰল সহজ আগৰ উদাৰতা, পৰোপকাৰিতা, ধৰ্ম্মপ্ৰাণতা প্ৰভৃতি ভাল ভাল গুণবিলাক এৰি আমি স্বাৰ্থপৰ, ঈশ্বৰত অবিশ্বাসী কপটীয়া, জড়বাদী আৰু ঐহিক সুখৰ আকাঙ্ক্ষী হৈ আহিছোঁ। আমি আজি হক্‌স্লে, টিন্‌ডেল, টল্‌ষ্টই, বথ্‌চাইল্ড হেন্‌ৰি ফৰ্ডৰ চিন্তাধাৰাৰ অনুগামী হব পাৰোঁ, কিন্তু ব্যাস বশিষ্ঠ, কপিল, যাজ্ঞবল্ক মোহম্মদৰ চিন্তাসূত্ৰৰ অধিকাৰী নহওঁ। উদাৰনৈতিক দলৰ নেতৃত্বই আমাক পাশ্চাত্য সভ্যতাৰ ওচৰ চপাই নিছে।

ইফালে আকৌ ৰক্ষণশীল দলৰ শিক্ষাই আমাৰ পুৰণি কালৰ জাতীয় সম্পদকে জগতত সৰ্ব্বোৎকৃষ্ট বুলি বুজাই দি পৃথিবীৰ আন আন জাতিৰ সম্পদৰ প্ৰতি বিৰাগ বা আওহেলা জন্মাই, আমাৰ মন বহল হবলৈ দিয়া নাই; আমাৰ পূৰ্ব্ব পুৰুষসকলৰ কৃতিত্বৰ গৌৰৱতে গৌৰৱান্বিত অনুভৱ কৰি বৰ্ত্তমান যুগৰ পাশ্চাত্য মনিষীসকলৰ কাৰ্য্য-কলাপ আৰু চিন্তাৰ ফলক যথোচিত সমাদৰ কৰিবলৈ আমাৰ আগ্ৰহ নোহোৱা কৰিছে। অৱশ্যে নিজৰ প্ৰাচীন জাতীয় গৌৰৱৰ কথা ভাবি অহঙ্কাৰ অনুভৱ কৰিব পৰাটো জাতীয় উন্নতিৰ পক্ষে অতিশয় লাগতিয়াল; কিন্তু জগতৰ নতুন নতুন জাতিৰ উন্নতিৰ ক্ৰম আৰু কাৰণলৈ চকু দিয়াটোও তাৰ পক্ষে সমানেই লাগতিয়াল। এই ৰক্ষণশীল দলৰ শিক্ষায়েই, সাংসাৰিক সুখ আৰু ঐশ্বৰ্য্যক অসাৰ আৰু অপ্ৰকৃত বুলি ভাবিবলৈ দেখুৱাই, এই কুৰি শতিকাৰ উন্নত জাতিবিলাকৰ শাৰীলৈ আমাক উঠিবলৈ দিয়া নাই। তদুপৰি, সকলো সম্প্ৰদায়েই নিজ নিজ সভ্যতা অক্ষুণ্ণ ৰাখি তাৰ উৎকৰ্ষ সাধন কৰিবলৈ যাওঁতে আমি আমাৰ ভিতৰতে ফেৰ মাৰি, অৰিয়া-অৰি কৰি, পৰস্পৰৰ বিৰোধী হৈ, মৰা-মৰি কটা-কটি কৰি মৰিছোঁহক। এই শিক্ষাৰ ফলতে, আমাৰ ভিতৰত এক শ্ৰেণীৰ



ঠগ, প্ৰৱঞ্চক, লম্পট "সাধু"ৰ সৃষ্টি হৈ সাধুতাৰ আমাৰ আগৰ ওখ আদৰ্শক কলঙ্কিত কৰিছে। সিদিনা কাগজত পঢ়িলো, অলপতে হেনো এজন "সাধুৱে" "মই পূৰ্ব্ব জন্মত নেপালৰ ৰজা আৰু তুমি মোৰ ৰাণী আছিলা; কৰ্ম্ম-সূত্ৰই আমাক এতিয়া আকৌ লগ লগাইছে" বুলি ফুচুলাই, তেওঁৰ শিষ্যৰ যুৱতী পত্নীক স্বামীৰপৰা আঁতৰ কৰি মুক্তি-পথৰ ওচৰ চপালে।

এইখিনি কথা কৈ আমি ইয়াকেহে বুজাবলৈ যত্ন কৰিছোঁ যে, উদাৰ নৈতিকে আমাক পাশ্চত্য সভ্যতাৰ ওচৰ চপাবলৈ আৰু ৰক্ষণশীলে দূৰলৈ নিবৰ নিমিত্তে পুৰুষাৰ্থ কৰিছে। এই দুই দলৰ আদৰ্শৰ ভিতৰত পাৰ্থক্য থকা বাবেই, কাৰ্য্যৰ ফলতো এনে পাৰ্থক্য ঘটিছে। কিন্তু, এই পাৰ্থক্যৰ বাবেই, আমি ভাৰতবাসীয়ে জাতীয় হিচাবে উন্নতিৰ জখলাত উঠাব পৰা নাই। এদলে আমাক টান মাৰি এফাললৈ এহোঁচোক নিয়ে যদি, ইদলৰ টানত আকৌ বিপৰীত ফাললৈ আমি এহোঁচোক যাব লগাত পৰিছোঁ। এইদৰে বিপৰীত দুফালৰ পৰা টনা-আজোৰাৰ ফলত, আমি এফাললৈকো বিশেষৰূপে আগ বাঢ়িব পৰা নাই।

এই দুই দলৰ আদৰ্শৰ মাজত নো এনে পাৰ্থক্য হবলৈ পালে কেনেকৈ? এই কথাৰ বিচাৰ কৰিবলৈ গলে আমি পাওঁ, দুই দলৰে উদ্দেশ্যৰ লক্ষ্যই বেলেগ বেলেগ। ইয়াক অলপ বহলাই ক'ব পাৰিলে ভাল হয়। উদাৰ নৈতিক দলৰ, ওপৰত কৈ অহা আদৰ্শটো হৈছে ইউৰোপীয় আৰু ৰক্ষণশীল দলৰ হৈছে প্ৰাচ্য। ইউৰোপীয় আৰু প্ৰাচ্য, দুই বিধ দৰ্শনৰ মতেই মানুহৰ লক্ষ্য হৈছে সুখ বা আনন্দ। কিন্তু, সুখ মানে ইউৰোপে বুজিছে ঐহিক আৰু এচিয়াক প্ৰাচ্য দৰ্শনে বুজিবলৈ শিকাইছে পাৰত্ৰিক মন-তুষ্টিক। সেই দেখি উদাৰ নৈতিক, অৰ্থাৎ ইউৰোপীয় ভাবাপন্নসকলৰ লক্ষ্য হৈছে ঐহিক সুখ আৰু ৰক্ষণশীল অৰ্থাৎ দেশীয় ভাবাপন্ন হিন্দু মছলমানসকলৰ হৈছে পাৰত্ৰিক সুখ। এই দুই দলৰ লক্ষ্য এনে বিভিন্নমুখী হোৱা বাবেই, এওঁলোকৰ আদৰ্শও বিভিন্ন হৈছে; আৰু তাৰেপৰা কাৰ্য্যৰ ফলতো এনে বিভিন্নতা দেখা গৈছে। ই সম্পূৰ্ণ স্বাভাৱিক কথা। স্বাভাৱিক নিয়ম মতে, এনে বিভিন্ন লক্ষ্যৰ কাৰ্য্যৰ বিভিন্ন ফল নহৈ নোৱাৰে।

এইখিনিতে এটা কথা কৈ থোৱাটো অপ্ৰাসঙ্গিক নহব। বৰ্ত্তমান জগতৰ স্বাধীন মছলমানসকলৰ কাৰ্য্য-কলাপলৈ চালে মনে ধৰে যে, ভাৰতবৰ্ষৰ মছলমানসকলো ইউৰোপীয় ভাবাপন্ন হোৱাটো কেৱল মাথোন সময় সাপেক্ষ। টুৰ্কী আৰু আফগানিস্থানত তিৰোতাৰ পৰ্দ্দা গুচিব, টুৰ্কীত ৰোমান আখৰ চলাব খোজাৰ বিপক্ষে বক্তৃতা কৰা মানুহক ধৰি আনি ফাটকত দিব আৰু আফগানিস্থানৰ ছোৱালীক চৰ্কাৰী খৰচত ইউৰোপত পঢ়িবলৈ পঠাব বুলি, আজি ১০ বছৰৰ আগেয়ে কোনে ভাবিছিল? এনেবিলাক নতুন ভাবে ভাৰতীয় মছলমানকো অনুপ্ৰাণিত নকৰিব বুলি কোনেও ডাঠি ক'ব নোৱাৰে। তেহেলেই খদ্দৰকে পিন্ধক বা বিলাতী চুটকে পিন্ধক, আমাৰ ৰাজনৈতিক নেতাসকলৰ সৰহ ভাগ ইউৰোপীয় ভাবাপন্ন। তেওঁলোকৰ অনেকেই, অলপ চেলু পালেই, এতিয়াই খদ্দৰ এৰি, বিলাতী চুট পিন্ধে; ভাবনাই চিন্তাই, আচাৰে-ব্যৱহাৰে, ৰীতিয়ে-নীতিয়ে তেওঁলোকৰ ভাৰতীয় ভাবতকৈ ইউৰোপীয় ভাবহে সৰহ। এতেকে, ভাৰতত যদি কেতিয়াবা স্বৰাজ হয়, তেনেহলে, আমাৰ এই ভাৰতীয় নেতাসকলেই নতুনকৈ আইন জাৰি কৰি, আমাৰ মাজত যে বলেৰে বিদেশী চালচলন নচলাব, তাৰ কি ঠিকনা আছে? এতেকে বৰ্ত্তমান শিক্ষিত ভাৰতৰ ঢাল উদাৰনৈতিক দলৰ ফাললৈ সৰহ বুলিলে, বঢ়াই কোৱা ন'হব।

এই দুই দলৰ মাজতে আৰু এক শ্ৰেণীৰ মানুহ আছে। এওঁলোকক মধ্যপন্থী বুলিব পাৰি। এওঁলোকে পাশ্চাত্য শিক্ষা পাইছে যদিও, পাশ্চাত্যসকলৰ দৰে পাৰত্ৰিক জীৱনটো অবিশ্বাস নকৰে; আৰু প্ৰাচ্য ভাবাপন্ন হৈও, ঐহিক সুখক অসাৰ বুলি নেভাবে। ঐহিক সমৃদ্ধি আৰু পাৰত্ৰিক সুখ, দুইটা লাভ কৰিব নোৱাৰিলে, এওঁলোকে মানুহৰ জীৱনৰ উদ্দেশ্য সফল হোৱা বুলি স্বীকাৰ নকৰে। প্ৰাচ্য আৰু প্ৰাতীচ্য দুইটা আদৰ্শৰ সামঞ্জস্য ৰাখি, এওঁলোকে এটা নতুন আদৰ্শৰ কল্পনা কৰে আৰু তাকেহে মনুষ্য জাতিৰ সম্পূৰ্ণ আদৰ্শ বুলি

ভাবে। এওঁলোকৰ মতেৰে, এই আদর্শ আগত লৈ চলিলেহে মানুহৰ পূর্ণ বিকাশ হ'ব পাৰে। মুঠতে, এওঁলোকে আগৰ পুৰণি ভেটিতে, পুৰণি শিলৰ খুটা কেইটাৰ লগতে নতুন সমল মিহলাই ন-কৈ ঘৰ সাজিবলৈ বিচাৰে। ওপৰত কোৱা ৩দলে আমাক যেনেকৈ ছুফাললৈ টানিছে, সেই দৰেই এই দলেও আন এফাললৈ টানিব লাগিছে।

এতিয়া তেনেহলে এই আকোৱা-আজুৰিৰ মাজত আমি আৰু কিমান দিন থাকিম? ইংৰাজ শাসনৰ এই ডুশ বছৰ আমাৰ এই দৰেই গল। এই দোধোৰ-মোৰৰ ফলত আমি একাললৈকো আগ বাঢ়িব পৰা নাই। ইয়াৰপৰা আমাৰ জাতীয় উন্নতিৰ বাটত নানা তৰহৰ বাধা বিঘিনি ঘটিছে। ভাৰতবর্ষক এখন সুসভ্য, উন্নত আৰু ক্ষমতাশালী দেশ বুলি চিনাকি দিবলৈ হলে, ওপৰত উল্লেখ কৰা তিনিওটা আদর্শৰ ভিতৰৰ প্রকৃততে যিটোৱেই ভাল, তাকে কৰামুঠীয়াকৈ ধৰি লৈ, তাৰ মতেই আমি নব্য ভাৰত গঢ়ি উলিয়াব লাগিব। যদি ঐহিক সুখেই শ্রেষ্ঠ, তেনেহলে নব্য ভাৰতক আমি ন-কৈ ইউৰোপীয়া সাঁচত ঢালি লব লাগিব; আৰু তাকে কৰিবলৈ, আমি উদাৰনৈতিক দলৰ বিধান মতে চলিব লাগিব। যদি পাৰত্রিক সুখহে মনুষ্য জীৱনৰ আচল উদ্দেশ্য হোৱা উচিত, তেনেহলে প্রাচ্য সভ্যতাৰ আদর্শ মতেহে আমি মানুহ গঢ়িব লাগিব; আৰু তাৰ অৰ্থে, আমি ৰক্ষণশীল দলৰ কথামতে চলিব লাগিব। এই পাচৰ আদর্শ আমাৰ লক্ষ্য হলে কিন্তু, আমি হিন্দু মছলমান আদি সকলো সম্প্রদায়ে সকলো সাম্প্রদায়িক বাদ-বিশম্বাদ পৰিত্যাগ কৰি, মিলেৰে সকলো সম্প্রদায়ৰে নিজ নিজ সভ্যতাৰ উন্নতি সাধন কৰবলৈ দিব লাগিব। আৰু যদি এই দুইটা আদর্শৰ সামঞ্জস্য ৰাখি, ঐহিক আৰু পাৰত্রিক দুই বিধ সুখকে মনুষ্য জীৱনৰ লক্ষ্য কৰি লোৱাটো উচিত, তেনেহলে মধ্যপন্থীসকলৰ আদর্শ মতে আমি নতুনকৈ মানুহ গঢ়ি উলিয়ালেহে আমাৰ প্রকৃত উন্নতি হব।

ওপৰত উনুকিওৱা উদাৰ নৈতিক, ৰক্ষণশীল আৰু মধ্যপন্থী, এই তিনিও দলৰ ভিতৰত কাৰ পথ শ্রে- তাক বিচাৰ কৰা এই সৰু প্রবন্ধৰ উদ্দেশ্য নহয়। কেউটাৰ ভিতৰত যিটোৱেই ভাল, সেইটোকে আমি অৱলম্বন কৰা উচিত, এয়েহে মাথোন আমাৰ বক্তব্য। তিনিওটা পথৰ গুণাগুণ বিচাৰ কৰি, কোনোবা এটাৰ শ্রেষ্ঠতা নির্দ্ধাৰণ কৰা আমাৰ নিচিনা ক্ষুদ্র বুদ্ধিৰ মানুহৰ কাম নহয়। ইয়ালৈ সূক্ষ্ম বুদ্ধি লাগে, অতিশয় বিচাৰ শক্তি লাগে, বিচক্ষণ অভিজ্ঞতা লাগে আৰু অসীম দীর্ঘ দৃষ্টি লাগে। এই কাম ভাৰতবর্ষৰ মহা মহা লোক- নায়কসকলৰ। তেখেতসকলে গাইপতি বিভিন্ন মার্গ এৰি, সকলোৱে গোটখাই নিস্বার্থ মনেৰে বিচাৰ কৰি, দেশ কাল পাত্র সকলো পাৰিপাৰ্শ্বিক অৱস্থালৈ চাই কোনটোনো আচলতে ভাল পথ তাক বাছি নির্দ্ধাৰি কৰি, সেই মতেই ভাৰতবাসীক চলাবলৈ নধৰিলে ভাৰতবর্ষৰ জাতীয় উন্নতিৰ ভবিষ্যত উজ্জ্বল বা আশাপ্র- বুলি মনে নধৰে।

---

# আইনৰ কথা।

আন এখন কাকতত "আইন বেআইন" শিতান দি এটা প্রবন্ধ লেখিছিলোঁ। এতিয়া ইয়াত আইনৰ কথা অলপ কওঁ।

মৃত্যু দণ্ডই প্রধান দণ্ড। জীৱনতকৈ মূল্যবান বস্তু নাই। এই দণ্ড ইংলণ্ডত যে কি নির্দ্দয় ভাবে দি- হৈছিল! এই এশমান বছৰৰ আগেয়ে প্রায় সকলো দোষতে মৃত্যু দণ্ড আছিল। পাঁচ খিলিং দামৰ বস্তু চু- কৰিলে মৃত্যু দণ্ড দিয়া হৈছিল। সেই কাকতখন



(আসাম হিতৈষীত) এনেবোৰ দোষৰ এখন তালিকা দিছিলোঁ। এতিয়া মাথোন চাৰিটি অপৰাধৰ নিমিত্তেহে মৃত্যু দণ্ডৰ বিধান হয়।

"খুন" কৰা অপৰাধত মৃত্যু দণ্ড দিয়া হয়। জুৰি মহোদয় (আজিকালি মহোদয়াও, কিয়নো আজিকালি তিৰোতাৰো জুৰিৰ সভ্যা হ'বৰ অধিকাৰ আছে) সকলে আচামীক খুনৰ অপৰাধৰ জগৰীয়া সাব্যস্ত কৰিলেই মৃত্যু দণ্ড দিয়া হয়। তাৰ পাচত "হোম চেক্রেটাৰী"য়েহে (Home Secretary) ইচ্ছা কৰিলে ক্ষমা কৰিব পাৰে। ভাৰতত হলে যাৱজ্জীৱন কাৰাবাস দিবৰো জজৰ অধিকাৰ আছে।

"ৰাজদ্রোহ" (Treason) অপৰাধৰ বাবেও মৃত্যু দণ্ড দিয়া হয়।

এই যুদ্ধৰ সময়ত চাৰ ৰজাৰ কেসমেণ্ট (Sir Roger Casement) নামে এজনক এই অপৰাধৰ বাবে মৃত্যু দণ্ড দিয়া হয়। ইয়াৰ পাচত আৰু হোৱা নাই। আশা কৰোঁ আৰু নহয়ো। জজ আছিল আমাৰ ভাইচৰয় (বৰ লাট) লর্ড ৰেডিং। এই জজে যি আইনৰ ব্যাখ্যা কৰি জুৰিক বুজাইছিল, (Summing up) সেই ব্যাখ্যা সকলোৱে পঢ়া ভাল। তেওঁ তাত বহুত কথাৰ মাজত এই কথা কৈছিল যে সকলো বিচাৰাধীন "আচামী"ৰ ব্যাৰিষ্টৰৰপৰা সহায় পাবৰ অধিকাৰ আছে; যি কোনো দোষকে সি কৰক বা নকৰক।

এটি কথা, বহু দিন আগেয়ে কোনো কোনো দোষৰ অপৰাধীয়ে ব্যাৰিষ্টৰৰ সহায় নেপাইছিল। তাৰ পাচত ব্যাৰিষ্টৰৰ সহায় পাইছিল কিন্তু জজৰ আগত আচামীয়েই শেষ বক্তৃতা দিছিল। অৱশ্যে এই শেষ বক্তৃতা ব্যাৰিষ্টৰেই লিখি দিছিল। এতিয়া ব্যাৰিষ্টৰৰ সহায় লবৰ সকলো অপৰাধীৰে অধিকাৰ। এই বিষয়ে পাচত কম।

সমুদ্র-ডকাইতি (Piracy) আৰু ৰজা-ঘৰীয়া বন্দুক গুলি বাৰুদ তৈয়াৰ কৰা থাব-ঘৰত জুই লগালে ফাঁচি দিয়া হয়।

কিন্তু এই মৃত্যুৰ দণ্ড বদ কৰাৰ বিষয়ে আজিকালি সকলো ঠাইতে আন্দোলন চলিছে। কোনো কোনো ঠাইত ই বদ হৈছেও।

আপোনাসকলে 'অস্কাৰ শ্লেটাৰ' (Oscar Slater) বুলি এটি মানুহৰ বিষয়ে নিশ্চয় পঢ়িছে। এই মানুহটিক ১৯০৮ খৃষ্টাব্দত ফাঁচি দিবৰ হুকুম হয়। পাচত বহুত মানুহে দৰ্খাস্ত দিয়াত বহুত ভাবি চিন্তি যাৱজ্জীৱন কাৰাবাসৰ হুকুম ৰজা ঘৰৰপৰা দিয়ে। এই সিদিনা ওঠৰ বছৰৰ পাচে এই মানুহটিক এৰি দিয়া হয়। কিয়নো এতিয়া জনা গৈছে যে এই মানুহটি নির্দ্দোষী। ৰজা ঘৰৰপৰা প্রায় একলাখ টকা পুৰস্কাৰ শ্লেটাৰক দিয়া হয়। কিন্তু লাখ টকাই ওঠৰ বছৰক ওভোতাই আনিব পাৰিবনে? এই মূল্যবান ওঠৰ বছৰক? যি হওক ফাঁচিৰ হুকুম বদ হোৱাৰ বাবেহে ই ৰক্ষা পৰিল। নহলে? ফাঁচি দিয়া হেতেন? ভাবি চাওক।

শ্লেটাৰৰ নিমিত্তে কোনো কোনো গণ্য-মান্য মানুহে বৰকৈ খাটিহে তাক উদ্ধাৰ কৰিলে। তাৰে ভিতৰৰ প্রধান হৈছে শ্বাৰলক হোমচৰ (Sherlock Holmes) সৃষ্টিকর্ত্তা স্যৰ কনান ডইল (Sir Conan Doyle). ইদানজী বুলি এজন ভাৰতবর্ষীয় মানুহকো দণ্ডৰ পাচত তেওঁ বহুত যত্ন কৰি নির্দ্দোষী সাব্যস্ত কৰাইছিল। ইদানজীৰ অপৰাধ আন আছিল। এনে ডাঙৰ মানুহসকল ব্রিটেনত আছে বুলিহে নির্দ্দোষী মানুহবোৰে পৰিত্রাণ পায়। অৱশ্যে এই কথা মই কেতিয়াও নকওঁ যে শাস্তি পোৱা সকলো মানুহেই নির্দ্দোষী। এই দোষী মানুহৰ ভিতৰত কেতিয়াবা ছুটা এটা নির্দ্দোষী মানুহেও শাস্তি পায়। এনে ছুটা এটা মানুহেও শাস্তি পোৱা অন্যায়।

বেক্ (Adolf Beck) বুলি এজন মানুহে দুবাৰ অন্যায়ৰূপে শাস্তি পায়। প্রথম বাৰ আন এটা মানুহৰ দোষৰ বাবে, দ্বিতীয় বাৰ আগৰ দোষী বুলি। অথচ দুবাৰৰ এবাৰো বেক্ দোষী নহয়। যি মানুহটোৱে সেইবোৰ দোষ কৰিছিল সি ধৰা পৰিল। বেকে মুক্তি পালে। পাচত গবর্ণমেণ্টে বহুত টকা পুৰস্কাৰ দিয়ে। এই বেকেও ১৫।২০ বছৰমান শাস্তি ভুগিলে।

ভাৰত আৰু ইংলণ্ডত যাৱজ্জীৱন কাৰাবাস বুলিলে কুড়ি বছৰ বুজায়। অৱশ্যে সেইটো ৰজা ঘৰৰ হাতত।

তেখেতসকলে মুক্তি নিদিবও পাৰে কিন্তু দিয়ে। আমেৰিকাত কিন্তু কুড়ি বছৰ কাৰাবাসৰ হুকুম দিও সিদিনা দুটি ক্ৰোড়পতিৰ ল'ৰাক ৯৯ (নিৰান্নব্বই) বছৰৰ শাস্তি দিয়া হ'ল। কেনে? কিন্তু আমেৰিকাৰ বহু ঠাইত আজি কালি মৃত্যু দণ্ড দিয়াৰ বিৰুদ্ধে বহুত মানুহ ওলাইছে; সেই গুণে যিমান দূৰ পৰা যায় মৃত্যু দণ্ড দিয়া নহয়।

এতিয়া ইউৰোপৰলৈ যাওঁহক। অষ্ট্ৰিয়াত ১৯১৮ খৃষ্টাব্দৰপৰা মৃত্যু দণ্ড দিয়া বন্ধ হৈছে কিন্তু দেশৰ বিশেষ অনিষ্ট হ'বৰ আশঙ্কা থাকিলে বিশেষ আইনৰ দ্বাৰা সেই বিপদৰ সময়ৰ নিমিত্তে মৃত্যু দণ্ড দিয়া যাব পাৰে। কিন্তু সেই বিপদৰ সময়তহে। আন সময়ৰ নিমিত্তে নহয়।

১৮৬৩ খৃষ্টাব্দৰপৰা বেলজিয়মত কোনো মানুহক মৃত্যুৰ দণ্ড দিয়া হোৱা নাই, যদিও আইনত আছে। জৰ্ম্মেন যুদ্ধৰ সময়ত কেইটামান জৰ্ম্মেণে বেলজিয়মৰ মানুহক খুন কৰিছিল। সেই দোষত সিহঁতক মৃত্যু দণ্ড দিয়া হৈছিল কিন্তু আইনৰ মন্ত্ৰী জনাই, আন সময়ত যেনে কৰে, মৃত্যুদণ্ড ৰহিত কৰি যাবজ্জীৱন কাৰাবাসৰ হুকুম দিলে।

ডেন্মাৰ্কত ১৮৯২ চনৰপৰা কাকো এই দণ্ড দিয়া হোৱা নাই। ফ্ৰান্সত যিমান মানুহক মৃত্যু দণ্ড দিয়া হয় আটাইকে সেই শাস্তি দিয়া নহয়। জন প্ৰতিনিধিয়ে (প্ৰেচিডেণ্টে) প্ৰায় সকলো সময়তে তেওঁৰ কৃপাশক্তিৰ (Prerogative of mercy) বলেৰে মৃত্যু দণ্ড বন্ধ কৰে। কিন্তু সকলো সময়তে নহয়।

হলেণ্ডত ১৮৭০ খৃষ্টাব্দৰপৰা মৃত্যু দণ্ড বন্ধ। ১৮৫০ ৰ পৰা ১৮৭০ লৈকে দুজনেহে এই দণ্ড ভুগিব লগীয়া হৈছিল। ইটালীত ১৮৭৭ৰ পৰা মৃত্যু দণ্ড দিয়া হোৱা নাই। ১৮৮৯ খৃষ্টাব্দৰপৰা মৃত্যু দণ্ড দিয়াৰ আইনেই নাই নৰৱেত ১৮৭৫ৰ পৰা বন্ধ। ১৯০৫ খৃষ্টাব্দৰপৰা আইনেই দিব নোৱাৰে। পৰ্টুগেলত ১৮৬৭ৰ পৰা মৃত্যু দণ্ড বন্ধ।

ৰুমানিয়াত ১৮৬৫ৰ পৰা বন্ধ। চুইডেনত ১৯২১ৰ পৰা বন্ধ; কিন্তু জাতীয় বিপদৰ আশঙ্কা হ'লে অষ্ট্ৰিয়াৰ দৰে মৃত্যু দণ্ড সেইখিনি সময়ৰ নিমিত্তে দিব পাৰে।

সুইট্জাৰলেণ্ডত ১৮৭৪ৰ পৰা আইনে বন্ধ কৰিছে। দেশখনক পঁচিশ ভাগ কৰি বিভাগ কৰা হৈছে। ইয়াৰে ১৫ খনত মৃত্যু দণ্ড একেবাৰে ৰহিত হৈছে। আৰু বাকী দহখনত চল্লিশ বছৰত সাত জনেহে মৃত্যু দণ্ড ভুগিব লগীয়া হৈছে। এই বিভাগবোৰক আইনে দণ্ড দিব লগীয়া হলে দিব পাৰে বুলি আদেশ দিয়াত হে এনে হৈছে।

আমেৰিকাৰ যুক্ত ৰাজ্যৰ (ইউনাইটেড্ ষ্টেট্স্) আঠখন ৰাজ্যৰপৰা মৃত্যু দণ্ড উঠাই দিয়া হৈছে। মিচিগান্ ৰোড্, আইলেণ্ড, উইস্কন্সিন্, মেইন, কেন্সাস্, মিনিষ্মোটা, নৰ্থ ডেকোটা, চাউথ ডেকোটা, সাতখন ৰাজ্যত এতিয়াও মৃত্যুদণ্ড দিয়া হয় আৰু বাকী তেত্ৰিশখনত আদালতে মৃত্যু দণ্ডৰ হুকুম দিলে দিব পাৰে, কিন্তু নিদিয়ে।

আমেৰিকাৰ আন বহু ঠাইত মৃত্যুদণ্ড দিয়া বন্ধ হৈছে। কিন্তু ভাৰতত কেতিয়া হব? মফস্বলত জজ্বোৰে মৃত্যুদণ্ড দিলে আমাৰ হাইকোৰ্টৰ সেই মৃত্যুদণ্ড থিৰাং (Confirm) কৰি দিব পৰা অধিকাৰ থকাৰ গুণে বহুত আচামীয়ে ৰক্ষা পায়। মৃত্যু দণ্ড দিলে সিপুৰীৰপৰা আৰু কোনো উভতি আহিব নোৱাৰে। যদি নিৰ্দ্দোষী মানুহক মৃত্যু দণ্ড দিয়া হয়, তেনেহলে? অস্কাৰ প্লেটাৰৰ কথা ভাবিলে মৃত্যু দণ্ড বন্ধ হোৱাকে ভাল যেন ভাবোঁ।

অস্কাৰ প্লেটাৰৰ কথাই মুঠেই অকল নহয়। আইনৰ বাটে ঘাটে আলিয়ে পদূলিয়ে এনেবোৰ উদাহৰণ আৰু বুটলি পাব পাৰি।

শ্ৰীজ্ঞানদাভিৰাম বৰুৱা।

# আমাৰনো আৰু কেতিয়া জ্ঞান হ'ব?

সিদিনা এঠাইত এখন চিঠি দেখিলো; পাঠক সকলে পঢ়ি চাওক:—

শ্ৰদ্ধেয় মহাশয়।

যথাবিহিত সম্মানপুৰঃসৰ নিবেদনমেতৎ—

আগামী ১১ই অগ্ৰহায়ণ মঙ্গলবাৰ শুভ ৰাসপুৰ্ণিমাৰ দিন সমগ্ৰ বড়োজাতির মঙ্গলাৰ্থ স্বকীয় সমাজ ও ধৰ্ম্মসংস্কার নিমিত্ত হিন্দু মিশন ও স্থানীয় ভদ্ৰ মহোদয়গণের উদ্যোগে একটি ধৰ্ম্ম সংস্কাৰ যজ্ঞ ও উৎসব সম্পন্ন হইবে। অতএব বড়ো সম্প্ৰদায় ও অন্যান্য হিন্দু সম্প্ৰদায় সকলকে আমরা এই উৎসবে যোগদান করিতে সাদরে আহ্বান করিতেছি; আশাকরি সকলে এই সৎকাৰ্য্য- স্বব্ৰত বড়ো জাতির সমাজ ও ধৰ্ম্মের উন্নতি কল্পে যোগদান করিয়া বাধিত ও উৎসাহিত করিবেন। ইতি তাং ২।৮।৩৫

বিনীত নিবেদক—

ব্ৰহ্মচারী উপেন্দ্ৰকৃষ্ণ, কাৰ্য্যাধ্যক্ষ—

গৌরীপুর হিন্দু মিশন, (আসাম)।

স্থান—পুঁটীমারী গ্ৰাম।

(রেলওয়ে ষ্টেশন ফকিরাগ্ৰাম)

কাৰ্য্য বিবরণী—

প্ৰাতে ৭ টা হইতে ৯ টা পৰ্য্যন্ত কীৰ্ত্তন।

৯ টা " ১২ টা " যজ্ঞ, পূজা গীতাপাঠ ইত্যাদি।

১২ টা হইতে অপরাহ্ন ৪ টা পৰ্য্যন্ত প্ৰসাদ বিতরণ।

৪॥০ হইতে ৬॥০ টা পৰ্য্যন্ত ধৰ্ম্ম-সভা।

৬॥০ " ৯॥০ " কীৰ্ত্তন, ধৰ্ম্মসঙ্গীত ইত্যাদি।

চিলঙ্গতো তিনি হাজাৰমান খাছিয়া মানুহ হিন্দু হৈছে। এওঁলোকৰ মাজতো আমাৰ কৰ্ম্মী লাগে, তালৈ আমাৰ কোনো আগ বাঢ়োতা নোলাল। ইফালে কিন্তু সেই বুলি লোকে বহি থকা নাই। কিয় থাকিব? ই সৃষ্টিৰ নিয়মেই; বাঢ়িবলৈ সকলোৱে ধাউতি কৰে।

খাছিয়াই যিহকে খাওক, যিহকে পিন্ধক, আৰু খাছিয়াৰ বেলেগ ধৰ্ম্ম আৰু বেলেগ দোৱান এটা আছে যদিও খাছিয়াৰ সভ্যতাটো হ'লে অসমীয়া সভ্যতাৰেপৰা ফাটি ওলোৱা—এই কথাটো কাকো চকুত আঙুলি দি দেখুৱাব নেলাগে। তথাপি কিন্তু এই মানুহবিলাকক আমাৰ জাপত ৰাখিবলৈ আমি কোনেও একো নকৰিলোঁ, কোনেও একো নিচিন্তিলোঁ, কোনেও একো নেভাবিলোঁ। অৰ্থাৎ সেই ফালে জানিবা এছোৱা ছিগি যাবলৈ আমি হেলাৰাঙ্গে এৰি দিলোঁ।

ইফালে আকৌ বড়ো সম্প্ৰদায়টো অসমীয়া। বড়ো মানুহখিনিয়ে উজান ফালৰ মানুহে সৈতে চলাচল বঢ়াবলৈ হেপাহ কৰিব লাগিছে, তাকো সকলোৱে জানে। তেনে হলে, তেওঁলোকৰ এইবোৰ কথাত আজি লোকে হাত দিবহি লগীয়া হ'ল কিয়? ধৰ্ম্মৰ মুখা পিন্ধি লোকে আমাক গিলোঁ বুলি আহিবলৈ চল পালে কিয়?—এই কাম হাতত লওঁতা আমাৰ কোনো নোলাল দেখি। এতেকে, এই কালেও আমি একো নকৰিলোঁ। কোনো কোনোৱে কিবা কৰিবলৈ ধৰা যেন দেখি, অলপ কিবা হ'ব বুলি আশা কৰিছিলো; কিন্তু লেখত কাৰোপৰা একো নেপালোঁ। আপুনি এইফালেও আমাৰ এডোখৰ ছিঙ্গি নিয়েহে লাগে।

কোচ্বিহাৰলৈ অসমীয়া সাহিত্যৰ সম্পৰ্কে অনুসন্ধান কৰিবলৈ এগৰাকী মানুহ পঠোৱা হ'ল। তেখেতে অনুসন্ধান কৰি পালেগৈ যে অকল কোচ্বিহাৰতে নহয়, কোচ্বিহাৰৰ বাহিৰেও আমালৈ বহল কাৰ্য্যক্ষেত্ৰ পৰি আছে। তেখেতৰ অনুসন্ধানৰ ফল ছপা হৈ ওলাল; আমি কোনোৱে পঢ়ি চালোঁ, কোনোৱে নেচালোঁ; সি ওলোৱা ভাৱেই কাগজতে থাকিল।

কোচবিহাৰৰ কথা বাৰু এৰিছোৱেই। ওপৰত উল্লেখ কৰা খাছিয়া আৰু বড়োৰ ঘটনা দুটাকে ধৰা হওক। অসমীয়াৰ জাতীয় উন্নতিৰ বতাহ কোন ফাললৈ বলিছে, এই ঘটনা দুটাৰেপৰা আপুনি ওলাই পৰা নাইনে? প্ৰত্যক্ষে অসমীয়া সাহিত্যৰ আৰু পৰোক্ষে অসমীয়া

জাতিটোৰ প্ৰসাৰ বঢ়াবলৈ, এনেবিলাকেই আচল কাম। ইয়াৰ চাৰি সীমাতো ভৰি দিদি, বাহিৰে বাহিৰে প্ৰবন্ধ লিখি বা সভা সমিতি পাতি ফুৰিলেই ঘাই কাম আগ নেবাঢ়ে। সচাঁকৈয়ে যদি আমাৰ বেলেগ অস্তিত্ব এটা ৰখাটোৱেই সকলোৰে বাঞ্ছা, তেনেহলে, এনেবিলাক কামলৈ আমি স্বাৰ্থ ত্যাগ কৰি আৰু ক্ষতি স্বীকাৰ কৰিও আগ বাঢ়িব লাগে। আৰু যদি সেইদৰে আগবাঢ়োঁতা কোনো নোলায়, তেনেহলে আমি সেই বাঞ্ছা এৰি দি, নৈৰ সোঁতত উটি যোৱা কুটাৰ দৰে, গা এৰি দিব লাগে; সোঁতত ভেটা দিবলৈ যাওঁ বুলি মিছাকৈয়ে লোকক দেখুৱাৰ কোনো প্ৰয়োজন নাই; সোঁতে আপুনি উটাই নি য'ত পেলাই দিয়েগৈ, তাতে পৰি মিহলি হবলৈ চকু কাণ জপাই উটি গৈ থাকিলেই হয়। ইয়াকে আমি আজিলৈকে নেদেখিলোঁ বা দেখিও ইয়ালৈ কাণ নকৰিলোঁ! আমাৰনো আৰু কেতিয়া চকু গজিব? কেতিয়া কথা গাত লাগিব? আমিনো কেতিয়া হুঁচ পাম?—আমাৰনো আৰু কেতিয়া জ্ঞান হ'ব? পাঠক কওকচোন,—কেতিয়া?

---

# জাপানী যোজোনা বা পটন্তৰমালা।

[ উন্নতিশীল জাপানে আজি গোটেই সভ্য-জগতৰ চকুত চমক লগাইছে। জাপানী পটন্তৰৰপৰা আমি শিকিবলগীয়া ভালেমান কথা আছে; গতিকে তাৰে কিছুমান পটন্তৰ ইংৰাজীৰপৰা ভাঙনী কৰি তলত দিলোঁ।—লিখক। ]

ডুবাৰত টানকৈ সঁচাৰ-কাঠী মাৰিলেও বিপদে সোমাবলৈ বাট পাব।

•

আঠজন মানুহ থকা গাওঁ এখনতো সাধাৰণতঃ দেশ-হিতৈষী এজন পোৱা যায়।

•

দোহোৰাই কথা কলে দন্দ লাগে।

•

কণা মানুহলৈ সকলো ৰং একে।

•

যুঁজ অন্ত হোৱাৰ পাচত লাগুটি কাটিলে লাভ নাই।

•

প্ৰতিধ্বনিয়ে মাতৰ উত্তৰ দিয়ে।

•

পুণ্যৱন্ত মানুহে সৰহ ধন আৰ্জ্জিব নোৱাৰে।

•

বেয়া বোৱাৰী এহাজাৰ ভূততকৈও নিকৃষ্ট।

•

ডুটা শহা-পহু মাৰোঁতাই এটা এৰি থৈ আনটোও হেকৱায়।

•

এটা খোঁটালীত দুখন জুই থাকিলে দুই কুৰাই পোৰাব।

•

যি মানুহে অদৰকাৰী বস্তু কিনে, সি দৰকাৰী বস্তুও বেচি পেলায়।

•

যোদৰ কাৰ্য্য প্ৰণালী কাঁইটৰ জেওৰাৰ দৰে।

•

যাৰ ভাগৰ লাগে তালৈ এমাইলেই দুৰ।

•

বলী হৈ খটাসুৰ নোহোৱাটো বৰ টান কথা।

•



সৰ্ব্বসাধাৰণতঃ আটাইতকৈ দুষ্ট মানুহে তীৰ্থলৈ যোৱা চমু বাট চিনি পায়।

•

যদি বৃদ্ধক প্ৰাৰ্থনা কৰিব খোজা তেন্তে এজনক মাথোন প্ৰাৰ্থনা কৰিবা।

•

সাপ, মিঠামুখীয়া মানুহ আৰু অভিলাষিণী তিৰোতা, এই তিনটি পৰিহাৰ কৰিবা।

•

কোনো মানুহে সোণ চুৰ কৰিলে সি ফাটক খাটে, কিন্তু মাটি চুৰ কৰিলে তাক ৰজা পতা হয়।

•

বেয়া কুমাৰৰ চাকৰপৰা নিমজ পাত্ৰ কেতিয়াও ওলোৱা নাই।

•

সস্তাত বস্তু কিনিলে ধন হেৰুওৱা হয়।

•

ম'ৰা চৰাইৰ ধুনীয়া ফানৰ শলাগ লোৱা দেখি চৰাইবোৰে একেস্বৰে কৈ উঠিল, "তাৰ ঠেঙলৈ চোৱাচোন! আৰু মাতটোৱেই বা কেনে?"

•

অহা বছৰত কি কাম কৰিবা, বছৰৰ আৰম্ভতে থিৰ কৰিবা; প্ৰথম দিনাৰপৰাই তোমাৰ গৃহিণীক শুধৰাবা।

•

মিছা কথাৰ ঠেং নাই, কিন্তু কলঙ্কিত ডেউকা আছে।

•

খেমালিৰ সঁজুলি বজাৰত সস্তা, কিন্তু খেল-মাটিত আমোদজনক।

•

তোমাৰ ফালৰ সাতোটা লৰা-ছোৱালীৰ মাক হোৱা তিৰোতাকো কেতিয়াও বিশ্বাস নকৰিবা।

•

কোনো কাম নকৰিলে বেয়া কাম কৰা হয় মাথোন।

•

শিলডোখৰে কুকুৰক আঘাত কৰিব পাৰে, কিন্তু দলি মাৰি পঠিওৱা হাতখনৰ সমানে নহয়।

•

ভাল পোৱাই খেতিয়ক আৰু মিকাডোৰ ভিতৰত পাৰ্থক্য কি তাক নুবুজে।

•

সম্ভোগতকৈ আশাত বেচি আনন্দ।

•

বাটৰ কাষত থকা ফলৰ ভৰত দোঁ খোৱা আখৰোট্-গছজোপা তিতা হোৱাৰে কথা।

•

ককাই-ভায়ে ঘৰৰ ভিতৰত চোৰৰ দৰে দন্দ কৰে, কিন্তু বাহিৰত ইটোৱে সিটোক ৰক্ষা কৰিবৰ কাৰণে তৰোৱাল দাঙি ধৰে।

•

ভাত নোহোৱাকৈ খোৱা এবেলাৰ আহাৰে এসপ্তাহলৈ থকা সুখ ধ্বংস কৰে।

•

নৰকৰ ৰজায়ো শকত ধনৰ সোনাৰ আগত আঁঠু কাঢ়ে।

•

হাতৰ বিদ্যা জনা কামিলা মানুহে জীৱিকা বিচাৰি ভালেমান দূৰলৈ যাব নালাগে।

•

নিচেই সৰু বিন্ধাইদিও দিনৰ পোহৰে ভুমুকিয়ায়।

•

শেনৰ কাষেদি উৰি যোৱা ঘনচিৰিকাই শেন পলাইছে বুলি ভাবে।

•

উকমা ঘৰৰ চালতহে আটাইতকৈ ডাঙৰ বৰষুণ পৰে।

•

য'ত লাভ আছে, তাত ওচৰতে লোকচানো লুকাই আছে।

•

বাটৰ কুকুৰৰো সৌভাগ্যৰ দিন আছে।

*

নৈত উপজিলে নৈতে মৰে।

*

শুদা পেটেৰেনৈতে সুখে কাচিৎহে সঙ্গ কৰে। (অৰ্থাৎ ৰাহি নাহে।)

*

বাটৰ কুকুৰেও আন ছাৰি দুখীয়া মানুহৰ ঘৰ চিনে।

*

ডাঙৰ মানুহ হলে তেওঁৰ কুকুৰেও অভিমানৰ ৰূপ ধৰে।

*

তেজে যেনেকৈ মাখিক আৰ্কষণ কৰে, ভেৰোণীয়া মানুহৰ চকুও ধনে তেনেকৈ আকৰ্ষণ কৰে।

*

কিছু দিন ভাত নোখোৱাকৈ চলিবা, তথাপি ধাৰত বেচি দিন পোত খাই নাথাকিবা।

*

যাৰ নাটনি নাই, তাৰ অন্যায় কাচিৎহে হয়।

*

ঘোৰাত উঠি যোৱা মানুহে খোজ কাঢ়ি যোৱা মানুহ দুখ সমূলি নুবুজে।

*

যিবোৰ মানুহে কপালক দুষি থাকি অসন্তোষ কৰে সিহঁতে আন কি, বেলিকো পক্ষপাতিতা-দোষত দোষী কৰে।

*

অনুতাপ নকৰা মানুহক ক্ষমা কৰা যেনে, পানীত ছবি আঁকাও তেনে।

*

সোণৰ গুটি থকা কোনো গছ নাই।

*

জধলা বেজক মাতি অনাতকৈ দৰব নোখোৱাই বৰ ভাল।

*

(ক্ৰমশঃ)

শ্ৰীমহানন্দ বৰুৱা।

---

# সাহিত্য-সেৱাত লাভ কি ? *

লাভ-লোকচান নভবাকৈ কোনো কামকে মানুহে হাতত নলয়। আগতে লাভ-লোকচান চিন্তা, পাচতহে কৰ্ম্মানুষ্ঠান ; যদিও ফলাফলৰ ওপৰত মানুহৰ একো হাত নাই। সাহিত্য-সেৱাতো অৰ্থাৎ সাহিত্যৰ উন্নতিৰ অৰ্থে সাহিত্য-চৰ্চ্চা আৰু অন্যান্য কাম কৰাত কিবা লাভ আছেনে নাই এই প্ৰশ্ন কেতিয়াবা মনত উদয় হয়, আৰু অনেকে সময়ে সময়ে এনে প্ৰশ্ন কৰাও শুনা যায়। গতিকে এই প্ৰবন্ধত সেই বিষয়ে দুই এটা কথা আলচ কৰিবলৈ ইচ্ছা কৰিলো।

হিত সহ বা হিতে সৈতে যি, সি সহিত। সহিত+ষ্ণ =সাহিত্য। হিতবাক্যৰ সমষ্টিৰ সুলিখিত অৱস্থাই সাহিত্য। মানুহৰ মনৰ উৎকৃষ্ট ভাৱৰাজিক সুন্দৰ সুশৃঙ্খল ভাষাত প্ৰকাশ কৰি লিখিব পাৰিলেই সাহিত্য বস্তুৰ সৃষ্টি হয়। সাহিত্যই মানুহৰ ঐহিক আৰু পাৰত্ৰিক হিতসাধন কৰে কাৰণেই সাহিত্য। সাহিত্যৰ আশ্ৰয় লৈয়ে মানুহে মনুষ্যত্ব লভিব পাৰিছে। কাৰণ মানুহৰ মনুষ্যত্ব-বিকাশ কোনো এক জন্মত বা পুৰুষত হোৱা নাই। হাজাৰ হাজাৰ জন্ম বা পুৰুষৰ প্ৰাণপাত পৰিশ্ৰম ফলতহে মানুহে বৰ্ত্তমান অৱস্থা পাইছেহি। যি ক্ৰম বিকাশৰ ফলত মানুহে এই অৱস্থা পাইছেহি, সেই ক্ৰম-বিকাশ সাহিত্যৰ আশ্ৰয় লৈহে হব পাৰিছে।

---

* ডিপামাৰ সাহিত্য সভাত পঠিত।



আৰু আগলৈকো মানুহে যি উন্নতি কৰিব সিও সাহিত্যৰ উন্নত অৱস্থাৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰ কৰিব। গতিকে ধৰিব লাগিব মানুহৰ উন্নতিৰ মূলত সাহিত্যই একমাত্ৰ সাৰথি।

আৰ্চীত পদাৰ্থৰ প্ৰতিবিম্ব দেখা যায়, প্ৰতিবিম্বটোৱেই পদাৰ্থৰ আচল ৰূপ। সাহিত্যও এক প্ৰকাৰ আৰ্চী। এই আৰ্চীত জাতিৰ প্ৰতিবিম্ব প্ৰতিফলিত হয়। আৰু সেই প্ৰতিবিম্ব দেখি জাতিৰ স্বৰূপ নিৰ্ণয় কৰিব পাৰি। ভাৰতীয় জাতি আৰু সভ্যতা যে একালত জ্ঞান গৰিমাৰে পূৰ্ণ জগৎবৰেণ্য আছিল তাক জানিব পাৰি সেই সময়ৰ সংস্কৃত সাহিত্য পঢ়ি। ইয়াত বাজে অন্য উপায় নাই। অসমীয়া জাতিও যে এতিয়াৰ নিচিনা কানীয়া নাছিল, একালত বীৰত্ব আৰু জ্ঞান গৰিমাৰে উন্নত আছিল তাকো জানিব পাৰি তান্ত্ৰিক যুগৰ সংস্কৃত সাহিত্য আৰু শঙ্কৰী যুগৰ অসমীয়া সাহিত্য আৰু সংস্কৃত সাহিত্য পঢ়ি। বৰ্ত্তমানেও আমি অসমীয়া এটা "জাতি" বুলি লোকৰ আগত পৰিচয় দিবলৈ আৰু ভবিষ্যতলৈকো পৰিচয় ৰাখি যাবলৈ সাহিত্যকহে আগবঢ়াই দিব লাগিব। এতেকে সাহিত্যই জাতি আৰু জাতীয়তাৰ একমাত্ৰ ধৰণী।

সাহিত্য জাতিৰ মৃত্যু-সঞ্জীৱণী। কোনো এক জাতিক মৃত্যুৰ বা ধ্বংসৰ মুখৰপৰা সাহিত্য ব্যতিৰেকে আনে ৰক্ষা কৰিব নোৱাৰে। কত অধঃপতিত ধ্বংসোন্মুখ জাতিক মৃত্যুৰ কবাল গ্ৰাসৰপৰা সাহিত্যৰ সঞ্জীৱণী মন্ত্ৰই উদ্ধাৰ কৰিছে। সাহিত্যৰ সঞ্জীৱণী মন্ত্ৰই অচেতন প্ৰাণত চেতনাৰ সঞ্চাৰ কৰে, মনত জাতীয় ভাব জগাই উন্নতিৰ বাটত আগবঢ়াই দিয়ে, মনৰ কুসংস্কাৰ, দুৰ্ব্বলতা, সঙ্কীৰ্ণতা আদি অমঙ্গলীয়া ভাববোৰ দূৰ কৰি মানুহক উদ্যমী, কৰ্ম্মী বীৰ কৰি তোলে। ভাৰতীয় জাতি আৰু সভ্যতাক পাশ্চাত্য সভ্যতাৰ গ্ৰাসৰপৰা ৰক্ষা কৰিছে সংস্কৃত সাহিত্যই, সেইদৰে অসমীয়া জাতিকো বঙ্গগ্ৰাসৰপৰা ৰক্ষা কৰিছে শঙ্কৰী যুগৰ অসমীয়া সাহিত্যই। সেই যুগৰ অসমীয়া সাহিত্য নথকা হলে এই এশ বছৰৰ ভিতৰতে জগতৰপৰা অসমীয়া জাতিৰ নাম লোপ পালেহেতেন। ভবিষ্যতলৈকো যদি জগতত অসমীয়া জাতিৰ কিবা এটা চিন থৈ যাব খোজোঁ, তেন্তে অসমীয়া সাহিত্যৰ উন্নতিৰ দ্বাৰাইহে সেই চিন থৈ যাব লাগিব।

জাতীয় সাহিত্য জাতীয় উন্নতিৰ মূল। সাহিত্যৰ আশ্ৰয় নললে পৃথিবীত শিক্ষা-বিস্তাৰ অসম্ভৱ। শিক্ষা-বিস্তাৰেই আকৌ উন্নতিৰ মূল। শিক্ষাহীন কোনো জাতিয়েই উন্নতি কৰিব নোৱাৰে। সেই কাৰণে প্ৰথমে জাতিক শিক্ষিত কৰি তুলিব লাগিব। জাতীয় শিক্ষাৰ আশুফলপ্ৰদ উপায়—জাতীয় সাহিত্যেৰে শিক্ষা-দান। জাতীয় সাহিত্যেৰে শিক্ষা-দান যেনে সৰল আৰু সহজসাধ্য, বিদেশী সাহিত্যেৰে শিক্ষা-দান তেনে কঠিন আৰু দুঃসাধ্য। আৰু শিক্ষাৰ বেগো অতি ধীৰ, অতি মন্থৰ। সেই কাৰণেই বহুত মানুহ শিক্ষাৰপৰা বঞ্চিত হয়। অল্প শিক্ষিত আৰু সুশিক্ষিত সকলোৱেই জাতীয় সাহিত্যৰ ভাব যেনে ভাবে গ্ৰহণ কৰিব পাৰিব, বিদেশী সাহিত্যৰ ভাব তেনেকৈ গ্ৰহণ কৰা বৰ টান আৰু সকলোৱে নোৱাৰেও। সকলো মানুহ শিক্ষিত নহলে মানুহৰ বা জাতিৰ উন্নতি আশা কৰা মিছা। জগতৰ বুৰঞ্জী মেলি চালে দেখা যাব—সাহিত্যৰ উন্নতিৰ লগে লগেহে জাতিৰ উন্নতি ; সাহিত্যৰ উন্নতি নহলে জাতিৰ উন্নতি অসম্ভৱ। মানুহৰ সৰ্ব্বাঙ্গীন উন্নতিৰ ভাগ মোটামুটিকৈ চাৰিটা—শাৰীৰিক, মানসিক, আধ্যাত্মিক আৰু আৰ্থিক। এই চাৰিওটা অঙ্গৰ উন্নতি হলেহে মানুহৰ আচল উন্নতি হোৱা বুলি ধৰিব পাৰি। এই চাৰিও বিধ উন্নতিয়েই সাহিত্যৰ ওপৰতহে বিশেষকৈ নিৰ্ভৰ কৰে।

সাহিত্যই জাতীয় গৌৰৱ বৃদ্ধি কৰে। প্ৰাচীন ভাৰতৰ গৌৰৱ ৰক্ষা আৰু বৃদ্ধি কৰিছে সংস্কৃত সাহিত্যই। বঙ্গালী জাতিৰ গৌৰৱ বৃদ্ধি কৰিছে বঙলা সাহিত্যই। অসমীয়া জাতিৰো গৌৰৱ ৰক্ষা কৰিছে শঙ্কৰী যুগৰ অসমীয়া সাহিত্যই। ইংৰাজী সাহিত্যৰ গুণেই আজি ইংৰাজী ভাষা পৃথিবীব্যাপী আৰু ইংৰাজ জাতিৰ ৰাজত্বত বেলি মাৰ নাযায়। মহাবীৰ নেপোলিয়ান বোনাপাৰ্টিয়ে আজীৱন সমৰক্ষেত্ৰত থাকিও এই কাৰণেই সাহিত্যৰ গুণকীৰ্ত্তন কৰি কৈছিল—"সাহিত্যই জাতীয় জীৱন গৌৰৱময় কৰে"।

ধৰ্ম্ম প্ৰানীজগতৰ ধৰণী। মানুহ আৰু ইতৰ প্ৰাণী বহু বিষয়ত স্বতন্ত্ৰ। গতিকে, ধৰ্ম্ম বিষয়তো মানুহৰ ধৰ্ম্ম

আৰু ইতৰ প্ৰাণীৰ ধৰ্ম্ম বহু বিষয়ে বেলেগ। ইতৰ-প্ৰাণীৰ ধৰ্ম্মৰ নিয়ামক ঈশ্বৰ বা প্ৰকৃতি, মানুহৰ ধৰ্ম্মৰ নিয়ামক ঈশ্বৰৰ ইচ্ছাত মানুহেই। গতিকে মানুহেই মানুহৰ মাজত ঈশ্বৰৰ ইচ্ছানুৰূপ ধৰ্ম্ম প্ৰচাৰ কৰিব লাগে। ধৰ্ম্ম প্ৰচাৰৰ প্ৰধান উপায় সাহিত্য। সাহিত্যৰ আশ্ৰয় নোলোৱাকৈ ধৰ্ম্ম প্ৰচাৰ কৰা আৰু স্থায়ী কৰা অসম্ভৱ। সেই কাৰণেই সকলো ধৰ্ম্ম প্ৰচাৰকে সাহিত্যৰ আশ্ৰয় লবলৈ বাধ্য। শঙ্কৰী যুগৰ বেচি ভাগ সাহিত্যই ধৰ্ম্ম প্ৰচাৰৰ উদ্দেশ্যেৰে লিখিত হৈছিল; অসমীয়া অঙ্কীয়া নাট আৰু ভাওনাৰ উদ্দেশ্য ধৰ্ম্ম প্ৰচাৰ আৰু লোকশিক্ষা, যদিও আজিকালি সেই ভাওনাই অশিক্ষিত লোকৰ হাতত পৰি, ঠাই বিশেষে নানা প্ৰকাৰে সমাজৰ আৰু লোকৰ অনিষ্ট সাধন কৰি অসমীয়াৰ জাতীয়তা আৰু নিজৰ কলঙ্ক আনিবলৈ ধৰিছে। মিচনাৰী পাদ্ৰী-সকলেও বিনামূল্যে পুস্তিকা বিতৰণ কৰিছে ধৰ্ম্ম প্ৰচাৰৰ উদ্দেশ্য লৈয়েই। ধৰ্ম্মশাস্ত্ৰবিলাকো একোখন উৎকৃষ্ট সাহিত্য। বেদ, বাইবেল, কোৰাণ, আদি নাথাকিলে ধৰ্ম্মৰ মূলেই নাথাকে। সাহিত্যৰ উৎকৰ্ষ সাধন হৈহে বেদ বাইবেল কোৰান্ আদি ধৰ্ম্মশাস্ত্ৰবিলাক হব পাৰিছে। এই ধৰ্ম্মশাস্ত্ৰবিলাকৰ গূঢ়াৰ্থ সাধাৰণৰ মাজত প্ৰচাৰ কৰিবলৈ বৰ্ত্তমান জাতীয় সাহিত্যৰ প্ৰচাৰ আৰু উন্নতি বিধান কৰিব লাগিব। জাতীয় সাহিত্যৰ উন্নতি নহলে ধৰ্ম্ম-শাস্ত্ৰবিলাকৰ মৰ্ম্মাৰ্থ সাধাৰণৰ মাজত প্ৰচাৰ কৰা অসম্ভৱ হৈয়েই থাকিব।

অৰ্থ উপাৰ্জ্জনৰ এটা প্ৰধান উপায় সাহিত্য। সাহিত্যই আমাক প্ৰত্যক্ষ আৰু পৰোক্ষ ভাবেৰে অৰ্থ উপাৰ্জ্জনত বিশেষ ভাবে সহায় কৰে। সাহিত্য-পাঠৰ পৰা মানুহৰ ব্যৱসায় বুদ্ধি ওপজে। বিদেশী সাহিত্যই আমাৰপৰা কম টকা নি থকা নাই। পাঠ্য পুস্তকৰেপৰা আৰম্ভ কৰি অন্যান্য বাহিৰা কিতাপৰ নিমিত্তে সদায় আমি বিদেশী সাহিত্যৰ ওচৰত আশাধৰীয়া। যদি আমাৰ সাহিত্য উন্নত হলহেতেন, তেন্তে আমি বিদেশী সাহিত্যৰ মুখাপেক্ষী হৈ থাকিব নালাগিলহেঁতেন। বাতৰি কাগজকে আদি কৰি বিজ্ঞান দৰ্শনাদি সকলো প্ৰকাৰ কিতাপ পত্ৰকে আমি বিদেশীৰপৰা নললে উপায় নাই। আমাৰ স্কুল-কলেজৰ লৰাবিলাকৰ আৰু অভিভাৱকসকলৰ ককাল ভাগে বিদেশী কিতাপ কিনোঁতে। আৰু সে[ই] টকাও যায় বিদেশলৈ। বিদেশী সাহিত্য নপঢ়িলে[ও] বিংশ শতাব্দীৰ উপযোগী জ্ঞান আহৰণ কৰা আৰু জাগতিক জ্ঞানৰ আভাস লোৱা অসম্ভৱ। গতিকে আ[মি] ধাৰ-ঋণ কৰিও বিদেশী সাহিত্য কিনিবলৈ বাধ্য হওঁ আৰু নিজৰ টকাৰে লোকক ধনী কৰোঁ। আমাৰ সাহিত্য উন্নত হলে ঘৰৰ টকা ঘৰতে থাকি যাব আৰু লোকৰপৰাও আনিবহে পাৰিম। কিতাপৰ ব্যৱসা[য়] কৰি আৰু গ্ৰন্থকাৰ হৈও মানুহ ধনী হব পাৰি[ব]; কাৰণ, উন্নত সাহিত্যৰ আদৰ সকলো দেশতে আৰু সকলো কালতে। ব্যৱসায় জ্ঞান আৰু অৰ্থনীতি আদিও সাহিত্যৰপৰাহে শিক্ষা কৰা যায়।

আনন্দ বা সুখেই মানুহৰ কাম্য। সংসাৰৰ সকলো প্ৰাণীয়েই সুখান্বেষী। সুখ সকলোৰে পক্ষে একেটা নহয়। আমি দেখা পক্ষত এজনৰ পক্ষে যি সুখ আন এজনৰ পক্ষে সেয়ে মহা দুখ হব পাৰে। কিন্তু সকলোকে সুখ দিব পৰা বস্তু যদি সংসাৰত কিবা আছে তেন্তে সি একমাত্ৰ সাহিত্য। সাহিত্য চিৰানন্দময়। সাহিত্যত কেৱল সুখ,—তাত দুখৰ লেশমাত্ৰও নাই। নিৰ্ম্ম[ল] আনন্দ আৰু দুখশূণ্য সুখ লভিবৰ একমাত্ৰ উপা[য়] সাহিত্য-সেৱা। দুখ শোকাদিৰে পৰিপূৰ্ণ জগতত সুখ লভিবৰ উপায় আৰু দুখ শোকাদিৰপৰা পৰিত্ৰাণ পাবৰ উপায় সাহিত্য-চৰ্চ্চা। পুত্ৰশোকাতুৰা মাতৃয়েও ৰামায়[ণ] মহাভাৰত আদি পঢ়ি শুনি সান্ত্বনা লভে। সাহিত্য চৰ্চ্চা কৰি সাহিত্যৰ উন্নতি বিধান কৰি নিজেও সু[খী] হোৱা আৰু আনৰো উপকাৰ সাধন কৰা প্ৰত্যেক শিক্ষিত লোকৰে কৰ্ত্তব্য। পৃথিবীত সাহিত্যিকৰ আদ[ৰ] অৱতাৰপুৰুষ ভিন্ন—সকলোৰে ওপৰত। কবি সকলো দেশতে আৰু সকলো কালতে চিৰপূজ্য আৰু চিৰ-আদ[ৰ]ণীয়। দিন যিমানে অতীত হৈ যায় কবিৰ গৌৰৱ ৰশ্মিও সিমানে উজ্জ্বল হৈহে যায়। ব্যাস, বাল্মীকি, কালিদাসৰ নাম সকলোৰে মুখে মুখে আৰু তেওঁলোকৰ গৌৰৱ দিনে দিনে বাঢ়িবহে লাগিছে।

মোক্ষ বা মুক্তিৰ পথ এটা সাহিত্য। সাহিত্য পঢ়ি



মানুহৰ মন উন্নত হয়। মনৰ উন্নতিৰ লগে লগে মানুহ সত্যবাদী, পৰোপকাৰী সত্যান্বেষী আৰু জিতেন্দ্ৰিয় হব পাৰে। এইকেইটি গুণ লভিব পাৰিলেই মানুহৰ মুক্তি অনিবাৰ্য্য। অতি নীচ প্ৰকৃতিৰ লোকো সাহিত্যৰ সংস্ৰৱলৈ আহিলে মহৎ হব পাৰে।

দেখা গ'ল সাহিত্যই মানুহৰ জীৱনৰ উদ্দেশ্য "ধৰ্ম্ম-অৰ্থ কাম মোক্ষ"—চতুৰ্ব্বৰ্গ সিদ্ধিৰ একমাত্ৰ উপায়। এই কাৰণেই সকলো মানুহে সাহিত্য-সেৱাব্ৰত গ্ৰহণ কৰা একান্ত আৱশ্যক। ইয়াত লাভ ভিন্ন লোক-চান নাই। প্ৰত্যক্ষ ভাৱে নহলেও পৰোক্ষ ভাৱে লাভ আছেই আছে। বহুতে কব পাৰে আৰু ক'ব "সাহিত্য সেৱা কৰিবলৈ সময় ক'ত? পেট-সেৱা কৰিয়েই আহৰি নাই।" যিবিলাক মানুহে এই কথা কয়, সেইবিলাকে জীৱনৰ বেচি ভাগ সময় অবাবত কটায়। এই শ্ৰেণীৰ লোকতকৈ সাহিত্যিকসকলৰ সাহিত্য-সেৱাৰ উপৰিও কামৰ পৰিমাণ বহুগুণে বেচি। নানা প্ৰকাৰ কামৰ বেমেজালিৰ মাজত থাকিও তেওঁলোকে সাহিত্য চৰ্চ্চা কৰি জগৎবৰেণ্য সাহিত্যিক হৈ গৈছে। সময়ৰ মূল্য বুজি তাৰ সদ্ব্যৱহাৰ কৰিব জানিব লাগে, তেনেহলে কোনো কামৰ নিমিত্তেই সময়ৰ অভাৱ নহয়। ইটালি দেশৰ প্ৰথম শ্ৰেণীৰ সাহিত্যিক মহাপুৰুষসকল বোলে অকল সাহিত্যিকেই নাছিল, সিবিলাক ব্যৱসায়ী সদাগৰ, ৰাজনৈতিক, বিচাৰক আৰু সৈনিক আছিল। আমাৰ দেশৰো সৰ্ব্বপ্ৰধান সাহিত্যিকসকলে অকল সাহিত্য-চৰ্চ্চাতে জীৱন কটোৱা নাছিল। মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ, বিদ্যাসাগৰ, বঙ্কিমচন্দ্ৰ, ৰবীন্দ্ৰনাথ, বেজবৰুৱা আদি সাহিত্যিকসকলৰ জীৱনৰ ফালে লক্ষ্য কৰিলেও আমাৰ কথাৰ প্ৰমাণ পোৱা যাব।

শ্ৰীমুক্তানন্দ গোস্বামী।

---

# পঢ়া সমাজ বঢ়োৱাৰ কথা।

আসাম সাহিত্য-সভা-পত্ৰিকাৰ

সম্পাদক মহাশয়ৰ সমীপেষু।

নিবেদন,

দ্বিতীয় বছৰৰ ৪ৰ্থ সংখ্যা সাহিত্য-সভা-পত্ৰিকাত আমাৰ পঢ়া সমাজ বঢ়াবলৈ কি কৰিব লাগে বুলি আপুনি এটা প্ৰশ্ন কৰিছে। ই অতি সাধু প্ৰশ্ন। এই কথাকে কিছু দিনৰ পূৰ্ব্বেই শ্ৰীযুত শৰৎচন্দ্ৰ গোসাঞিদেৱৰ লগতো পৰামৰ্শ কৰিছিলোঁ। কিন্তু কামতহে একো নহল।

দিচে কথা হৈছে, আমাৰ ভিতৰত পঢ়িব জনা মানুহৰ সংখ্যা কম। যি সকলে জানে তেওঁলোকৰ ভিতৰৰ বয়সীয়া তৰপে পৰমাৰ্থিক কথা থকা পুথিহে পঢ়ি ভাল পায়। সেই বিধৰ ছপা পুথিৰো অভাৱ, সেইবাবে শঙ্কৰী যুগৰ পুথিবোৰ ছপা কৰি উলিয়াব পৰা হলে তেওঁলোকৰো উপকাৰ হলহেঁতেন আৰু পৰোক্ষে পাঠকৰ সংখ্যাও বৃদ্ধি হলহেঁতেন।

তাৰ বাহিৰে বাকী সৰহ ভাগ পঢ়িব জনা মানুহেই নাটক, উপন্যাস, গল্পৰ কিতাপহে পঢ়ি ভাল পায়। সেই বাবেই আমাৰ পঢ়ুৱাৰ সংখ্যা বঢ়াবলৈ হলে এনেবোৰ পুথিৰ সংখ্যা বঢ়াব লাগিব। কিন্তু বৰ্ত্তমান ইয়াৰ বৰ অভাৱ, অৰ্থাৎ তেনে পুথি আমাৰ নাই।

আমি বঙ্গালী বা ইংৰাজী ভাষাত থকাৰ দৰে ওখ ভাবৰ কিতাপ লিখিব পাৰিমনে নোৱাৰো কব নোৱাৰো। কিয়নো এতিয়ালৈকে ওখ ভাবৰ কিতাপ ওলোৱা নাই বুলিয়েই যে আমাৰ ভিতৰত ওখ ভাবাপন্ন লোক নাই, সেইটো মই কব নোখোজোঁ। বহুত সময়ত তেল নহলেও ফাপৰে ধৰে।

বৰ্ত্তমান আমাক অতি ওখ ভাবৰ কিতাপ নহলেও হয়, কিয়নো, সাধাৰণে পঢ়িব বা বুজিব পৰাকৈ লিখিলেই হয়। তালৈকে না-না অসুবিধা।

আমি প্ৰায়েই কিতাপ কিনি নপঢ়ো। মৃৰ জিলিকা

সকলে উপহাৰ পাবলৈ আশা কৰে বা পায়, মজলীয়া তৰপৰ দুই চাৰিজনে এনেদৰে উপহাৰ পোৱাসকলৰ-পৰা খুজি নি পঢ়ে, আৰু তাৰ পিচৰ তৰপৰ এজনে কিনিলেই টোলটোৰ বা তেওঁৰ বন্ধুবৰ্গৰ কাৰণে হয়।

আমি কিছুমানে আকৌ "মুখ চাই পৰশো" অৰ্থাৎ কিতাপত ব্যক্তিত্ব বিচাৰ কৰোঁ। এইদৰে বিচাৰ কৰাৰ ফলত কিতাপ কিনাই নহয়।

লক্ষ্মী সৰস্বতীৰ বিবাদ সকলোৱে জানে। যি কিতাপ লিখিব পাৰে তেওঁৰ অৰ্থৰ অভাৱ। অৱস্থাহীন মানুহে পৰালি-পৰা কাম কৰে কেনেকৈ? সেই বাবেই বাহিৰা কিতাপ নিলিখি স্কুলত চলাব পৰা কিতাপ লিখিবলৈ যত্ন কৰে আৰু কৰ্ত্তৃপক্ষৰ ভৰি-হাতত ধৰি কামফেৰা সমাধা কৰিবলৈ যত্ন কৰে।

এইবোৰ অসুবিধা কিমান দিনলৈ থাকে কব নোৱাৰো; কিন্তু, ই যে সহজে আতৰ হব, এইটোও মনে নধৰে। সেই বাবে মই কব খোজো যে:—আমাৰ জনচেৰেক একনিষ্ঠ সাহিত্যসেৱকে এখন কিতাপ প্ৰকাশ কৰা দোকান ( Book publishing Company ) খুলি, নিয়ম মতে ৰেজেষ্টৰী কৰি লৈ কিতাপ প্ৰকাশ কৰক।

এই কোম্পানীয়ে কাৰ্য্য আৰম্ভ কৰাৰ পূৰ্ব্বেই অন্যান্য যুটীয়া কাৰবাৰৰ দৰে অংশ বিক্ৰী কৰি মূল-ধন কিছু হাতত লব লাগিব। তাৰ পিচত অসমৰ ইমূৰৰপৰা সিমূৰলৈকে অন্ততঃ পাঁচশ বন্ধা গ্ৰাহক ( Registered Customer ) ঠিক কৰি লব লাগিব। এওঁলোকে অন্ততঃ দহটকা কপ কোম্পানীৰ হাতত জমা থব লাগিব; অৱশ্যে ইয়াৰ বাবে সুত পাব। আৰু এইটো কথা বন্ধা থাকিব যে কোম্পানীয়ে প্ৰকাশ কৰা যাৱতীয় কিতাপৰ একোখন এওঁলোকে লব লাগিব। অৰ্থাৎ কিতাপ প্ৰকাশ কৰা মাত্ৰেই কোম্পানীয়ে খবৰ কাগজ পঠিওৱাদি এওঁলোকলৈ পঠিয়াই দিব। বছৰৰ শেহত কিমান কিতাপ পঠিওৱা হয়, তাৰ বিল দি কোম্পানীয়ে টকা আদায় কৰি লব। যদি কোনো জনে টকা নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত নিদিয়ে, তেন্তে তেওঁৰ জমা ধনৰপৰা কোম্পানীয়ে কাটি লব পৰা ক্ষমতা থাকিব। এইসকলৰ ভিতৰত অংশীদাৰ আৰু জমাথওঁতা উভয়ে মিলি পাঁচশ হলেও হব। অংশীদাৰেও ধন নিদিলে অংশৰ টকাৰপৰা বাদ দিব পৰা বিধান থাকিব লাগিব।

এনেদৰে কিতাপ প্ৰকাশ কৰা অনুষ্ঠান এটা থাকিলে লিখকৰ অভাৱ নহ'ব যেন লাগে। কিয়নো, কোনোৱে যশলৈ, কোনোৱে ধনৰ আশাৰে কিতাপ লিখিবই লিখিব। ইফালে প্ৰকাশক কোম্পানীয়েও লিখকসকলক উপযুক্ত বা চলিত মতে লাভ দিব লাগিব। আৰু তেওঁলোকে প্ৰথমে Standard ( অৰ্থাৎ মাপ-কাঠী ) বৰ ওখকৈ নধৰি অশ্লীলতাবৰ্জ্জিত শুদ্ধ ভাষাৰ নাটক, উপন্যাস বা গল্পৰ কিতাপ পালেই প্ৰকাশ কৰিবলৈ সাজু হব লাগিব। লাহে লাহে আমাৰ মনৰ জোখাৰে কিতাপ ওলাই পৰিব; যদি যুক্তি-যুক্ত দেখে অন্য কিতাপো প্ৰকাশ কৰিব পাৰে। কিন্তু আটায়ে অঙ্ক, ভূগোল, বুৰঞ্জী আদি পঢ়ি ভাল নেপাব। সেই বাবে তাৰ দিহাও সুকীয়া হব লাগিব।

ইয়াৰপৰা আৰু এটা সুবিধা হব। এহেজাৰ কিতাপ ছপাই তাৰে পাঁচশ ততালিকে বিক্ৰী হলে কিতাপৰ মূল্যও যথেষ্ট কমকৈ ধৰিব পৰা হব। সেয়ে হলে বাকী কিতাপো সহজে বিক্ৰী হব।

এনে বন্ধা গ্ৰাহক স্বাধীন দেশৰ প্ৰায় কিতাপৰ দোকা-নতে আছে হেনো। আমাৰ দেশত এনেয়ে নহয় যেতিয়া চেষ্টা কৰি গোটাব লাগিব।

এই কাম কোম্পানীয়ে হাতত নলৈ কেনো জনে গাই-গোটা ভাবেও লব পাৰে; সেয়ে হলে লাভৰ ভাগো বেচি পাব।

আমাৰ অসমত কিতাপৰ দোকান নাই। যি দুখন এখন আছে তেওঁলোকে স্কুলত চলা কিতাপ ( গেজেটত প্ৰকাশ হোৱাৰ পাচতহে ) প্ৰকাশ কৰিবলৈ আগ বাঢ়ে; অন্য কিতাপ প্ৰকাশ নকৰেই, অগত্যা টানি ধৰিলে গাগল গিলাদি গিলিবলৈ নেপালে মুখকে নেমেলে। সেইহে এনে দৰে এটা প্ৰস্তাৱ কৰা হৈছে।

এনে দৰে ছপা কিতাপৰ সংখ্যা বাঢ়িলে আৰু সস্তা দৰৰ কিতাপ পালে নিশ্চয় মানুহে কিনিব, কিয়নো, আজিকালি প্ৰাথমিক শিক্ষা পোৱা মানুহ বহুত আছে। বঙ্গ দেশতো প্ৰথমেই কপহটা কিতাপেইহে পঢ়ুৱা সমাজ সৃষ্টি কৰিলে। এই কথা সকলোৱে জানে।

শ্ৰীৰোমেশ্বৰ শৰ্ম্মা।

---

# দু-আষাৰমান কথা।

"আচাম" আৰু "অচমীয়া" এই দুটা মৌলিক শব্দক সিহঁতৰ উচ্চাৰণ মতে নিলিখি "আসাম" আৰু "অসমীয়া" বুলি লিখাত আজি কালি মানুহৰ, বিশেষকৈ উঠি অহা শিক্ষিত তৰপৰ মনত এটা ভুল ধাৰণা হোৱা দেখা যায় আৰু মুখত এটা ভুল উচ্চাৰণ হোৱা শুনা যায়। এই কথাটো যোৱা সংখ্যাৰ পত্ৰিকাত শ্ৰীযুত জ্ঞানদাভিৰাম বৰুৱা ডাঙৰীয়াই উল্লেখ কৰা দেখি আমি সন্তোষ পাইছোহঁক। বঙালী ভাষাৰ প্ৰভাৱত পৰি আমি যে নিজৰ নাত সলাবলৈ ধৰিছো তাৰ এইটো এটা জলন্ত প্ৰমাণ। ইয়াৰ দ্বাৰা এইটোৱেই প্ৰমাণ হয় যে আমি এটা বাজ-হাড় নাইকীয়া জাতি। তেখেতে সুধিছে—"এইবাবে দায়ী কোন"? আমি কওঁ, ইয়াৰ বাবে দায়ী আমাৰ পূৰ্ব্বগামী অসমীয়া ভাষাৰ সাৰথিসকল, যি সকলে বঙালী আখৰ আমাৰ মাজত চলাবলৈ ধৰিলে আৰু বঙালী 'চ' আখৰৰ 'ch' উচ্চাৰণৰ ভয়ত 'আচাম' নিলিখি "আসাম" আৰু "অচমীয়া" নিলিখি "অসমীয়া" লিখিবলৈ ধৰিলে। আমাৰ বৰিয়াকৈ মনত পৰে ৺দীন-নাথ বেজবৰুৱা, ৺ইন্দীবৰ বৰুৱা, ৺পৰমানন্দ ভৰালী আদি কৰি আগৰ কালৰ শিক্ষিত লোকসকলৰপৰা অশিক্ষিত 'ক' বুলিব নজনা গাৱঁলীয়া চহা মানুহলৈকে সকলোৱে "অচমীয়া" আৰু 'অচম' দেশ বুলিছিল। এতিয়াও অশিক্ষিত আৰু শিক্ষিত পুৰণি মানুহৰ মুখত 'চ'হে ফুটে। কেৱল নতুনকৈ উঠি অহা তৰপৰ মানুহে, লিখাত "স" ব্যৱহাৰ কৰা দেখি, উচ্চাৰণতো 'স' বুলিবলৈ ধৰিছে—হেমকোষৰ পাতনিত এই দুটা শব্দৰ "স"ৰ 'চ' উচ্চাৰণ হব বুলি লিখি থোৱা আছে। যেতিয়া বঙলা ভাষা আমাৰ স্কুলবিলাকত চলিবলৈ ধৰিলে, তেতিয়া 'চ' আখৰৰ বঙলা উচ্চাৰণ ( ch ) শিক্ষিত-সকলে জানিবলৈ পাই, "আচাম" বা "অচমীয়া" লিখিলে "acham" আৰু "achamiya" বুলি বিদেশীয়ে উচ্চাৰণ কৰিব, এই ভয়ত "আসাম" আৰু "অসমীয়া" লিখিবলৈ ধৰিলে। তাৰ আগেয়ে "আচাম তৰা" আৰু "মৌ" কাগ-জত 'আচাম' আৰু 'অচমীয়া' শব্দৰহে চল্তি আছিল। প্ৰাতঃস্মৰণীয় ৺হেমচন্দ্ৰ বৰুৱাই এই ভয়ৰ বশীভূত হৈ "আচাম" আৰু "অচমীয়া"ৰ ঠাইত 'আসাম' আৰু 'অসমীয়া' লিখি অভিধানৰ পাতনিত আকৌ এটা বিশেষ বিধি ( Exception ) লিখিবলৈ বাধ্য হৈছিল। পূজ্যবৰ শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াকো আমি দায়ী-কৰিব খোজোঁ। তেখেতে সাহ কৰি কেতিয়াবাই এই ভুল শুদ্ধ কৰি দিব পাৰিলেহেতেন। এতিয়াও এই ভুল শুধৰাই লোৱা উচিত। বিশেষ বিধি বান্ধি দিয়াৰপৰা যে একো লাভ নহল, সেইটো দেখা গ'ল। আমাৰ মাত হেনা-হচা হবলৈ দিয়াটো উচিত নহয়। "অচম" "অচমীয়া" চয়োটা শব্দ 'শ্যাম', শব্দৰপৰা হৈছে।

শ্ৰীদেৱানন্দ ভৰালী।

---

# শোকৰ বাতৰি।

নগাৱঁৰ ৰুদ্ৰকান্ত গোস্বামীৰ অকাল মৃত্যুৰ সম্বাদ পাই, আমি অতি বেজাৰ পাইছোঁ। তেখেত এগৰাকী সুৰুচিসম্পন্ন নিৰৱ সাহিত্যিক আছিল। পত্ৰিকাৰ পাঠকসকলে তেওঁৰ দুটি এটি সৰু প্ৰবন্ধ পঢ়িবলৈ পাইছিল। আন আন আলোচনীতো মাজে সময়ে তেওঁৰ প্ৰবন্ধ ওলাইছিল। তেওঁ কিছুদিন চন্দ্ৰকান্ত অভিধান প্ৰণয়ন কৰাৰ কামতো আছিল। শান্ত প্ৰকৃতিৰ, সংস্বভাৱৰ, মাৰ্জ্জিত ৰুচিৰ মানুহ বুলি আৰু এগৰাকী সুলিখক বুলি তেওঁক তেওঁৰ বন্ধুবৰ্গই সদায় মনত ৰাখিব। এনে জন মানুহৰ ডেকা বয়সতে মৃত্যু হোৱাটো আমাৰ সাহিত্যৰ পক্ষে দুৰ্ভাগ্যৰ কথা। ঈশ্বৰে তেওঁৰ আত্মাৰ উৰ্দ্ধগতি কৰক।

# বিবিধ।

অহা ইষ্টাৰৰ বন্ধত, যোৰহাট নগৰতে সাহিত্য সন্মিলন পাতিবলৈ স্থিৰ হৈছে। এই কথাৰ পৰামৰ্শ কৰিবলৈ সিদিনা এখন যোৰহটীয়া মানুহৰ সভা বহিছিল। সেই সভাই সন্মিলনৰ দিহা-পোহা কৰিবলৈ এখন অভ্যৰ্থনা সমিতি গঠন কৰি দিছে। অভ্যৰ্থনা সমিতিৰো এটা অধিবেশন সিদিনা বহিছিল।

*

কেনেকৈ একোটা একোটা স্বভাৱ ( দোষ বা গুন ) কোনো বংশত সোমায়হি বা কোনো বংশৰপৰা গুলাই যায়, তাক ভাবিব লগীয়া। এজন মানুহৰ জানিবা সঙ্গীতত অলপ ৰতি আছে। দৈবাৎ তেওঁৰ যদি ঘৈণীয়েকো সঙ্গীতত ৰতি থকা হয়, তেনেহলে তেওঁলোকৰ পুতেক তেওঁলোক দুয়োতকৈ সঙ্গীতজ্ঞ হব। এই পুতেকৰ নাম জানিবা ৰাম। ৰামৰ ভাৰ্য্যাৰো যদি তেওঁৰ সমান নহলেও, সঙ্গীতলৈ কিছু আসক্তি থাকে, তেনেহলে, তেওঁলোকৰ পুতেক যদুৰ সঙ্গীতত ৰতি বাপেকতকৈ নেবাঢ়িলেও, নুটুটে। যদুৰ ঘৈণীয়েকৰ কেনেবাকৈ যদুতকৈ সৰহ বা যদুৰ সমানেই সঙ্গীতলৈ অনুৰাগ থকাটো হলে, দুইৰো পুতেক হৰি সঙ্গীতত মহা পণ্ডিত হব।

এই ক্ৰমকে আকৌ ওভোতাই চোৱা হওক। হৰিৰ ঘৈণীয়েকৰ সঙ্গীতত সমূলি ৰতি নেথাকিলে, সিহঁতৰ পুতেক হৰিতকৈ চৰক ছাবি কমিবহে পাৰে। আকৌ সেই পুতেকৰে ঘৈণীয়েকৰ কিছু সঙ্গীত-জ্ঞান হলেও, সিহঁতৰ পুতেকৰ সেই বিদ্যাত কিছু ৰুচি থাকিব; কিন্তু যদিহে ঘৈণীয়েক গান-বাজনাত সমূলি ৰতি নথকা হয়, তেনেহলে সেই লৰা বাপেকৰ সমান সঙ্গীতজ্ঞ নোহোৱাটোহে স্বভাৱিক। এই দৰেই লাহে লাহে কমি গৈ, সেই বংশত সঙ্গীতত ৰতি থকা স্বভাৱটো মুঠেই নোহোৱা হবগৈ। এই প্ৰাকৃতিক নিয়মৰ কেতিয়াবা কৰবাত ইফালে সিফালে অলপ অচৰপ ব্যতিক্ৰম হোৱাও দেখা যায়। কিন্তু সি নিয়মৰ ব্যতিক্ৰমহে, নিজে নিয়ম নহয়। অকল মানুহতে নহয়, এই নিয়ম গোটেই প্ৰাণী আৰু উদ্ভিদ জগততে খাটে।

এই প্ৰাকৃতিক নিয়মৰ গুণেই সাধু মাক-বাপেকৰ অসাধু, বা অসাধু বাপেক-মাকৰ সাধু সন্তান হব নোৱাৰে। এই নিয়ম, ভাল স্বভাৱ, বেয়া স্বভাৱ, অৰ্থাৎ দোষ, গুণ, দুই পক্ষেই সমানে খাটে। সেই দেখিহে দৰা বা ছোৱালী বাছোতে মানুহ বৰ সাৱধান হব লাগে।

*

বঙ্গলা দেশৰপৰা অসমলৈ সোমাই আহিলে প্ৰথমতে চকু পৰে আমাৰ মহাপুৰুষীয়া ধৰ্ম্মলৈ আৰু তিৰোতাৰ বিহা-মেখেলালৈ। ধৰ্ম্মলৈ চকু পৰিবলৈ অলপ সময় লাগে, কাৰণ সমাজৰ ভিতৰলৈ অলপ সোমালেহে ইয়াক দেখিব পাৰি। পোন প্ৰথমেই চকুত পৰে বিহা-মেখেলা। এই বিহা-মেখেলাকে বিদেশী "শাৰী"এ লাহে লাহে খেদাই আহিছে। অতি ওখ লোকসকলৰ কথা তেও কিছু বুজিব পাৰি—তেখেতসকলে ঘৰৰ মহিলাসকলক ভাৰতীয় জাতিৰ তিৰোতাৰ শাৰীলৈ তুলিব খুজিছে। কিন্তু বাকীবিলাক মানুহে, দাম সস্তাৰ বাহিৰে, আন কাৰণৰ বাবে শাৰীত ধৰা নাই। অত দিন তেও তিৰোতা-কেইবাকীৰপৰাই আমি অসমীয়া বুলি চিনাকি দিছিলো; এতিয়া তাৰো মুৰ মৰিবৰ উপক্ৰম হল। হওতে ভালেই হৈছে; তিৰোতা মানুহৰ বাজে যি জাতিৰ বিশেষত্ব ৰাখোতা আৰু কোনো নাই, সেই জাতিৰ চিন মৰাই ভাল। ভাৰতবৰ্ষৰ Fashionable তৰপৰ দুজন চাৰিজন মহিলাই, মেমসকলক দেখি, নিজৰ শাৰীখনো উজাই টকাকৈ পিন্ধিবলৈ লৈছে। এই ধুন অসমতো নোসোমাবহি বুলি কোৱাটো টান। কিন্তু আজি কালিৰ মেমবিলাকৰ সাজটো, তল ওপৰ দুই কাষৰপৰা চাপি অহালৈ চাই, ই এদিন গাৰ মাজতে মাখোন চাৰি আঙুলীয়া মেৰ এটা হৈ নৰবগৈ বুলি কোনেও সাহকৈ কব নোৱাৰে। আমাৰ দেশত যেনেকৈহে শাৰী চলিবলৈ ধৰিছে, ইয়ালৈকো কাণ কৰিবৰ হল।